بسم الله الرحمن الرحيم

# নূৰুল হুদা মিন্ নূৰিল্লাহ

## স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম

# نور الهدای من نور الله

صلی الله علیه وسلم

pdf By Syed Mostafa Sakib



محمد فاروق عبدالله نوری

মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী


pdf By Syed Mostafa Sakib

৭৮৬/৯২

কালামূল ইছলাম-৮

# নূৰুল হুদা মিন্ নূৰিল্লাহ

## স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম



আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া ৰাছূলাল্লাহ
আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া নাবীয়াল্লাহ
আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া হাবীবাল্লাহ

মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

**'Nurul Huda Min Nurillah (P.B.U.H)'**: A book written on the topic that Hazarat Muhammad (P.B.U.H) is a light from Allah to the mankind describe in the light of Qur-an, Hadith, Ijma and Qyias compiled by **Muhd. Faruk Abdullah Noori** an essayist on Islamic topics and published by **'Raza Foundation'**, Muslimghopa, Sipajhar, Darrang, Assam, (India), Hadia Rs: 50/- (fifty) only.

---

**লেখক** : খাঁকপায়ে ৰাজা মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী
ভ্ৰাম্যভাষ— ৯৮৫৪৮০৭০৪১
E-mail: Farukabdullahnoori@gmail.com

**প্ৰকাশ কাল** : ৭ ফেব্ৰুৱাৰী, ২০১৫ খ্ৰীঃ

© : লেখকৰ দ্বাৰা সৰ্বস্বত্ত সংৰক্ষিত

**প্ৰকাশক** : 'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
পিন নং- ৭৮৪১৪৫, স্থাপিত- ইং ২০০৬ চন

**পৰামৰ্শক্ৰমে** : মুফ্তীয়ে আ'যম বাঙ্গাল, শ্বাইখ হযৰত মুসাম্মদ গোলাম ছামদানী ৰিজৱী চাহেব, মুৰ্শিদাবাদ (পশ্চিমবংগ)
মুফ্তী নাজিৰ আসমদ ৰাজা, শিয়ালকোট (পাকিস্তান)

**মুখ্য নিৰীক্ষক** : হযৰত মাওলানা ক্বাৰী মুসাম্মদ শ্বহিদুল ইছলাম শ্বাহিদী চাহেব, মুহ্তামিম আল্ জামিআ'তুল ইছলামিয়্যাহ নূৰীয়্যাহ মাদ্ৰাছা, খেতাশ্বৰ, খাৰুপেটীয়া (দৰং)
উ'লামাএ আহ্লে ছুন্নত কাউন্সিল

**হাদিয়া** : ৫০.০০ (পঞ্চাশ) টকা মাত্ৰ

**মুদ্ৰণ** : পাৰামাউন্ট অফ্ছেট, বৰদৌলগুৰি,দৰং (অসম)
ভ্ৰাম্যভাষ- ৯৮৫৪০৪৬৩৮৩

**ছুন্নী দ্বীনী Internet সেৱা- Internetত ল'গ অন কৰক**
**Amarislam.com, Madina24.com, yanabi.com, ja-alhaq.com** আৰু ইয়াৰ জৰিয়তে আপুনি লাভ কৰিব ছুন্নী মাছআলা-মাছাইল, ইছলামী গ্ৰন্থ আদি বঙালী ভাষাত।

pdf By Syed Mostafa Sakib

# ঈছালে চাৱাব/ কৃতজ্ঞতা

এই গ্ৰন্থখনি মৰহুম খাতিমুদ্দিন আহমেদ (বৰকুমাৰপাৰা, দৰং)ৰ ঈছালে চাৱাবৰ নামত উচৰ্গা কৰা হ'ল।আল্লাহ পাকে তেখেতৰ জীৱিত পৰিয়ালবৰ্গক হিদায়ত আৰু ৰস্‌মত দান কৰক আৰু তেখেতকো আলমে বৰজখ আৰু আখিৰাতত নাযাত দান কৰক।

উল্লেখ্য যে তেখেতৰ কনিষ্ঠ পুত্ৰ মহঃ আজমূল হুছেইনে গ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত এক বিশেষ গুৰুত্ব আৰু সহায়ৰ হাত আগবঢ়াইছে।ইয়াৰ বাবে তেখেতৰ প্ৰতি আমাৰ কৃতজ্ঞতা আৰু দুআ' থাকিল যাতে আল্লাহ পাকে তেখেতৰ সৰ্বাঙ্গীন মঙ্গল দান কৰে।আ-মীন বিজাহে ছায়্যিদিল মুৰ্ছালিন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম।

*—লেখক*

pdf By Syed Mostafa Sakib

OFFICE OF THE

علمائے اہل سنت کونسل

**ULAMA-E-AHLE SUNNAT COUNCIL**

Head Office : Ojagaon Tamzia Madrassa
P.O. Niz-Kharupetia, Dist. Darrang (Assam)
Pin-784115

President
Maulana Abed Ali Razvi
9854736088

ESTD : 2014-2015
REGD. NO. : RS/DAR/247/J/35

Secretary
Maulana Nazir Hussain Razvi
9577992619

Ref..................... Date:...2-02-15

# অভিমত

বিছ্মিল্লাহিৰ ৰাস্মানিৰ ৰাসীম

"আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ওৱা মাওলানা মুসাম্মাদ, ওৱা আলিহি ওৱা আস্‌হাবিহি আয্‌মাঈ'ন।"

বিশিষ্ট ইছলামী প্ৰবন্ধকাৰ, লেখক, চিন্তাবিদ মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেৱ ৰচিত 'নূৰুল হুদা মিন্ নূৰিল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম' নামৰ গ্ৰন্থখনি পাণ্ডুলিপি অৱস্থাতে আৰম্ভণিৰ পৰা শেষলৈ গুৰুত্ব সহকাৰে পঢ়ি চালো। বহুদিন আগৰ পৰাই আমাৰ সমাজখনত চলি অহা এটি সমস্যামূলক বিষয়ত লেখক নূৰী চাহেবে কিতাপখনত আলোকপাত কৰিব বিচাৰিছে। অৱশ্য এয়া সম্পূৰ্ণ ক্বুৰ্‌আন-হাদীচ-ইজমা আৰু ক্বিয়াছ ভিত্তিক কথা। ইয়াত লেখকৰ ব্যক্তিগত অভিমতে গুৰুত্ব পোৱা দেখা পোৱা যোৱা নাই। কিতাপখনৰ মাধ্যমেৰে সকলো শ্ৰেণীৰ লোক উপকৃত হ'ব পাৰিব বুলি আমাৰ বিশ্বাস। ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম যে আল্লাহৰ নূৰ হয় তাক কিতাপখনৰ আটাইখিনি কথাই আমাক দেখুৱাই দিছে। আমি লিখাবোৰ পঢ়াৰ পিছত এই কথাত বিনাদ্বিধাই পতিয়ন যাব পাৰো। নূৰী চাহেবৰ ইতিমধ্যে 'অসমীয়া খবৰ', 'দৈনিক অগ্ৰদূত', 'নিয়মীয়া বাৰ্তা', 'দৈনিক গণ অধিকাৰ', 'মুক্ত কণ্ঠ' আদি কাকতৰ লগতে বিভিন্ন আলোচনী-পত্ৰিকাত তথ্যগধূৰ লেখা প্ৰকাশ হৈছে। আশা ৰাখিছো ইছলাম দৰদী ৰাইজে নূৰী চাহেবৰ অন্যান্য গ্ৰন্থৰ লগতে এই গ্ৰন্থখনো আন্তৰিকতাৰে আদৰি ল'ব আৰু অসীম চাৱাবৰ ভাগী হ'ব। আল্লাহ পাকে লেখক নূৰী চাহেবৰ কলমত বৰকত দান কৰক। আমাৰ ফালৰ পৰা নূৰী চাহেবৰ ওপৰত হাজাৰ দুআ' থাকিল যাতে তেখেতে ইছলামৰ খিদ্‌মত কৰি যাব পাৰে।

President / Secretary
ULAMA-E-AHLE SUNNAT COUNCIL
Date 3/02/15

# প্ৰাককথন

بسم الله الرحمن الرحيم

বিছ্মিল্লাহিৰ ৰাস্মানিৰ ৰাসীম
আল্লাহু ৰাব্বু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা
নাস্‌নু ই'বাদু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা

নাস্‌মাদুহু ওৱা নুস্বাল্লি আ'লা ৰাছূলিহিল কাৰীম,

"ক্বাদ যা-কুম মিনাল্লাহি নূৰুউঁ ওৱা কিতাবুম্ মুবীন।" (আল্ ক্বুৰ্‌আন, ছুৰা- মাইদাহ, ৰুকু- ৩, আয়াত- ১৫, পাৰা-৬) অৰ্থাৎ- আল্লাহ পাকে কৈছে- তোমালোকৰ ওচৰলৈ ইতিমধ্যে আহি পাইছে এটি পোহৰ (নূৰ) আৰু এখন স্পষ্ট কিতাপ। তাফ্‌ছীৰ (তাফ্‌ছীৰে মাদাৰিক, কাবীৰ, খাজীন, ৰুহুল বয়ান ইত্যাদি)ত উল্লেখিত অনুসৰি এই 'নূৰ' শব্দৰ দ্বাৰা ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক বুজোৱা হৈছে। ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কত যিমানে গৱেষণা চলিব সিমানেই আমি সত্য পথত গতি কৰিবলৈ অৱলম্বণ পাওঁ। ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ব্যাপক চৰ্চাই সমাজত ইছলামৰ বিস্তৃতি তথা প্ৰচাৰ আৰু প্ৰসাৰত প্ৰভূত অৰিহণা যোগায়। সেয়ে ক্বুৰ্‌আন পাক-হাদীচ পাকৰ আধাৰত ৰছূল পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কত সমগ্ৰ পৃথিৱীত বিভিন্ন গৱেষণা চলিব লাগিছে। আজি ১৪০০ বছৰ জুৰি মহা মহা পণ্ডিত তথা গুণী-জ্ঞানী ব্যক্তিসকলে ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ শ্বান সম্পৰ্কত গৱেষণা কৰি নিজেও মহান হৈ পৰিছে আৰু পটুৱৈ সমাজকো মহান হ'বলৈ বাট দেখুৱাইছে। এনে গৱেষণাত ৰস্‌মত আৰু বৰকত নিহিত আছে। ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সৃষ্টিৰ প্ৰথম আকৰ। তেখেত (স্বাঃ)ৰ পৰাই সমগ্ৰ বিশ্বজগতৰ বস্তুসমূহ সৃষ্টি কৰা সম্পৰ্কত আল্লাহ পাকে ঘোষণা কৰিছে- 'লাওলা মা খালাক্বতুল আফ্‌লাক।' (হাদীচে কুদ্‌চী) আজি আমি ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কত চৰ্চা কৰি গৈ থাকোতে তেখেত (স্বাঃ)ৰ উচ্চ দৰ্জা সম্পৰ্কে জ্ঞাত হৈ আমাৰ অন্তৰত জ্ঞানৰ দুৱাৰ মেল খায় যে যায় এই কথা প্ৰমাণ হৈছে। ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কত কৰা গৱেষণাৰ গভীৰতাৰ যে অন্ত পৰিব তাক কোনেও ক'ব নোৱাৰে। যিমানেই গৱেষণা চলিব সিমানেই গভীৰতম অৱস্থালৈ আমি গতি কৰিব পাৰো আৰু লগে লগে আল্লাহৰ মহত্ব আৰু ৰবত্ব ইত্যাদি সকলো সম্পৰ্কত আমাৰ অন্তৰবোৰ জ্ঞাত হ'বলৈ সুবিধা পায়। সেয়ে ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কত গৱেষণাৰ কমি হ'ব নালাগে বা ব্ৰেক মাৰিব নালাগে।

pdf By Syed Mostafa Sakib

গৱেষণাৰ অন্তত যি নাপালেও গৈ তাৰ শেষৰ পৰা আল্লাহৰ মহত্বৰ আৱন্তণি হয়। গতিকে ইয়াত শ্বিৰ্কৰ কথা থাকিব নোৱাৰে। বহুতে কোৱা শুনা যায় অধিক গৱেষণাৰ দ্বাৰা ৰছুলে পাক (স্বাঃ)ৰ মৰ্যাদা বৃদ্ধি কৰি গৈ থাকিলে হেনো আল্লাহৰ সমপৰ্যায়লৈ তেখেত (স্বাঃ)ক লৈ যোৱা হ'ব আৰু তাৰ দ্বাৰা মানুহ বিভ্ৰান্ত হৈ শ্বিৰ্কত লিপ্ত হ'ব। এয়া কেনে হাস্যকৰ কথা! প্ৰিয়তম নবী হযৰত মুসাম্মদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ বান্দা আৰু ৰছুল, আল্লাহৰ সৰ্বোত্তম সৃষ্টি ইয়াত কোনো সন্দেহ থাকিব নোৱাৰে। আমি হেজাৰবাৰ কিয় অসীম সংখ্যকবাৰ ক'লেও তেখেত (স্বাঃ) সৃষ্টিকৰ্তা নহয়, সৃষ্টিকৰ্তা একমাত্ৰ আল্লাহ, আল্লাহ আমাৰ প্ৰতিপালক অৰ্থাৎ- আল্লাহ খালিক্ব, মালিক সকলো। এই সম্পৰ্কে গৱেষণামূলক প্ৰবন্ধ থকা এই গ্ৰন্থ বিভিন্ন তথ্যৰে সমৃদ্ধ কৰা হৈছে। ইয়াত ব্যক্তিগত অভিমতক আমি প্ৰাধান্য দিয়া নাই। প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামজনাৰ সম্পৰ্কত পুংখানুপুংখভাৱে জ্ঞাত হ'বলৈ ক্বুৰ্আন, হাদীচ, ইজমা, ক্বিয়াছ আদিৰ আলোকত কথাবোৰ ব্যাখ্যা কৰিবলৈ যত্ন কৰা হৈছে। তাৰোপৰি বৰ্তমান সময়ত ৰছুলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কত অধিক গৱেষণা কৰি তেখেত (স্বাঃ)ৰ উচ্চতম দৰ্জা সম্পৰ্কত জ্ঞাত হ'লে শ্বিৰ্ক হ'ব বুলি ভাবি গৱেষণাত ব্ৰেক মাৰা সকলৰ পূৰ্বপুৰুষসকলৰ বক্তব্য ইয়াত ৰখা হৈছে। লগতে দুই এটি প্ৰশ্ন উত্তৰো সন্নিবিষ্ট কৰা হৈছে।

আমি কাৰো মুখপাত্ৰ নহয় অৰ্থাৎ কাৰো দ্বাৰা নিয়োজিত হৈ আমি অন্ধভাৱে এই কামত আগবঢ়া নাই। একমাত্ৰ আল্লাহৰ সন্তুষ্টি আৰু ৰছুলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ সন্তুষ্টি আগত ৰাখি সত্যৰ প্ৰকাশ আৰু প্ৰচাৰৰ প্ৰয়াসহে আমাৰ অন্তৰত স্ফূলিংগৰ দৰে জ্বলি আছে। ইয়াৰ দ্বাৰা কাকো আক্ৰমণ কৰিবলৈ মানসিকতা ৰখা হোৱা নাই। মাথোঁ সত্যৰ সাধনা, সত্যৰ সাধনা। এই বাটেৰে গৈ শেষত আল্লাহ পাকে যেন তেখেতৰ ক্ষমা, সন্তুষ্টি আৰু যান্নাত আমাক নচিব কৰে তাৰ নিয়ত ৰখা হৈছে। আশা ৰাখিছো অবুজসকলে বুজিবলৈ যত্ন কৰিব। আল্লাহ পাকৰ ওচৰত হেজাৰবাৰ ক্ষমা বিচাৰিছো, যাতে আমাৰ কথা আৰু কামৰ দ্বাৰা ইছলামৰ কোনো ক্ষতি নহয় আৰু অজানিতভাৱেও ব্যক্তিগত ইচ্ছা, অভিলাস পূৰণ তথা খ্যাতি অৰ্জনৰ বাবে একো নকৰোঁ। আল্লাহ পাকে তাক ক্বুল কৰক আৰু আমৃত্যু দ্বীনী খিদ্‌মত কৰি যাবলৈ তৌফিক্ব দান কৰক। আ-মীন বিজাহে ছায়্যিদিল মুৰ্ছালিন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম।

*—খাদিমে ইছলাম*

মুসাম্মদ [illegible] আব্দুল্লাহ নূৰী
০১/০২/২০১৫

بِسْمِ اللّٰہِ الرَّحْمٰنِ الرَّحِیْمِ
نحمده ونصلي ونسلم على رسوله الكريم
واله وصحبه اجمعين۔

বিগত কেইটামান বছৰ জুৰি অসমীয়া সমাজত কেইজনমান নাদৰী, দেওবন্দী, আহলে হাদীচপন্থী মৌলানা তথা লেখকে বিভিন্ন বাতৰি কাকত, পুস্তিকা আদিৰ মাধ্যমেৰে ৰছুলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম যে আল্লাহ পাকৰ নূৰ নহয় তাক প্ৰচাৰ কৰি আহিছে। উল্লেখনীয় যে এ, নাদৰী চাহেবে 'জীৱন জ্যোতি-১৫ নং'ত 'মহানবী মুসাম্মদ ৰছুল স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম নূৰ নে মানুহ' শিৰোনামাৰে ৬ পৃঃত লিখিছে—"নূৰে মুসাম্মদী সম্পৰ্কে কিছুমান জেইলী মিছা (Forged) হাদীচ পাই সেইবোৰ ছহি অছহি নিৰ্বাচন কৰিব নাজানি ছুন্নী মৌলৱী-মৌলানাই নজনা মানুহৰ মনত বিশ্বাস সুমুৱাই দিছে যে নবীজী আল্লাহৰ নূৰ, আল্লাহৰ নূৰৰ পৰা পয়দা ইত্যাদি.... ৰছুলে পাক মহানবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ নূৰ নহয়....।" মৌঃ ফজলুল কৰীম ক্বাছিমীয়ে তেওঁৰ 'চুন্নত-বেদাত আৰু চুন্নী-বেদাতীৰ মূল্যায়ন' পুস্তিকাৰ ১২ পৃঃত কৈছে- **"নবীয়ে কৰীম (স্বাঃ) নূৰ নাছিল, বশ্বৰহে আছিল।"** মুসাম্মাদ নূৰুল হক্বে 'অসমীয়া খবৰ', 'নিয়মীয়া বাৰ্তা' কাকতত আৰু ডাঃ আৰফান আলীয়ে যোৱা ১২ এপ্ৰিল, ২০১৩ সংখ্যাৰ 'নিয়মীয়া বাৰ্তা' কাকতৰ সমন্বয় শিতানত 'হুজুৰ পাক (স্বাঃ) নূৰৰ নহয় মাটিৰহে সৃষ্টি' শিৰোনামাৰে লেখা প্ৰকাশ কৰিছে। তেওঁলোকৰ বিশ্লেষণত আমি আশ্বস্ত হ'ব পৰা নাই। তেওঁলোকে যি মন লৈছে লওঁক আমাৰ ক'বলগীয়া নাই কিন্তু সকলোকে তেনেধৰণে ভাবিবলৈ অনুপ্ৰাণিত কৰোৱাত আমাৰ আপত্তি আছে। প্ৰকৃত কথাৰ পৰা ফালৰি কাটি কথা ক'লে আমি তাক আপত্তি কৰিবই লাগিব। পিছে এয়া অতি ভদ্ৰভাৱে, শালীনতাৰে কৰা হ'ব। সেয়ে ক্বুৰ্আন, হাদীচৰ আলোকত প্ৰকৃত ব্যাখ্যা আগবঢ়োৱাৰ উদ্দেশ্য এই ক্ষুদ্ৰ প্ৰয়াস আপোনালোকৰ হাতত আমি তুলি দিবলৈ যত্ন কৰিছোঁ।

**ক্বুৰ্আন পাকত হুজুৰ পাক (স্বাঃ)ক নূৰ বুলি কোৱা হৈছেঃ**

قد جاء كم من الله نور وكتاب مبين سوره مائده پ٦

"ক্বাদ যা-কুম মিনাল্লাহি নূৰুউঁ ওৱা কিতাবুম্ মুবীন।" অৰ্থাৎ- নিশ্চয় তোমালোকৰ ওচৰত আহিছে আল্লাহৰ ওচৰৰ পৰা নূৰ আৰু প্ৰকাশ্য কিতাপ। (ছুৰা-মাইদাহ, ৰুকু- ৩, আয়াত- ১৫, পাৰা-৬) এই পবিত্ৰ আয়াত শ্বৰীফটিত 'নূৰ'ৰ অৰ্থ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম।

বৰ্ণিত আয়াত সম্পৰ্কে মুফাচ্চিৰিণ কিৰামসকলৰ অভিমত ঃ

হযৰত ইমাম ফখৰুদ্দীন ৰাজী (ৰাসঃ)এ কৈছে—

اِنَّ الْمُرَادَ بِالنُّوْرِ مُحَمَّدٌ صَلَّى اللّٰهُ عَلَيْهِ وَسَلَّمَ

"ইন্নাল মুৰাদা বিন্নূৰী মুসাম্মাদুন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা।" অৰ্থাৎ- 'নূৰ'ৰ অৰ্থ হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম। (তাফ্ছীৰে কাবীৰ, খণ্ড-৬, পৃষ্ঠা- ১৮৯)

অনুৰূপ হযৰত ইমাম জালালউদ্দিন ছিওতী (ৰাসঃ)এ লিখিছে—

هُوَ النَّبِيُّ صَلَّى اللّٰهُ عَلَيْهِ وَسَلَّمَ

"হুৱান নাবীউ' স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা।" অৰ্থাৎ- এয়া (নূৰ) হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম। (জালালাইন শ্বৰীফ, পৃষ্ঠা- ৯৭)

হযৰত ইমাম নাছাফী (ৰাসঃ)এ কৈছে—

وَالنُّوْرُ مُحَمَّدٌ عَلَيْهِ السَّلَامُ

"ওৱানূৰু মুসাম্মাদুন আ'লাইহিছ্ ছালাম।" অৰ্থাৎ- 'নূৰ'ৰ অৰ্থ হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম। (তাফ্ছীৰে মাদাৰিক, খণ্ড-১, পৃষ্ঠা- ২১৭)

হযৰত আ'ল্লামা ইছমাঈল সাক্বী (ৰাসঃ)এ কৈছে—

قِيْلَ الْمُرَادُ بِالْاَوَّلِ هُوَ الرَّسُوْلُ صَلَّى اللّٰهُ عَلَيْهِ وَسَلَّمَ

"ক্বীলাল মুৰাদু বিল আওৱালি হুৱাৰ ৰাছূলু স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা।" অৰ্থাৎ- 'নূৰ'ৰ অৰ্থ হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম। (তাফ্ছীৰে ৰুহুল বয়ান, খণ্ড- ২, পৃষ্ঠা- ৩৬৯)

হযৰত আ'ল্লামা মুহ্য়ীছ্ ছুন্নাহ আলাউদ্দীন আ'লী বিন মুসাম্মাদ (ৰাসঃ)এ কৈছে—

قَدْ جَآئَكُمْ مِّنَ اللّٰهِ نُوْرُ النَّبِيِّ مُحَمَّدٌ
صَلَّى اللّٰهُ عَلَيْهِ وَسَلَّمَ

"ক্বাদ্ যা-কুম্ মিনাল্লাহি নূৰুন্নাবী মুসাম্মাদুন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা।" অৰ্থাৎ- নিশ্চয় তোমালোকৰ ওচৰত উপস্থিত হৈছে আল্লাহৰ ওচৰৰ পৰা





নূৰ নবী হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম। (তাফ্ছীৰে খাজীন, খণ্ড- ১, পৃষ্ঠা- ২১৭)

উক্ত আয়াত সম্পৰ্কত তাফ্ছীৰে ছাবীত কোৱা হৈছে-

قَوْلُهُ هُوَ النَّبِيُّ صَلَّى اللّٰهُ عَلَيْهِ وَسَلَّمَ اَيْ سَمَّى اللّٰهُ نُوْرًا لِاَنَّهُ يَنُوْرُ الْبَصَائِرَ وَيَهْدِيْ بِهَا الرَّشَادَ وَلِاَنَّهُ اَصْلُ كُلِّ نُوْرٍ حِسِّيٍّ وَمَعْنَوِيٍّ

অৰ্থ ঃ এই আয়াতত আল্লাহ তাআ'লাই হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক এই কাৰণেই 'নূৰ' বুলি কৈছে যে তেওঁ (স্বাঃ) দৃষ্টি শক্তি বিলাকক আলোকিত কৰে আৰু তেওঁ (স্বাঃ) ইন্দ্ৰিয়গ্ৰাহ্য উভয় প্ৰকাৰ নূৰৰ মূল।

উক্ত আয়াত সম্পৰ্কত তাফ্ছীৰে খাজিনত উল্লেখিত হৈছে- 'নূৰ'ৰ অৰ্থ হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম। তেওঁ (স্বাঃ)ক আল্লাহ তাআ'লাই 'নূৰ' বুলি নামাকৰণ এইবাবেই কৰিছে যে তেওঁ (স্বাঃ)ৰ পৰা হিদায়ত গ্ৰহণ কৰা হয়। যিভাবে অন্ধকাৰত আলোৰ দ্বাৰা পথৰ সন্ধান লোৱা হয়।

তাফ্ছীৰে বায়জাবীত বৰ্ণিত হৈছে- কোনো মুফাচ্ছিৰৰ এটি উক্তি হৈছে যে, 'নূৰ'ৰ অৰ্থ হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম।

তাফ্ছীৰে মাদাৰিকত বৰ্ণিত হৈছে যে— 'নূৰ'ৰ দ্বাৰা হযৰত মুসাম্মাদ মুস্তাফা(স্বাঃ)ক উদ্দেশ্য কৰা হৈছে। কিয়নো তেওঁ (স্বাঃ)ৰ পৰা হিদায়ত লোৱা হয়। যিদৰে তেওঁ (স্বাঃ)ক আল্লাহৰ তৰফৰ পৰা 'প্ৰদীপ' নামাকৰণ কৰা হৈছে।

তাফ্ছীৰে ইব্নে আব্বাছ তন্বীৰুল মিকয়াছত বৰ্ণিত আছে- তোমালোকৰ ওচৰত আল্লাহৰ 'নূৰ' অৰ্থাৎ হযৰত মুসাম্মাদ মুস্তাফা (স্বাঃ) আহিছে।

কুৰ্আন পাকৰ আয়াত 'ছিৰাজাম মুনীৰা' সম্পৰ্কত তাফ্ছীৰে ৰুহুল বয়ানৰ খণ্ড- ২, পৃষ্ঠা- ৩৬৯ত কোৱা হৈছে- তেওঁ (স্বাঃ) এনে সত্বা যাক আল্লাহে 'নূৰ' হিচাপে সৃষ্টি কৰিছে আৰু তেওঁ (স্বাঃ)ক সৃষ্টি জগতৰ ওচৰত পঠাইছে।

তাফ্ছীৰে বায়জাবীত এই আয়াত সম্পৰ্কে কোৱা হৈছে- হুজুৰ পাক (স্বাঃ)ৰ 'নূৰ'ৰ পৰা সকলো দৃষ্টিশক্তি সম্পন্ন জাতিয়ে আলো গ্ৰহণ কৰি থাকে। অনুৰূপভাৱে তাফ্ছীৰে খাজিনসহ অন্যান্য গ্ৰন্থতো উল্লেখ আছে। তাফ্ছীৰে ইব্নে আব্বাছ, ৭২ পৃঃ, তাফ্ছীৰে খাজাইনুল ইৰ্ফান, ১৬০ পৃঃ, মাদাৰিজুন্নুবুওৱাত, ১ম খণ্ড, ১২৩ পৃঃ, তাফ্ছীৰে মাদাৰিক, ১ম খণ্ড, ৪৭০ পৃঃ, তাফ্ছীৰে ৰুহুল মাআ'নী, ১ম খণ্ড, ৫৪৮ পৃঃ, ইব্নে জৰীৰ, মাওৱাহিবে লাদুন্নিয়াহ, ১ম খণ্ড, ১২৩ পৃঃ আদি গ্ৰন্থসমূহত

pdf By Syed Mostafa Sakib

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক 'নূৰ' বোলা হৈছে।

**হুজুৰ পাক (স্বাঃ) আল্লাহৰ নূৰৰ পৰা আৰু তেখেত (স্বাঃ)ৰ নূৰৰ পৰা সমস্ত জাহান পয়দা হৈছেঃ**

হযৰত ইমাম মালিক (ৰাসঃ)ৰ শিষ্য আৰু হযৰত ইমাম আসমাদ বিন্ হাম্বল (ৰাসঃ)ৰ উস্তাদ আৰু হযৰত ইমাম বুখাৰী (ৰাসঃ), হযৰত ইমাম মুছলিম (ৰাসঃ)ৰ উস্তাদ হাফিজুল হাদীচ হযৰত ইমাম আ'ব্দুৰ ৰাজ্জাক (ৰাসঃ)এ নিজৰ কিতাপত বৰ্ণনা কৰিছে—

عَنْ جَابِرِبْنِ عَبْدِ اللهِ الْاَنْصَارِى رَضِىَ اللهُ عَنْهُمَا قَالَ قُلْتُ يَارَسُلَ اللهِ بِاَبِىْ اَنْتَ وَ اُمِّىْ اَخْبِرْنِىْ عَنْ اَوَّلِ شَيْءٍ خَلَقَهُ اللهُ قَبْلَ الْاَشْيَاءِ قَالَ يَاجَابِرُاِنَّ اللهَ خَلَقَ قَبْلَ الْاَشْيَاءِ نُوْرَ نَبِيِّكَ مُحَمَّدٍ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ مِنْ نُوْرِهٖ فَجَعَلَ ذٰلِكَ النُّوْرُ يَدُوْرُ بِالْقُدْرَةِ حَيْثُ شَاءَ اللهُ وَلَمْ يَكُنْ فِىْ ذٰلِكَ الْوَقْتِ لَوْحٌ وَّلَا قَلَمٌ وَّلَا جَنَّةٌ وَّلَا نَارٌ وَّلَا مَلَكٌ وَّلَا سَمَاءٌ وَّلَا اَرْضٌ وَّلَا شَمْسٌ وَّلَا قَمَرٌ وَّلَا اِنْسٌ وَّلَا جِنٌّ فَلَمَّا اَرَادَ اللهُ تَعَالٰى اَنْ يَّخْلُقَ الْخَلْقَ قَسَّمَ ذٰلِكَ النُّوْرَ اَرْبَعَةَ اَجْزَاءٍ فَخَلَقَ مِنَ الْجُزْءِ الْاَوَّلِ الْقَلَمَ وَمِنَ الثَّانِى اللَّوْحَ وَ مِنَ الثَّالِثِ الْعَرْشَ

ثُمَّ قَسَّمَ الْجُزْءَ الرَّابِعَ اَرْبَعَةَ اَجْزَاءٍ فَخَلَقَ مِنَ الْاَوَّلِ حَمَلَةَ الْعَرْشِ وَمِنَ الثَّانِى الْكُرْسِىَّ وَمِنَ الثَّالِثِ بَاقِى الْمَلَائِكَةِ ثُمَّ قَسَّمَ الرَّابِعَ اَرْبَعَةَ اَجْزَاءٍ فَخَلَقَ مِنَ الْاَوَّلِ السَّمٰوٰتِ وَمِنَ الثَّانِى الْاَرَضِيْنَ وَمِنَ الثَّالِثِ الْجَنَّةَ وَالنَّارَ ثُمَّ قَسَّمَ الرَّابِعَ اَرْبَعَةَ اَجْزَاءٍ فَخَلَقَ مِنَ الْجُزْءِ الْاَوَّلِ نُوْرَ اَبْصَارِ الْمُؤْمِنِيْنَ وَمِنَ الثَّانِىْ نُوْرَ قُلُوْبِهِمْ وَهِىَ الْمَعْرِفَةُ بِاللهِ وَمِنَ الثَّالِثِ نُوْرَ اُنْسِهِمْ وَهُوَ التَّوْحِيْدُ لَا اِلٰهَ اِلَّا اللهُ مُحَمَّدٌ رَّسُوْلُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ

'আন্ জাবিবিব্নি আ'ব্দিল্লাহিল আনছাৰী ৰাদ্বিয়াল্লাহু আ'নহুমা ক্বালা ক্বুলতু ইয়া ৰাছূলাল্লাহি বি আবী আন্তা ওৱা উম্মী আখ্বিৰনী আন্ আউৱালী শ্বাইয়ীন খালাক্বাহুল্লাহু ক্বাব্লাল আশ্ইয়াই ক্বালা ইয়া জাবিৰু ইন্নাল্লাহা খালাক্বা ক্বাব্লাল আশ্ইয়াই নূৰা নাবীয়িকা মুসাম্মাদিন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা মিন্ নূৰিহি ফাযাআ'লা জালিকান নূৰু ইয়াদুৰু বিল্ ক্বুদ্ৰাতি হাইচু শ্বা-আল্লাহু ওৱা লাম





ইয়াকুন ফী জালিকাল ওৱাক্বতি লাউহুন ওৱালা ক্বালামুন ওৱালা যান্নাতুন ওৱালা নাৰুন ওৱালা মালাকুন ওৱালা ছামাউন ওৱালা আৰদ্বুন ওৱালা শ্বামছুন ওৱালা ক্বামাৰুন ওৱালা ইনছুন ওৱালা জিন্নুন ফালাম্মা আৰাদাল্লাহু তাআ'লা আই ইয়াখ লুকাল খালক্বা ক্বাছ্ছামা জালিকান নূৰা আৰবাআ'তা আজজাইন্ ফাখালাক্বা মিনাল জুজ্ ইল আউৱালিল ক্বালামা ওৱা মিনাছ ছানীল্ লাউহা ওৱা মিনাছ ছালিছিল আ'ৰশ্বা চুম্মা ক্বাচ্চামাল জুজ্আৰ্ৰাবিআ' আৰবাআ'তা আজজা ইন ফাখালাক্বা মিনাল আউ্ৱালি হামালাতাল আ'ৰশ্বি ওৱা মিনাছ ছানীল কুৰছীয়্যা ওৱা মিনাছ ছালিছি বাক্বীল মালাইকাতি চুম্মা ক্বাচ্চামা ৰাবিআ' আৰবাআ'তা আজজাইন ফাখালাক্বা মিনাল আউ্ৱালিছ ছামাৱাতি ওৱা মিনাছ ছানীল আৰদ্বিয়ীনা ওৱা মিনাছ ছালিছিল যান্নাতা ওৱান্নাৰা চুম্মা ক্বাচ্চামাৰ্ৰাবিআ আৰবাআ'তা আজজাইন ফাখালাক্বা মিনাল জুজইল আউ্ৱালি নূৰা আবস্বাৰিল মু'মিনীনা ওৱা মিনাচ ছানী নূৰা কুলুবিহিম ওৱা হিয়াল মা'ৰিফাতু বিল্লাহি ওৱা মিনাছ্ ছালিছি নূৰা উনছিহিম ওৱাহুৱাত তাওসীদু লা ইলাহা ইল্লাল্লাহু মুসাম্মাদুৰ ৰাছূলুল্লাহি স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা।"

অৰ্থাৎ- হযৰত জাবিৰ ইব্নে আ'ব্দিল্লাহিল আনছাৰী (ৰাঃ)ৰ পৰা বৰ্ণিত, তেওঁ (ৰাঃ) কৈছে— ইয়া ৰাছূলাল্লাহ (স্বাঃ)! মোৰ পিতা-মাতা আপোনাৰ ওপৰত কুৰ্বান (উৎসৰ্গিত) হওক, আপুনি কওঁক, প্ৰথম বস্তু কোনটি? যি আল্লাহ তাআ'লাই সমস্ত বস্তুৰ পূৰ্বে সৃষ্টি কৰিছে। হুজুৰ পাক (স্বাঃ)এ কৈছিল— "হে জাবিৰ! নিশ্চয় আল্লাহ তাআ'লাই সমস্ত বস্তুৰ পূৰ্বে তোমাৰ নবীৰ নূৰক তেওঁৰ নূৰৰ পৰা সৃষ্টি কৰিছে। পিছত সেই নূৰ কুদৰতত ভ্ৰমণ কৰিছিল যি আল্লাহ তাআ'লাই ইচ্ছা কৰিছিল। সেই সময়ত নাছিল লওহ- ক্বলম, যান্নাত-জাহান্নাম, ফৰিশ্তা আৰু আছমান, জমীন, সূৰ্য, চন্দ্ৰ, জ্বিন আৰু ইনছান। পিছত যেতিয়া আল্লাহে মখলুক পয়দা কৰিবলৈ ইচ্ছা কৰিলে। তেতিয়া উক্ত নূৰক চাৰিটা ভাগত বিভক্ত কৰিলে। প্ৰথম অংশৰ পৰা ক্বলম, দ্বিতীয় অংশৰ পৰা লওহ, তৃতীয় অংশৰ পৰা আৰশ্ব সৃষ্টি কৰিলে। তাৰ পিছত চতুৰ্থ অংশক চাৰিটা ভাগত বিভক্ত কৰি প্ৰথম অংশৰ পৰা আৰশ্ববাহী ফৰিশ্তা, দ্বিতীয় অংশৰ পৰা কুৰছী, তৃতীয় অংশৰ পৰা বাকী ফৰিশ্তা সৃষ্টি কৰিলে। তাৰ পিছত চতুৰ্থ অংশক চাৰি ভাগত বিভক্ত কৰি প্ৰথম অংশৰ পৰা আকাশ সমূহ, দ্বিতীয় অংশৰ পৰা জমীন সমূহ, তৃতীয় অংশৰ পৰা যান্নাত-জাহান্নাম সৃষ্টি কৰিলে। তাৰ পিছত চতুৰ্থ অংশক চাৰি ভাগত বিভক্ত কৰি প্ৰথম অংশৰ পৰা মু'মিনসকলৰ চকুৰ জ্যোতি, দ্বিতীয় অংশৰ পৰা এওঁলোকৰ অন্তৰৰ জ্যোতি যি হ'ল আল্লাহৰ মা'ৰিফত,

pdf By Syed Mostafa Sakib

তৃতীয় অংশৰ পৰা এওঁলোকৰ মুসাব্বতৰ জ্যোতি, যি হ'ল তৌসীদ লা ইলাহা ইল্লাল্লাহু মুসাম্মাদুৰ ৰাছুলুল্লাহ সৃষ্টি কৰিছে। (আল্ মাওৱাহিবুল লাদুন্নিয়াহ, খণ্ড-১, পৃষ্ঠা- ৯, আল্ ফাতাৱাল হাদিচিয়া, পৃষ্ঠা- ৫৯, হুজ্জাতুল্লাহিল আ'লাল আ'লামিন, পৃষ্ঠা- ২৮) অনুৰূপ উল্লেখিত হাদীচটি আ'ল্লামা ছুছাইন বিন মুসাম্মাদ (ৰাসঃ)ৰ 'তাৰিখুল খামীছ', ১ম খণ্ড, ২২ পৃষ্ঠা আৰু আ'ল্লামা কাছী (ৰাসঃ)ৰ মাতাবিউল মুছাৰ্ৰাত গ্ৰন্থৰ ২২১ পৃষ্ঠা আৰু হযৰত শ্বাইখ আব্দুল হক্ব মুহাদ্দিচ দেহ্লৱী (ৰাসঃ)এ 'মাদাৰিজুন্নুবুওৱাত' গ্ৰন্থৰ ২য় খণ্ডৰ ২ পৃষ্ঠা, হযৰত ইমাম বাইহাক্বী (ৰাসঃ)এ 'দালায়িলুল নবুঅ'ত' গ্ৰন্থত উল্লেখ কৰিছে। প্ৰখ্যাত ইমামসকল হাদীচটিৰ চনদৰ ওপৰত ঐক্যমত হৈছে। ইমাম ইব্নে হাজাৰ আছ্কালানী (ৰাসঃ)এ মাওৱাহিবত, ইমাম ইব্নে হাজাৰ মক্কী (ৰাসঃ)এ আফজালুল কুৰ্আনত অনুৰূপভাৱে বৰ্ণনা কৰিছে।

হুজুৰ পাক (স্বাঃ)ৰ মাতৃ হযৰত আমিনা (ৰাঃ)ই কৈছে- “যিদিনাখন ৰাতি দয়াৰ নবী (স্বাঃ) ধৰাধামলৈ আগমন (পদাৰ্পণ) হয়, সেই ৰাতি মই এটি নূৰ দেখিছিলো যাৰ দ্বাৰা শ্বাম দেশৰ অট্টালিকাবোৰ আলোকিত হৈ গ'ল, আনকি সেইবোৰ মোৰ দৃষ্টিগোচৰ হৈছিল।” (খাছায়িছুল কুব্ৰা, ১ম খণ্ড, পৃঃ ৬৪, জুৰ্কানী ১ম খণ্ড, পৃঃ ১১৬৩, আল্ ওফা, তাবৰাণী) হাফিজ ইব্নে হাজাৰ (ৰাসঃ)এ কৈছে, ইব্নে হাব্বান আৰু হাকিম (ৰাসঃ)এ উক্ত হাদীচটোক স্বসীস (শুদ্ধ) বুলি কৈছে।

যি সময়ত হুজুৰ পূৰনূৰ (স্বাঃ)ৰ মাতৃ হযৰত আমিনা (ৰাঃ)এ তেওঁ (স্বাঃ)ক গৰ্ভধাৰণ কৰিছিল। সেই সময়ৰ কথা বৰ্ণনা কৰি তেওঁ (ৰাঃ) কৈছে- “মই যে গৰ্ভধাৰণ কৰিছোঁ সেইটো বুজি পোৱা নাছিলো আৰু স্ত্ৰীলোকে যি ধৰণে গধুৰ অনুভৱ কৰে, মই তেনেকুৱা একো অনুভৱ কৰা নাছিলো।” মাজে সময়ে তেওঁ (ৰাঃ) কৈছে, “মই যেতিয়া নিদ্ৰিত আৰু জাগৰিত অৱস্থাত আছিলো, এনে সময়ত এজন দেৱদূত (ফৰিশ্বতা) মোৰ ওচৰলৈ আহি ক'লে, “তুমি যে গৰ্ভৱতী হৈছা সেয়া অৱগত আছানে?” মই উত্তৰ দিলো, 'মই অৱগত নহয়।' সপোনত আগমনকাৰী সেই ফৰিশ্বতাজনে ক'লে -“তুমি নিশ্চয় অনুজ উম্মতৰ নবীক গৰ্ভধাৰণ কৰিছা, তেওঁ (স্বাঃ)ৰ নাম 'মুসাম্মাদ' ৰাখিবা।” (ওৱাকেদী)

ফাতিমা নামৰ এজনী মহিলাই বৰ্ণনা কৰিছে— “মই হযৰত মুসাম্মাদ মুস্তাফা (স্বাঃ)ৰ ধৰাধামলৈ আৱিৰ্ভাৱৰ সময়ত উপস্থিত আছিলো। মই দেখিছিলো যে তেওঁ (স্বাঃ)ৰ জন্ম হোৱাৰ লগে লগে ঘৰটো নূৰেৰে পৰিপূৰ্ণ হৈ গৈছে আৰু তাৰকাবিলাক দেখিলো যেন আমাৰ নিকটৱৰ্তী হৈ আছে, আনকি আমাৰ ধাৰণা হ'ল যে সেইবোৰ আমাৰ ওপৰত পতিত হ'ব।” (তাব্ৰাণী, আবু নঈম, ইব্নুল আ'ব্দুল বেৰ, বাইহাক্বী)





আল্ মাওৱাহিবে লাদুন্নিয়াহ গ্ৰন্থৰ পৃষ্ঠা- ২০-২১ত উল্লেখ আছে— “লাম্ ইয়াব্কা ফী তিল্কাল লাইলাতি দাব্বাতুল লিক্বুৰাইশ্বিন ইল্লা নাতাকাত ওৱা ক্বালাত ক্বাদ্ হামিলা বি মুসাম্মাদিন ওৱা ৰাব্বুল কা'বাতি।” অৰ্থাৎ— আজি ৰাতি নূৰে মুসাম্মদী (স্বাঃ)এ তেওঁৰ মাতৃগৰ্ভত গৰ্ভধাৰণ কৰিলে বুলি জীৱ-জন্তুবোৰে ইটোৱে সিটোক সু-সংবাদ জনালে আৰু খানায়ে কা'বাৰ ৰবৰ শপত খাই ক'লে, নূৰে মুসাম্মদী (স্বাঃ) আজি মাতৃৰ গৰ্ভলৈ ৰূপান্তৰ হ'ল। “আমাৰা বিদ্ৰানাল যান্নাতি আন্ ইয়াফ্তাহা ফী তিল্কাল লাইলাতি আব্ওৱাবাল ফিৰ্দাউচি।” অৰ্থাৎ- আল্লাহ তাআ'লাই যান্নাতৰ দাৰৱানসকলক আদেশ কৰিলে যে আজি ৰাতি যান্নাতুল ফিৰদাউচৰ দুৱাৰবোৰ খুলি দিয়া। সংবাদবাহকে সকলোকে খবৰ দিলে যে — “আ'লা আন্নান নূৰাল মাক্নুনাল মাহ্জুনা ফী তিলকাল লাইলাতি কাদিস্তা কাব্বা ফী বাত্নী উম্মি।” অৰ্থাৎ- সাৱধান! আজি ৰাতি নূৰে মুসাম্মদী (স্বাঃ)এ তেওঁৰ মাতৃগৰ্ভত গৰ্ভধাৰণ কৰিছে। “ওৱাকা জালিকা আহ্লুল বুহাৰি ইউবাছ্ছিৰো বা-দুহুম লি বাদিন।” অৰ্থাৎ- সাগৰৰ প্ৰাণীয়ে ইটোৱে সিটোক মুবাৰকবাদ জনাইছে। তাৰিখুল খামিছত হযৰত ইব্নে আব্বাছ (ৰাঃ)ৰ পৰা বৰ্ণিত হৈছে যে- আৰবৰ সমস্ত জীৱ-জন্তুৱে কোৱা-কুৱি কৰিছে যে আজি ৰাতি নূৰে মুসাম্মদী (স্বাঃ)এ তেওঁৰ মাতৃগৰ্ভত অৱস্থান কৰিছে। 'ওৱা ৰাব্বুল কা'বাতি ওৱা আমানুদ্ দুন্য়া ওৱা চিৰাজু আহ্লাহা।' অৰ্থঃ আৰু খানায়ে কা'বাৰ প্ৰতিপালকৰ শপত হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বিশ্বজগতৰ বাবে শান্তিময় হোৱাৰ লগতে পৃথিৱীৰ বাসিন্দাসকলৰ বাবে পথ-প্ৰদৰ্শকৰূপী উজ্জ্বল চিৰাগ (চাকি) হয়।

হযৰত ইমাম চাহাবুদ্দিন আসমদ কাস্তালানী (ৰাসঃ)এ 'মাওৱাহিবে লাদুন্নিয়াহ'ত বৰ্ণনা কৰিছে- “সূৰ্য আনকি চন্দ্ৰৰ পোহৰতো প্ৰিয়নবী (স্বাঃ)ৰ শৰীৰ মুবাৰকত কোনো ম'হ, মাখি বহা নাছিল। সেইদৰে তেওঁ (স্বাঃ)ৰ কাপোৰতো মহ, মাখি বহা নাছিল।” (আ'ল্লামা আ'ব্দুল মুস্তাফা আ'যমীৰ ছীৰাত-ই-মুস্তাফা স্বাঃ)

হযৰত আ'ল্লামা আব্দুল গণি নাবুলুছী (ৰাসঃ)এ আল্ হাদীকাতুন্নদীয়া গ্ৰন্থৰ ২য় খণ্ডৰ ৩৭৫ পৃষ্ঠাত লিখিছে—

قَدْ خُلِقَ كُلُّ شَيْءٍ مِّنْ نُوْرِهٖ صَلَّى اللّٰهُ عَلَيْهِ
وَسَلَّمَ كَمَا وَرَدَبِهِ الْحَدِيْثُ الصَّحِيْحِ

“ক্বাদ্ খুলিক্বা কুল্লু শ্বাইয়িন মিন্ নূৰিহি স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা কামা ওৱাৰাদাবিহিল হাদীচিচ্ স্বাসীস।” অৰ্থাৎ- নিশ্চয় সমস্ত বস্তু হুজুৰ পাক স্বাল্লাল্লাহু

pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "যিয়ে বেছি কৈ মোৰ ওপৰত দৰুদ পাঠ কৰিব সি ক্বিয়ামতৰ দিনা মোৰ অতি ওচৰত অৱস্থান কৰিব।" }

আ'লাইহি ৱা ছাল্লামৰ নূৰৰ পৰা সৃষ্টি হৈছে। এই সম্পৰ্কত অনেক স্বসীস (শুদ্ধ) হাদীচ বৰ্ণিত হৈছে।

'তাফ্‌ছীৰে ৰুহুল বয়ান'ৰ 'লাক্বাদ যা-আকুম' আয়াতৰ ব্যাখ্যাত লিখা হৈছে- হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক এদিনাখন হযৰত জিব্ৰাঈল (আঃ)এ আৰজ কৰিলে যে, এটা নক্ষত্ৰ ৭০ হাজাৰ বছৰ পিছে পিছে উদয় হয়। মই ইয়াক ৭২ হাজাৰ বাৰ আলোক উদ্ভাষিত (উদয় হোৱা) দেখিছো। তেতিয়া হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ ফৰ্মালে- "হে জিব্ৰাঈল! আল্লাহৰ ক্বচম মইয়ে আছিলো সেই নক্ষত্ৰ।" মহানবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ নূৰ মুবাৰকক হযৰত আদম (আঃ) পৃষ্ঠ দেহত আমানত হিচাপে ৰাখিছিল। তাফ্‌ছীৰে ৰুহুল বয়ানৰ এই উক্তিৰ দ্বাৰা বুজা যায় যে, নূৰে মুসাম্মদী (স্বাঃ) হযৰত জিব্ৰাঈল (আঃ)ৰ নূৰৰ সৃষ্টিৰ পূৰ্বে সৃষ্টি কৰা হৈছে। যেতিয়া আছমান, জমীন, চন্দ্ৰ, সূৰ্য একোৱেই নাছিল।

ইমাম আসমদ (ৰাসঃ), ইমাম বাইহাক্বী (ৰাসঃ) আৰু হাকিমে বিশুদ্ধ চনদৰ দ্বাৰা হযৰত ইৰবাজ বিন ছাৰিয়া (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে যে হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ কৰিছে, "মই যেতিয়া আল্লাহৰ ওচৰত সৰ্বশেষ নবী হিচাবে আছিলো তেতিয়া আদম (আঃ) স্বীয় খামীৰত নিহিত হৈ আছিল।" (মিশ্বকাত শ্বৰীফ)

তিৰ্‌মিজী শ্বৰীফত ইমাম আসমদ (ৰাসঃ) আৰু হাকিম (ৰাসঃ)ৰ পৰা ইমাম বুখাৰী (ৰাসঃ)এ স্বীয় তাৰিখত, আ'ল্লামা আবু নঈমে 'হুলিয়া'ত হযৰত আবু হুৰাইৰাহ (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে আৰু হাকিমে সেই বৰ্ণনা স্বসীস বুলি কৈছে যে এবাৰ চাহাবা কিৰাম (ৰাঃ)এ প্ৰশ্ন কৰিলে যে, হে আল্লাহৰ ৰছূল(স্বাঃ)! আপোনাৰ নবুঅ'ত কেতিয়াৰ পৰা নিৰ্দ্ধাৰিত হৈছে? তেওঁ (স্বাঃ) ফৰ্মালে- "যেতিয়া আদম (আঃ) ৰূহ আৰু দেহৰ মাজত বিৰাজ কৰিছিল।" (ইব্‌নে চাআ'দ ১/৯৬, জুৰক্বানী ১/১১৬)

আহকাম ইব্‌নে কাহতান ইমাম জয়নুল আবেদীনৰ পৰা, তেওঁ তেওঁৰ পিতা হযৰত আ'লী ইব্‌নে আবি ত্বালিবৰ পৰা বৰ্ণনা কৰিছে, নবী কাৰীম (স্বাঃ)এ কৈছে, "মই হযৰত আদম (আঃ)ৰ সৃষ্টিৰ ১৪ হাজাৰ বছৰ পূৰ্বে আল্লাহৰ ওচৰত এটি 'নূৰ' হিচাপে আছিলো।" (খাছায়িছুল কুব্‌ৰা ১/১১৪, দাৰিমী ১/১৭)

হযৰত আবু উমামা (ৰাঃ)ই বৰ্ণনা কৰিছে হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ কৰিছে— "আমাৰ মা (মাতৃ)ই বৰ্ণনা কৰিছে যে মোৰ পৰা এটি নূৰ নিৰ্গত হয় যাৰ প্ৰভাৱত শ্বাম দেশৰ প্ৰসাদবিলাকো আলোকিত হৈ গ'ল।" (আল্ ওফা, তাব্‌ৰাণী)

হুজুৰ পাক (স্বাঃ)ৰ দেহ মুবাৰক ইন্দ্ৰিয়গ্ৰাহ্যভাৱে নূৰানী আছিল। যি তেওঁ (স্বাঃ)ৰ চাহাবাসকল আৰু স্ত্ৰীসকলে স্বচক্ষে প্ৰত্যক্ষ কৰিছিল। শ্বামাইলে তিৰ্‌মিজীত



pdf By Syed Mostofa Sakib



{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "যিয়ে মোৰ ওপৰত ১০ বাৰ দৰুদ- ছালাম পঢ়িলে সেইজনে যেন ১০ জন গোলামহে আযাদ কৰিলে।" }

হিন্দ ইব্‌নে আবু হালাৰ পৰা এটি দীৰ্ঘ হাদীচ বৰ্ণিত হৈছে। দুৰ্‌ৰোল মুনাজ্জামত হযৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- "হুজুৰ পাক (স্বাঃ)ৰ কপাল মুবাৰকত ঘাম ওলাইছিল আৰু এই ঘাম নূৰত পৰিণত হৈছিল।" আ'ব্দুল্লাহ ইব্‌নে আব্বাছ (ৰাঃ)ৰ পৰা ইমাম দাৰিমীয়ে বৰ্ণনা কৰিছে- "নবীপাক (স্বাঃ)ৰ সন্মুখৰ দাঁত মুবাৰক যেতিয়া ওলাইছিল আলো বাহিৰ হৈছিল।" কোনো কোনো হাদীচত আছে যে এই আলো (পোহৰ)ৰ দ্বাৰা বাতি হেৰোৱা বস্তু বিচাৰি পোৱা হৈছিল।

হযৰত আব্বাছ (ৰাঃ)ই হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ দৰবাৰত আৰজ কৰিলে মোক কিছু না'ত শ্বৰীফ পৰিৱেশন কৰাৰ অনুমতি প্ৰদান কৰক। প্ৰিয়নবী (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মালে- 'পঢ়া।' তেতিয়া তেওঁ (ৰাঃ) এটি না'ত শ্বৰীফ (নবী প্ৰশস্তি কবিতা) পাঠ কৰিলে। না'তটিৰ দুটিমান শাৰী হ'ল— হে নবী (স্বাঃ), আপুনি যেতিয়া ধৰাধামলৈ পদাৰ্পণ কৰিছিল তেতিয়া আপোনাৰ নূৰৰ দ্বাৰা জমীন আলোকিত হৈছে আৰু আকাশ আপোনাৰ নূৰৰ দ্বাৰা উজলি উঠিছে। আমি এই নূৰ আৰু আলোতেই আছো আৰু এই আলোতেই হিদায়ত গ্ৰহণ কৰিছোঁ। উক্ত বৰ্ণনা সমূহ দেওবন্দী জগতৰ হাকীমূল উম্মত মৌঃ আশ্ৰফ আ'লী থানৱী চাহেবে তেওঁৰ পুস্তক 'নশ্বৰুত্তিব'ত দীঘলীয়া ব্যাখ্যাসহ বৰ্ণনা কৰিছে।

'আল্ মাওৱাহিবে লাদুন্নিয়াহ' ১ম খণ্ডৰ পৃষ্ঠা- ৫ ত ইমাম আবু ছায়ীদ নিছাপুৰীয়ে কাঅ'ৰ আহ্‌বাৰ ৰাদ্বিয়াল্লাহু আ'নহুৰ পৰা বৰ্ণনা কৰিছে, সেই নূৰে মুসাম্মদী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম যেতিয়া হযৰত আব্দুল মুত্তালিবে লাভ কৰিলে তেতিয়া তেওঁৰ দেহৰ পৰা মিশ্বকৰ সুগন্ধি বাহিৰ হ'বলৈ ধৰিলে আৰু নূৰে মুসাম্মদী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম তেওঁৰ কপালত চমকি উঠিছিল। হযৰত আব্দুল মুত্তালিবৰ দুআ' গ্ৰহণীয় ব্যক্তিসকলৰ ভিতৰত আছিল। মক্কাবাসীসকলে তেওঁক লগত লৈ বৰষুণৰ বাবে দুআ' কৰিছিল আৰু তৎক্ষণাত বৃষ্টি আহিছিল। এই কাৰণেই আব্‌ৰাহাৰ হাতীবিলাকে আব্দুল মুত্তালিবক ছিজদাহ কৰিছিল।

হযৰত আব্বাছ (ৰাঃ)ৰ না'ত শ্বৰীফ (নবী প্ৰশস্তি কবিতা) হাদীচৰ বৰ্ণনাত উল্লেখ কৰা হৈছে য'ত তেওঁ (ৰাঃ) নবী কাৰীম (স্বাঃ)ক 'নূৰ' বুলি সম্বোধন কৰিছে। সৰ্বোপৰি এইবিলাক তেওঁ হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ দৰবাৰত পাঠ কৰিছে অথচ প্ৰিয়নবী (স্বাঃ)এ কোনোপ্ৰকাৰ বিৰোধিতা কৰা নাই। হযৰত আবু হুৰাইৰাহ (ৰাঃ)এ কৈছে, হুজুৰ পাক (স্বাঃ)ৰ চেহেৰা মুবাৰক সূৰ্যৰ দৰে উজ্জলতা আছিল।

আবু নঈমে হযৰত আ'ব্দুল্লাহ ইব্‌নে আব্বাছ (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে,

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "যাদাই যেতিয়ালৈকে দৰুদ পঢ়ি থাকিব আল্লাহৰ ফৰিশ্তাই তেওঁৰ ওপৰত ৰহমত বৰ্ষণ কৰি থাকিব।" }

বিশ্বনবী (স্বাঃ) ধৰামধামলৈ আগমন হোৱাৰ দিনা ৰাতি হযৰত আমিনা (ৰাঃ)ৰ ঘৰ বেহেস্তৰ হুৰৰ দ্বাৰা পৰিপূৰ্ণ আছিল। হযৰত আছিয়া, হযৰত মৰিয়ম আহিছিল। তেখেত (স্বাঃ) ভূমিষ্ঠ হোৱাৰ দিনা হযৰত আমিনা (ৰাঃ)ই এনে নূৰে মুসাম্মদী দেখিছে যে যাৰ দ্বাৰা পৃথিৱীৰ পূৱ-পশ্চিম প্ৰান্ত আলোকিত হৈ গৈছে। ইয়াৰ পিছত তেখেত (স্বাঃ) ধৰাধামত তছৰীফ লৈ আহে আৰু পদাৰ্পণ হৈয়েই ছিজদাহনত হয়। (আল্ মাওৱাহিবে লাদুন্নিয়াহ, পৃষ্ঠা-২১) হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম 'নূৰ' হোৱা সম্পৰ্কত বহু হাদীচৰ দ্বাৰা প্ৰমাণিত। মুছলিম মিল্লাতৰ সৰ্বকালৰ দৃঢ় বিশ্বাস যে, হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ 'নূৰ'। ইয়াত কাৰো কোনো প্ৰকাৰ দ্বিমত নাই। ইয়াত নমুনা হিচাপে কেইটামানহে উল্লেখ কৰা হ'ল।

**হুজুৰ পাক (স্বাঃ) আল্লাহৰ জাতী নূৰৰ পৰা পয়দা হৈছে ঃ**

হযৰত জাবিৰ (ৰাঃ)ৰ পৰা বৰ্ণিত হাদীচৰ পৰা প্ৰত্যক্ষভাৱে প্ৰমাণ হৈছে যে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ জাতী (নিজস্ব) নূৰৰ পৰা পয়দা হৈছে। কাৰণ 'নূৰ'ৰ সম্পৰ্ক আল্লাহৰ ইল্‌ম, কুদ্‌ৰাত আৰু ৰাস্‌মাত ইত্যাদি চিফাত (গুণ)ৰ লগত নাই। বৰং 'নূৰ'ৰ সম্পৰ্ক আল্লাহৰ ফালে আছে। উ'লামাএ ইছলামে হুজুৰ পাক (স্বাঃ)ক আল্লাহৰ জাতী নূৰ বুলি ঘোষণা কৰিছে। হযৰত আ'ল্লামা জুৰক্কানী আ'লাইহিৰ ৰাস্‌মাহে উল্লেখিত হাদীচৰ ব্যাখ্যাত লিখিছে —

مِنْ نُوْرِهٖ اَىْ مِنْ نُوْرٍ هُوَ ذَاتُهٗ

"মিন নূৰিহি আয় মিন্ নূৰিন হুৱা জাতুহু।" অৰ্থাৎ- আল্লাহ তাআ'লাই হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক তেওঁৰ নিজস্ব নূৰৰ পৰা পয়দা কৰিছে। অৰ্থাৎ- বিনা মাধ্যমে তেওঁৰ জাতী নূৰৰ পৰা পয়দা কৰিছে। (জুৰক্কানী শ্বৰহে মাওৱাহিবে লাদুন্নিয়াহ, খণ্ড-১, পৃষ্ঠা- ৫৫, ছিলাতুছ ছফা ফি নূৰিল মুস্তাফা, পৃষ্ঠা-১২, লেখক-ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ই অনুৰূপ হযৰত শ্বাইখ আব্দুল হক্ব মুহাদ্দিচ দেহ্‌লৱী আ'লাইহিৰ ৰাস্‌মাহে লিখিছে—

و سیّد رسل مخلوق است از ذات حق

"ওৱা ছাইয়্যিদি ৰুছুল মাখলুক্ব আছ্‌ত আজ্ জাতে সক্ব।" অৰ্থাৎ- ৰছুলসকলৰ চৰ্দাৰ (হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম) আল্লাহৰ জাতৰ পৰা পয়দা হৈছে। (মাদাৰিজুন্নুবুওৱাত, খণ্ড- ২, পৃষ্ঠা- ৬০৯)

**হুজুৰ পাক (স্বাঃ) আল্লাহৰ অংশ নহয় ঃ**

ইয়াত মুঠেই সন্দেহ নাই যে, হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম





{ "সেইজন ব্যক্তি মানুহৰ মাজত সকলোতকৈ কৃপণ যাৰ ওচৰত মোৰ নাম উচ্চাৰণ হ'ল অথচ মোৰ ওপৰত দৰুদ নপঢ়িলে।" }

আল্লাহৰ নূৰৰ পৰা পয়দা হৈছে আৰু জাতী নূৰৰ পৰা পয়দা হৈছে। সেই বুলি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ অংশ নহয় অথবা আল্লাহৰ কোনো অংশ হুজুৰৰ মাজত আহিছে সেয়াও নহয়। কাৰণ আল্লাহ তাআ'লা অংশ হোৱাৰ পৰা আৰু কাৰো মাজত প্ৰৱেশ কৰাৰ পৰা পবিত্ৰ। কোনো মুছলমানে যদি এনেধৰণৰ ধাৰণা ৰাখে যে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ অংশ তেনেহ'লে তেওঁ নিঃসন্দেহে মুশ্বৰিক-কাফিৰ হৈ যাব।

**এটি বাস্তৱ উদাহৰণ ঃ**

মানুহে কেতিয়াও আল্লাহৰ জাত বা সত্ত্বা সম্পৰ্কে অৱগত হ'ব নোৱাৰে। তেওঁৰ সত্ত্বা মানৱ চিন্তাৰ বহু উৰ্দ্ধত। তেওঁ কেনেদৰে তেওঁৰ নূৰৰ পৰা প্ৰিয় সাবীৰ (বন্ধু) হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক সৃষ্টি কৰিছে সেয়া একমাত্ৰ তেওঁহে অৱগত আছে। সেয়ে আল্লাহতাআ'লাই আমাক বিপথগামীতাৰ পৰা ৰাচিবৰ বাবে আমাৰ সন্মুখত কিছু বাস্তৱ বস্তু ৰাখিছে। যদি আমি সেই বস্তুবিলাক সম্পৰ্কে সামান্য গৱেষণা কৰোঁ তেনেহ'লে অৱশ্যেই বিপথগামীতাৰ পৰা পৰিত্ৰাণ পোৱা যাব। যেনে- সূৰ্যৰ পৰা আমি সদায়ে অবিৰতভাৱে তাপ আৰু পোহৰ পাই আছো। যদি সহস্ৰ আয়নাক সূৰ্যমুখী কৰি ৰখা হয় তেনেহ'লে সূৰ্যৰ কিৰণ প্ৰতিখন আয়নাতে প্ৰতিফলিত হ'ব। কিন্তু ইয়াৰ ফলত সূৰ্যৰ কিৰণৰ কোনো কম নহ'ব। মানুহে কোটি কোটি আয়নাক সূৰ্যমুখী কৰি সূৰ্যৰ অস্তিত্বক বিলীন কৰাতো দূৰৰ কথা সূৰ্যৰ কিৰণ কণা পৰ্যন্ত কমাব নোৱাৰে। অনুৰূপ এটি মমৰ পৰা শত শত মম জ্বলালে প্ৰথমটিত কোনো প্ৰকাৰ কম নহয়। এটি মমৰ পৰা লক্ষ লক্ষ মম জ্বলালে প্ৰদীপ কমোৱাটো দূৰৰে কথা মমৰ আলোক বিন্দু পৰ্যন্ত কমাব নোৱাৰে। যদি আল্লাহ তাআ'লাৰ সৃষ্টি বস্তুবিলাকৰ এই প্ৰকাৰ অৱস্থা হৈ থাকে তেনেহ'লে মহান আল্লাহৰ অৱস্থা কেনে হ'ব ? এটি মমৰ পৰা লক্ষাধিক মম জ্বলোৱাৰ পিছত প্ৰথমটিৰ মাজত যদি মূলতঃ কম নহয় তেনেহ'লে আল্লাহৰ নূৰৰ পৰা এজন হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম পয়দা হৈছে বুলি আল্লাহৰ নূৰ কম হৈ যাব ? কোনো নিৰ্বোধে দ্বিতীয় মমৰ আলোক প্ৰথম মমৰ আলোৰ অংশ বুলি নাভাবে।

**হুজুৰ পাক (স্বাঃ) খোদা নহয় কিন্তু খোদাৰ পৰা জুদা (পৃথক)ও নহয় ঃ**

মুছলমানসকলৰ ধাৰণা আৰু ঈমান এয়াই যে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম স্বয়ং খোদা নহয় আৰু খোদাৰ পৰা পৃথকো নহয়। যি ব্যক্তিয়ে হুজুৰ পাক (স্বাঃ)ক খোদা বুলি ক'ব সি মুশ্বৰিক ও কাফিৰ হ'ব। অনুৰূপ যি ব্যক্তিয়ে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক খোদাৰ পৰা পৃথক বুলি ক'ব সি বেঈমান হ'ব।



pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তফা (স্বাঃ)- "যি ব্যক্তিয়ে কোনো বিপদত পতিত হয় তেওঁ মোৰ ওপৰত যেন দৰুদ বেছিকৈ পাঠ কৰে, কিয়নো দৰুদে সমস্ত পেৰেছানী দূৰ কৰি দিয়ে।" }

এতিয়া আপুনি যি প্ৰশ্নৰ সন্মুখীন হৈছে সেয়া অৱসানৰ বাবে সূৰ্য আৰু মমৰ উদাহৰণটিয়েই যথেষ্ট। কাৰণ সূৰ্যৰ কিৰণ আৰু মমৰ আলো সূৰ্য ও মম নহয়। অনুৰূপ কিৰণ আৰু আলো সূৰ্য আৰু মমৰ পৰা পৃথক নহয়। অনুৰূপ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম খোদা নহয় আৰু খোদাৰ পৰা জুদা (পৃথক)ও নহয়। যদিও আল্লাহ আৰু তেওঁৰ ৰছুল (স্বাঃ) পাৰ্থিৱ বস্তুৰ উদাহৰণৰ উৰ্দ্ধত।

**ক্বুৰ্আনৰ আলোকত চিন্তা কৰক ঃ**

আল্লাহতাআ'লা হাত, পা আৰু অঙ্গ-প্ৰতঙ্গ তথা আকৃতিৰ পৰা পাক পৱিত্ৰ। তথাপিও কোৱা হৈছে —

يَدُ اللّٰهِ فَوْقَ اَيْدِيْهِمْ

"ইয়াদুল্লাহি ফাওক্বা আইদীহিম।" অৰ্থাৎ- তেওঁলোক (চাহাবাসকল)ৰ হাতৰ ওপৰত আল্লাহৰ হাত। (ছুৰা- ফাতাহ)

কোনোৱে আয়াতৰ অনুবাদ ভুল হৈছে বুলি ক'ব নোৱাৰিব। অনুৰূপ কোনোৱে শ্বিৰ্ক হৈ যাব বুলিও ক'ব নোৱাৰিব। কেৱল আয়াতৰ প্ৰতি আমাৰ ঈমান ৰখা ফৰজ। আল্লাহৰ হাত কেনেকুৱা সেয়া আল্লাহে জানে। এয়া অনুসন্ধান কৰিব যোৱা জৰুৰী নহয়। অনুৰূপ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে কৈছে—

اول ما خلق الله نورى 'আল্লাহ তাআ'লাই সৰ্বপ্ৰথম মোৰ নূৰক সৃষ্টি কৰিছে।' আল্লাহে কেনেদৰে সৃষ্টি কৰিছে সেয়া আল্লাহে জানে। আমাৰ জানিবৰ প্ৰয়োজন নাই। কেৱল হাদীচ শ্বৰীফৰ প্ৰতি ঈমান ৰখা জৰুৰী। কোনো বস্তু আল্লাহৰ প্ৰতি সম্বোধন হ'লেই আল্লাহৰ অংশ হৈ যাব ধাৰণা কৰা ক্বুৰ্আন বিৰুদ্ধ। কাৰণ, আল্লাহ পাকে হযৰত ঈছা (আঃ) সম্পৰ্কে ঘোষণা কৰিছিল —

وَمَرْيَمَ ابْنَتَ عِمْرٰنَ الَّتِيْٓ اَحْصَنَتْ فَرْجَهَا فَنَفَخْنَا فِيْهِ مِنْ رُّوْحِنَا

"ওৱা মাৰ্ইয়ামাৰ নাতা ইমৰানাল্ লাতী আহ্স্বানাত ফাৰ্যাহা ফা নাফাখ্না-ফীহি মিৰ্ ৰূহিনা।" অৰ্থাৎ- ইমৰানৰ কন্যা মাৰইয়াম যিয়ে নিজৰ লজ্জাস্থানক পৱিত্ৰ ৰাখিছে। পিছত তাত আমাৰ ৰূহক ফুৎকাৰ কৰিছোঁ। (ছুৰা তাহ্ৰীম)

উপৰোক্ত আয়াত শ্বৰীফত আল্লাহ তাআ'লাই স্পষ্টভাৱে ঘোষণা কৰিছে যে আমি মাৰইয়ামৰ মাজত আমাৰ ৰূহক ফুৎকাৰ কৰিছোঁ আৰু উক্ত ৰূহৰ পৰা হযৰত ঈছা (আঃ) সৃষ্টি হৈছে। উল্লেখিত আয়াত শ্বৰীফ মৰ্মে ইছলাম জগতত হযৰত



{ ফৰ্মানে মুস্তফা (স্বাঃ)- "যিয়ে মোৰ ওপৰত এবাৰ দৰুদ পাঠ কৰে তেওঁৰ বাবে এক ক্বীৰাত পৰিমাণৰ নেকী লিখা হয়। এক ক্বীৰাত উহুদ পাহাৰৰ সমান।" }

ঈছা (আঃ)ক 'ৰূহুল্লাহ' বোলা হয়। যদি এয়া শ্বিৰ্ক নহয় তেনেহ'লে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক 'নূৰুল্লাহ' বুলিলে কেনেকৈ শ্বিৰ্ক হ'ব?

**আপুনি দেওবন্দী নেকি?**

যদি আপুনি দেওবন্দী বুলি দাবী কৰি থাকে তেনেহ'লে আপোনালোকৰ বুজুৰ্গ মুফ্তী এনায়েত আসমদ চাহেবৰ উক্তিৰ পৰা উপদেশ গ্ৰহণ কৰক। তেওঁ লিখিছে —

ہزاروں ہزار حمد جناب رب العزت کو جسنے سب سے پہلے اپنے حبیب محمد مصطفےٰ
صلی اللہ علیہ وآلہ وسلم کا نور پیدا کیا اور اس نور سے سارے عالم کو ہویدا کیا

"হাজাৰোঁ হাজাৰ সাম্দ জনাব ৰাব্বুল ইঝ্ঝাত কো জিছ্নে চব্চে পহ্লে আপনে সাবীব মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম কা নূৰ পয়দা কিয়া আউৰ উছ নূৰ ছে ছাৰে আ'লাম কো হোৱাইদা কিয়া।" অৰ্থাৎ- আল্লাহতাআ'লাৰ হাজাৰ হাজাৰ প্ৰশংসা, যিয়ে সৰ্বপ্ৰথম তেওঁৰ সাবীব হযৰত মুসাম্মাদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ নূৰক সৃষ্টি কৰিছে আৰু উক্ত নূৰৰ পৰা সমস্ত জগতক প্ৰকাশ কৰিছে। (তাওৱাৰিখে সাবীবে ইলাহ, পৃষ্ঠা- ২) অনুৰূপ তেওঁ আৰু লিখিছে —

حدیث میں آیا ہے اَوَّلُ مَا خَلَقَ اللّٰہُ نُوْرِیْ یعنی اللہ جل جلالہ نے
سب سے پہلے میرے نور کو پیدا کیا کتب اخبار میں وارد ہے کہ اللہ تعالیٰ
نے سب سے پہلے آپ کے نور کو پیدا کیا اور سارے عالم کو اس سے جلوۂ
ظہور میں لایا آسمان، زمین، ستارے، چاند، سورج اور سب انبیا و اولیا اسی
نور کے پرتو ہیں اور حقیقت محمد صلی اللہ علیہ وسلم سب کا منشا ہے

"হাদীচ মে আয়া হ্যায় আউওৱালু মা খালাকাল্লাহু নূৰী, ইয়ানী আল্লাহ জাল্লা জালালাহু নে চব্চে পহ্লে মেৰে নূৰ কো পয়দা কিয়া কুতুবে আখবাৰ মে ওৱাৰিদ হ্যায় কেহ্ আল্লাহ তাআ'লা নে চব্চে পহ্লে আপকে নূৰ কো পয়দা কিয়া আউৰ ছাৰে আ'লাম কো উছ্ছে জালওৱায়ে জহুৰ মে লায়া আছমান, জমীন, চিতাৰে, চাঁদ, সূৰায, আউৰ ছব আম্বিয়া ওৱা আউলীয়া উছি নূৰকে পাৰ তাও হ্যায় আউৰ

pdf By Syed Mostafa Sakib

সাক্বীকাতে মুসাম্মাদ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম ছব্‌কা মানশ্বা হ্যায়।" অৰ্থাৎ- হাদীচ শ্বৰীফত আহিছে যে 'আল্লাহ তাআ'লাই সৰ্বপ্ৰথম মোৰ নূৰক সৃষ্টি কৰিছে'। ইতিহাসৰ কিতাপবিলাকত বৰ্ণিত হৈছে যে, আল্লাহতাআ'লাই সৰ্বপ্ৰথম আপোনাৰ নূৰক সৃষ্টি কৰিছে আৰু সমস্ত জগতক এই নূৰৰ পৰা প্ৰকাশ কৰিছে। আছমান, জমীন, তাৰকা, চন্দ্ৰ, সূৰ্য আৰু সমস্ত আম্বিয়া আৰু আউলীয়া উক্ত নূৰৰেই কিৰণ, সাক্বীক্বাতে মুসাম্মাদী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম হ'ল সমস্ত সৃষ্টিৰ উৎস। (তাওৱাৰিখে সাবীবে ইলাহ, পৃষ্ঠা- ৩)

মুফ্‌তী এনায়েত আসমদ চাহেবৰ উক্তিৰ পৰা দিব্যালোকৰ নিচিনা প্ৰমাণ হ'ল যে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম 'নূৰ' আছিল আৰু তেওঁৰ নূৰৰ পৰা সমস্ত জগত সৃষ্টি হৈছে। হুজুৰ পাক (স্বাঃ)ক 'নূৰ' বোলা আৰু তেওঁ (স্বাঃ)ৰ নূৰৰ পৰা সমস্ত জগত সৃষ্টি হৈছে ধাৰণা কৰা যদি শ্বিৰ্ক হয় তেনেহ'লে মুফ্‌তী এনায়েত চাহেবক মুশ্বৰিক আৰু কাফিৰ কওঁক? অন্যথাই আপুনি তৌবাহ কৰক।

**এটি যুক্তিহীন প্ৰশ্ন ঃ**

যদি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ নূৰৰ পৰা সমস্ত জাহান, বিশেষ কৰি জাহান্নাম পয়দা হয় তেনেহ'লে ইয়াত হুজুৰ পাক (স্বাঃ)ৰ নূৰৰ অপবিত্ৰতা আৰু অসন্মান নহ'বনে? এই প্ৰকাৰ নিষ্প্ৰাণ প্ৰশ্নৰ উত্তৰত সূৰ্যৰ উদাহৰণটিয়ে যথেষ্ট হ'ব। সূৰ্যৰ কিৰণ সমস্ত বস্তুৰ ওপৰত বিৰাজ কৰি থাকে। অপবিত্ৰ বস্তুৰ ওপৰত সূৰ্যৰ কিৰণ পৰাৰ কাৰণে সূৰ্য অপবিত্ৰ নহয়। বৰং অপবিত্ৰ বস্তু পবিত্ৰ হোৱাৰ বাবে নিজ সামৰ্থ অনুযায়ী সূৰ্যৰ সাহায্য গ্ৰহণ কৰি থাকে। অনুৰূপ হুজুৰ পাক (স্বাঃ)ৰ নূৰৰ পৰা সমস্ত জাহান, বিশেষ কৰি জাহান্নাম পয়দা হৈছে বুলি তেওঁৰ নূৰৰ অপবিত্ৰতা আৰু অসন্মান নহয় আৰু হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সমস্ত জাহানৰ ওপৰত প্ৰত্যেক বস্তুৰ সামৰ্থ অনুযায়ী ফয়েজ প্ৰদান কৰি থাকে।

**হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছাঁ নাছিল ঃ**

عَنْ ذَكْوَانَ اَنَّ رَسُوْلَ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ
لَمْ يَكُنْ يُرٰى لَهٗ ظِلٌّ فِىْ شَمْسٍ وَّلَا فِىْ قَمَرٍ

"আন্ জাকওৱানা আন্না ৰাছুলাল্লাহি স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা লাম ইয়াকুন ইউৰা লাহু জিল্লুন ফী শ্বাম্ছিন ওৱালা ফী ক্বামাৰিন। অৰ্থাৎ- হযৰত জাকওৱান (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছাঁ সূৰ্য আৰু চন্দ্ৰৰ পোহৰত দেখা নগৈছিল। (খাছায়িছুল কুব্‌ৰা, খণ্ড- ১, পৃষ্ঠা- ৬৮)







قَالَ عُثْمَانُ رَضِىَ اللهُ عَنْهُ اِنَّ اللهَ مَا اَوْقَعَ ظِلَّكَ عَلَى
الْاَرْضِ لِئَلَّا يَضَعَ اِنْسَانٌ قَدَمَهٗ عَلٰى ذٰلِكَ الظِّلِّ

"ক্বালা উচমানু ৰাদ্বীয়াল্লাহু আ'নহু ইন্নাল্লাহা মা-আওক্বাআ' জিল্লাকা আ'লাল আৰদ্বি লিআল্লা ইয়াদ্বাআ' ইন্‌ছা-নুন ক্বাদামাহু আ'লা জালিকাজ্ জিল্লি।" অৰ্থাৎ- হযৰত উচমান গণী ৰাদ্বীয়াল্লাহু আ'নহুই কৈছে— (ইয়া ৰাছুলাল্লাহ) নিশ্চয় আল্লাহ পাকে আপোনাৰ ছায়া মাটিত পৰিবলৈ দিয়া নাই। যাতে উক্ত ছাঁৰ ওপৰত কোনো মানুহে ভৰি ৰাখিব নোৱাৰে। (তাফ্‌ছীৰে মাদাৰিক, খণ্ড- ২, পৃষ্ঠা- ১০৩)

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছায়া নথকাই তেওঁৰ অন্যতম মুঅ'জিজা (অলৌকিক ঘটনা)। উ'লামাএ ইছলামে নিজ নিজ কিতাপত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছাঁ নাছিল বুলি অভিমত প্ৰকাশ কৰিছে। যেনে- হযৰত ইমাম জালালুদ্দীন ছিওতী (ৰাসঃ)এ খাছায়িছুল কুব্‌ৰা, ১ম খণ্ডৰ ৬৮ পৃষ্ঠাত, হযৰত আ'ল্লামা ক্বাজী ইয়াজ (ৰাসঃ)ৰ শ্বিফা শ্বৰীফ, ১ম খণ্ড, ৩৪২ পৃষ্ঠাত, হযৰত আ'ল্লামা শ্বিহাবুদ্দিন খাফ্‌ফাজী (ৰাসঃ)ৰ নাচিমুৰ ৰিয়াজ, ৩য় খণ্ড, ৩১৯ পৃষ্ঠাত হযৰত আ'ল্লামা কাছ্তালানী (ৰাসঃ)ৰ আল্ মাওৱাহিবুল্লাদুনীয়াহ, ১ম খণ্ডৰ ১৮০ পৃষ্ঠাত, হযৰত আ'ল্লামা ইব্‌নে জাওজী (ৰাসঃ)ৰ কিতাবুল ওফা, ২য় খণ্ড, ৪০৭ পৃষ্ঠাত, হযৰত আ'ল্লামা হুছাইন ইব্‌নে মুসাম্মাদৰ কিতাবুল খামীছৰ ১ম খণ্ড, ২৪৮ পৃষ্ঠাত, হযৰত আ'ল্লামা ইব্‌নে হাজাৰ মাক্কী (ৰাসঃ)ৰ আফজ্বালুল কুৰ্‌আনৰ ৭২ পৃষ্ঠাত, হযৰত আ'ল্লামা তাক্বীউদ্দীন ছুবকীৰ ছীৰাতে হালাবীয়াৰ ২য় খণ্ডৰ ৯৪ পৃষ্ঠাত, হযৰত আ'ল্লামা মোল্লা আ'লী ক্বাৰী (ৰাসঃ)ৰ জামাউ'ল ওছায়েলৰ ১ম খণ্ডৰ ৪৭ পৃষ্ঠাত, হযৰত আ'ল্লামা শ্বাইখ আব্দুল হক্ব মুহাদ্দিচ দেহ্‌লৱী (ৰাসঃ)ৰ মাদাৰিজুন্নুবুওৱাতৰ ১ম খণ্ডৰ ৪৩ পৃষ্ঠাত আৰু হযৰত ইমামে ৰাব্বানী মুজাদ্দিদে আল্‌ফে ছানী আ'লাইহিৰ ৰাস্‌মাহৰ মাক্‌তুবাতৰ ৩য় খণ্ডৰ ১৪৭ পৃষ্ঠাত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছায়া নাছিল বুলি উল্লেখ কৰিছে। এই বিষয়ে বিস্তাৰিতভাৱে জানিবলৈ হ'লে আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ ক্বাদ্‌ৰী আ'লাইহিৰ ৰাস্‌মাহৰ 'নূৰুল মুস্তাফা', 'নাফীন্নাফী' আৰু 'ক্বমৰুত্ তামাম' চাব পাৰে।

**উ'লামাএ দেওবন্দৰ অভিমত ঃ**

আল্লাহ তাআ'লাই কুৰ্‌আন পাকত হুজুৰ পুৰনূৰ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক 'নূৰ' বুলি ঘোষণা কৰিছে। অনুৰূপ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে নিজকে 'নূৰ' বুলি ঘোষণা কৰিছে। উ'লামাএ ইছলামে সৰ্বসন্মতিক্ৰমে হুজুৰ

pdf By Syed Mostofa Sakib

{ফৰ্মানে মুস্তাফা (স্বাঃ)- "নামাজৰ দ্বাৰা শয়তানৰ মুখ ক'লা হয়।"}

পাক (স্বাঃ)ক 'নূৰ' বুলি কৈছে। উল্লেখ্য যে 'নূৰ' চন্দ্ৰ আৰু সূৰ্যৰ আলোতকৈ কোটি কোটি গুণ সূক্ষ্ম। সেইহেতু চন্দ্ৰ আৰু সূৰ্যৰ পোহৰত হুজুৰ পাক (স্বাঃ)ৰ ছাঁৰ সৃষ্টি হোৱা নাছিল। ই বাস্তৱ সত্য আৰু যুক্তিসঙ্গত আৰু ছায়া নথকাই হুজুৰ পাক (স্বাঃ)ৰ এটি বিশেষ মুঅ'জিজা। কিন্তু সাম্প্ৰতিক সময়ৰ উ'লামাএ দেওবন্দে এই বাস্তৱ সত্যক উপেক্ষা কৰি কিছু তুলুঙা যুক্তিৰ সহায়ত হুজুৰ পাক (স্বাঃ)ৰ এই বিশেষ মুঅ'জিজাক অস্বীকাৰ কৰি থাকে। যেনে- মুফ্তী গোলাম মঈনুদ্দীন চাহেবে মাদাৰিজুন্নুবুওৱাত মুতাৰ্জামৰ ১ম খণ্ডৰ ৪৩ পৃষ্ঠাত হুজুৰ পাক (স্বাঃ)ৰ ছাঁ নথকাৰ হাদীচটি অনুবাদ কৰি লিখিছে— "এই হাদীচটি জঈফ (দুৰ্বল) আৰু সঠিক এয়াই যে হুজুৰ পাক (স্বাঃ)ৰ ছাঁ আছিল।" দেওবন্দৰ মুফ্তী শ্বফী চাহেবে 'মামলুল ক্বুল ফি জিল্লিৰ ৰছূল' নামৰ কিতাপত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে হুজুৰ পাক (স্বাঃ)ৰ ছাঁ নথকাৰ কথা অস্বীকাৰ কৰিছে। উ'লামা দেওবন্দ আৰু তব্লীগ জামাআ'তৰ লোকে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক 'নূৰ' বুলি মানিবলৈ ৰাজি নহয়। এই কথা এ, নাদৱী চাহেবে তেওঁৰ 'জীৱন জ্যোতি' আৰু মৌঃ ফজলুল কৰীম ক্বাছিমীয়ে তেওঁৰ 'চুন্নত-বেদাত আৰু চুন্নী-বেদাতীৰ মূল্যায়ন' পুস্তিকাত স্পষ্টভাৱে কৈছে। এওঁলোকৰ ধাৰণাত যিহেতু হুজুৰ পাক (স্বাঃ) ৰক্ত মাংস বিশিষ্ট বশৰ আছিল। দেওবন্দীসকলৰ গুৰু মৌঃ ইছমাঈল দেহ্লৱীয়ে তেওঁৰ কিতাপ 'তাক্বিয়াতুল ঈমান' (تقویۃ الایمان) ৰ ৫০ পৃষ্ঠাত লিখিছে— " হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক ডাঙৰ ভাইৰ দৰে সন্মান কৰিব লাগে কাৰণ তেখেতো এজন মানুহ।" সেইবাবে তেওঁলোকৰ মতে হুজুৰ পাক (স্বাঃ) 'নূৰ' হোৱা আৰু ছাঁ নথকা অবাস্তৱ।

**মুঅ'জিজা (অলৌকিক ঘটনা) কাক বোলা হয়?**

মুঅ'জিজা ইয়াকে বোলা হয় যি আক্বল বা জ্ঞান-বুদ্ধিৰ দ্বাৰা বুজা সম্ভৱ নহয়। আক্বল বা জ্ঞান-বুদ্ধিৰ দ্বাৰা যি বুজা যায় সি মুঅ'জিজা নহয়। যেনে- এটি সৰু গিলাচত এক মোন গাখীৰ থকা সম্ভৱ নহয়। অনুৰূপ এটি সৰু গিলাচৰ দুধ এক মোন ওজন হোৱা সম্ভৱ নহয়। এইপ্ৰকাৰ অসম্ভৱ কাম সম্ভৱ হোৱাৰ নামেই হ'ল মুঅ'জিজা। আম্বিয়া (আঃ)ৰ মুঅ'জিজা বিলাক যদিও আমাৰ সীমিত জ্ঞানৰ বহিৰ্ভূত। তথাপিও আমি এই মুঅ'জিজা বিলাকৰ প্ৰতি ঈমান আনিবলৈ বাধ্য। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ দেহ মুবাৰকৰ ছাঁ নথকা এটি অন্যতম মুঅ'জিজা (অলৌকিক ঘটনা)। আমাৰ সীমিত জ্ঞানৰ দ্বাৰা এয়া বুজিব নোৱাৰিলেও ইয়াৰ প্ৰতি ঈমান ৰখা জৰুৰী।

pdf By Syed Mostafa Sakib





{ফৰ্মানে মুস্তাফা (স্বাঃ)- "দ্বীনী ইল্ম (শিক্ষা) আহৰণ কৰা প্ৰত্যেক মুছলমান নৰ-নাৰীৰ ওপৰত ফৰজ।"}

**দুই দেওবন্দী গুৰি ধৰোতাৰ উক্তি ঃ**

সাম্প্ৰতিক সময়ৰ উ'লামাএ দেওবন্দে হুজুৰ পাক (স্বাঃ) 'নূৰ' হোৱা আৰু ছায়া নথকা অস্বীকাৰ কৰিলেও এওঁলোকৰ দুই হোতা মৌঃ ৰচিদ আসমদ গংগুহী আৰু মৌঃ আশ্ৰফ আ'লী থানৱী চাহেবানে হুজুৰ পাক (স্বাঃ)ক 'নূৰ' আৰু ছাঁ নথকা বুলি স্বীকাৰ কৰিছে। মৌঃ ৰচিদ আসমদ গংগুহী চাহেবে কৈছে—

حق تعالٰی آنجنا سلامہ علیہ را نور فرمود و بتواتر ثابت شد کہ آنحضرت
علی سایہ نداشتند وظاہر است کہ بجز نور ہمہ اجسام ظل می دارند

"সক্ব তাআ'লা আঁ জনাব স্বাল্লাল্লাহু আ'লাইহি ৱা নূৰ ফৰমুদ ওৱা বুতুতুৰ চাবিত শোদ কেহ্ আঁ হাযৰাতে আ'লী ছায়া নাদাছ তান্দ ওৱা জাহিৰ আস্ত কেহ বাজুজ নূৰ হামা আযছাম জিল মী দাৰান্দ।" অৰ্থাৎ- আল্লাহ তাআ'লাই হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক 'নূৰ' বুলি কৈছে আৰু এই কথা ধাৰাবাহিকভাৱে প্ৰমাণ হৈছে যে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছাঁ নাছিল আৰু উল্লেখ্য যে 'নূৰ'ৰ বাহিৰে সমস্ত দেহৰ ছাঁ হৈ থাকে। (ইম্দাদুচ চুলুক, পৃষ্ঠা- ৮৫, ৮৬) অনুৰূপ দেওবন্দীজগতৰ হাকিমূল উম্মত মৌঃ আশ্ৰফ আ'লী থানৱী চাহেবে কৈছে —

یہ بات بہت مشہور ہے کہ ہمارے حضور صلی اللہ علیہ وسلم کے سایہ
نہیں تھا (اس لئے کہ) ہمارے حضور صلی اللہ علیہ وسلم سرتا پا نور
ہی نور تھے حضور صلی اللہ علیہ وسلم میں ظلمت نام کو بھی نہ تھی اس لے
آپ کے سایہ نہ تھا کیونکہ سایہ کے لئے ظلمت لازی ہے

"ইয়ে বাত বহুত মাশ্বহুৰ হ্যায় হামাৰে হুজুৰ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম কে ছায়া নেহী থা। (ইছলিয়ে কেহ) হামাৰে হুজুৰ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম ছাৰ্তা পা নূৰ হী নূৰ থে হুজুৰ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম মে জুল্মাত নাম কো ভী না থী ইছ্লিয়ে আপকে ছায়া না থা কিঁউকেহ ছায়া কে লিয়ে জুল্মাত লাজিমী হ্যায়।" অৰ্থাৎ- এই কথা মশ্বহুৰ হৈছে যে আমাৰ হুজুৰ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছাঁ নাছিল, কাৰণ আমাৰ হুজুৰ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ মস্তক মুবাৰকৰ পৰা পা মুবাৰক পৰ্যন্ত নূৰেই নূৰ আছিল। হুজুৰ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ মাজত অন্ধকাৰৰ নামেই নাছিল। এই কাৰণে তেওঁ (স্বাঃ)ৰ ছাঁ নাছিল। কাৰণ ছাঁৰ বাবে অন্ধকাৰ জৰুৰী। (শ্বুক্ৰূন নিঅ'মত বি জিক্ৰিৰ ৰাস্মাত, পৃষ্ঠা- ৩৯) মৌঃ

ইছমাঈল দেহ্লৱীয়ে 'মনছবে ইমামত'ত লিখিছে— "সেই ব্যক্তি অন্ধ হ'ব যি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম নূৰ সম্পৰ্কে অজ্ঞ।"

**অন্যান্য ধৰ্মগ্ৰন্থতো হুজুৰ পাক (স্বাঃ)ক নূৰ বোলা হৈছে ঃ**

কল্কি পুৰাণত আছে— "অহমেবা সমেবাগ্ৰে নান্যত কাৰ্য মিদং মমঃ" (কল্কিপুৰাণ- ১, অধ্যায়- ৪, শ্লোক-২) অৰ্থাৎ- "সমুদায় জীৱ, সমস্ত পদাৰ্থ মোৰ পৰাই সৃষ্টি হৈছে।" নূৰে মুসাম্মদী (স্বাঃ) হ'ল আল্লাহতাআ'লাৰ সৰ্বপ্ৰথম সৃষ্টি।

পবিত্ৰ বাইবেলৰ, ST. John- 1 to 4 অনুশীলনত আছে— "In the begining was the ord, the word was with God and word was God, the same was in the begining with God, all things was made by him and without him, not anything was made that was made, in him was life and the life was the light of God and the Light shivath in Darkness and the darkness comprehanded it not." অৰ্থ ঃ আদিতে আছিল (আল্লাহ) শব্দ আৰু (আল্লাহ) শব্দ আছিল আল্লাহৰ লগত আৰু শব্দই আছিল আল্লাহ, (জাল্লা জালালাহু) আৰম্ভণিৰ পৰা তেৰেঁই আছিল আল্লাহৰ লগত। সকলো বস্তু তেওঁৰ দ্বাৰাই সৃষ্টি হৈছে যিবোৰ সৃষ্টি কৰা হৈছে। তেওঁ আছিল জীৱন আৰু জীৱনেই আছিল আল্লাহৰ নূৰ (জ্যোতি)। নূৰেই আন্ধাৰত পোহৰ বিলায় আৰু আন্ধাৰেই ইয়াক উপলব্ধি কৰা নাছিল।

পবিত্ৰ বাইবেলৰ আন এঠাইত উল্লেখ আছে যে বিশ্বনবী হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ আগমনৰ সময়ত সমগ্ৰ জগত নূৰে মুসাম্মদী (স্বাঃ)ৰ জ্যোতিৰ দ্বাৰা আলোকিত কৰি দিয়া হৈছিল যাতে পৃথিৱীবাসীয়ে তেওঁ (স্বাঃ)ৰ মহানতা আৰু মহত্ব বুজি পায়। এই সম্পৰ্কে বাইবেলত কোৱা হৈছে—

"His (P.B.U.H) lighthning Entightined the world, the Earth saw and termbled." (Psalms, 97-4) অৰ্থঃ তেওঁ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ বৈদ্যুতিক জ্যোতিৰ দ্বাৰাই পৃথিৱীখন আলোকিত কৰিছিল আৰু সেয়া পৃথিৱীবাসীয়ে প্ৰত্যক্ষ কৰিছিল আৰু তেওঁ (স্বাঃ)ৰ মহত্ব হেতু কঁপি উঠিছিল।

উপৰোক্ত বাইবেলৰ বাণীৰ পৰা স্পষ্ট হ'ল যে যেতিয়া কোনো মখলুক সৃষ্টি হোৱা নাছিল তেতিয়া একমাত্ৰ আল্লাহৰ নূৰ আছিল, নূৰে ইলাহীৰ পৰা সৰ্বপ্ৰথম নূৰে মুসাম্মদী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ সৃষ্টি হ'ল আৰু নূৰে মুসাম্মদী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পৰা সমুদায় মখলুকাতৰ সৃষ্টি হ'ল। ছুব্‌হানাল্লাহ!

হযৰত আ'ব্দুল্লাহ ইব্‌নে আব্বাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- যেতিয়া আল্লাহ

pdf By Syed Mostafa Sakib




তাআ'লাই নিজৰ সাবীব (স্বাঃ)ক সৃষ্টি কৰিবলৈ ইচ্ছা কৰিলে তেতিয়া ফৰ্মাইছিল- "ফাকাৰাজা কাৰজাতিনি মিন নূৰিহী চুম্মা ক্বালা কুনী সাবীবি।" অৰ্থাৎ- নিজৰ নূৰৰ পৰা এমুঠি নূৰ লৈ ফৰ্মালে যে তুমি মোৰ সাবীব (বন্ধু) হৈ যোৱা।" কিয়নো "আন্তা ঈশ্বকী ওৱা আনা ঈশ্ব কুকা।" অৰ্থাৎ- তুমি মোৰ প্ৰেমী আৰু মই তোমাৰ প্ৰেমী, তুমি মোক ভালপোৱা মই তোমাক ভালপাওঁ। (আল্ মাওৱাহিবুল লাদুন্নিয়াহ) নূৰে মুসাম্মদী (স্বাঃ)ক সৃষ্টি কৰি সাবীবৰ নামটো আৰশ্বৰ ওপৰত লিপিবদ্ধ কৰিলে যাতে আছমানৰ ফৰিশ্তা, যান্নাতৰ দাৰোৱান জ্ঞাত হয় যে এখেতেই সেইজন বিশ্বনবী যিজন আদিও হয় আৰু অন্তও হয়, জাহিৰ (প্ৰকাশ্য)ও হয় আৰু বাতিন (গোপন) হয়। ইয়াক কোৱা হৈছে "কাতাবা ইছ্‌মুহু আ'লাল আৰ্শ্বে।" (নুজ্‌হাতুল মাজালিছ ২/৯৬-৯৭)

"ফা হাক্বীকাতুহু মৌজাদাতুম্ মিন্ জালিকাল ওৱাক্তে।" অৰ্থাৎ- সেই সময়ত হুজুৰ পাক (স্বাঃ)ৰ সম্পূৰ্ণ অস্তিত্ব মৌজুদ আছিল। তাফ্‌ছীৰে ৰুহুল বয়ানত উল্লেখ আছে, হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে— "কুন্তু নাবীয়াও ওৱা আদামা বাইনাল মা ঈ ওৱাত্ ত্বীন।" অৰ্থাৎ- মই সেই সময়তো নবী আছিলো যেতিয়া হযৰত আদম (আঃ) পানী আৰু মাটিত মিহলি হৈ আছিল। তাৰ পিছত "ইন্নাল্লাহা খালাক্বা নূৰান নাবীয়্যিনা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামা আমাৰাহু আই ইয়ানজুৰা ইলা আন্‌ৱাৰিল আম্বিয়াই ফা গাশ্বীয়াহুম মিন্‌হু।" অৰ্থাৎ- নিশ্চয় আল্লাহ পাকে নূৰে মুসাম্মদী (স্বাঃ)ক সৃষ্টি কৰি আদেশ ফৰ্মালে যে সমস্ত আম্বিয়াসকলৰ ৰূহৰ ফালে চোৱা। নূৰে মুসাম্মদী (স্বাঃ)ৰ নূৰ দেখি সকলোৰে ৰূহবোৰ অচেতন হৈ পৰিল আৰু আৰজ কৰিলে— "ক্বালু ৰাব্বানা মান গাশ্বিইয়েনা নূৰাহো।" অৰ্থাৎ- হে আমাৰ প্ৰতিপালক, কাৰ জ্যোতিয়ে আমাৰ ৰূহবোৰৰ এই অৱস্থা কৰিলে? উত্তৰ আহিল— "হাজা নূৰুঁ মুসাম্মাদিন ইব্‌নে আ'ব্দুল্লাহ।" অৰ্থাৎ- এই নূৰ ইব্‌নে আ'ব্দুল্লাহৰ নূৰ হয়। হুকুম হ'ল— "ইন্ আমান্তুম বিহী জাআলনাকুম আম্বিয়াই।" অৰ্থাৎ- যদি তোমালোকে এখেতৰ ওপৰত ঈমান (বিশ্বাস) আনা তেতিয়াহে তোমালোকক নবী বনাম। সকলোৱে আৰজ কৰিলে— "আমান্না বিহী ওৱা বিনবৌৱাতিহী।" অৰ্থাৎ- আমি তেওঁৰ নবুঅ'তৰ ওপৰত ঈমান আনিছোঁ। ইয়াৰ পিছত সকলো আম্বিয়া (আঃ) সকলক প্ৰতিশ্ৰুতবদ্ধ কৰি তেখেতসকলৰ পৰা সাক্ষীও লোৱা হ'ল আৰু সেই সকলো সাক্ষ্য নামাৰ ওপৰত স্বয়ং আল্লাহ তাআ'লায়ো সাক্ষীদান কৰি ফৰ্মালে— "আনা মাআকুম মিনাশ্বাহিদীন।" অৰ্থাৎ- ময়ো তোমালোকৰ লগত সাক্ষী হৈ ৰ'লো। এই কাৰণেই বিশ্বনবী হুজুৰ পাক (স্বাঃ)ক Promised Prophet (প্ৰতিশ্ৰুত ৰছুল) বুলি কোৱা হয়। জুৰক্বানীৰ পৃঃ ১১১/১১২ ত উল্লেখ আছে — "চুম্মা আচকানা নূৰা

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "আল্লাহ পাকে ছিজদাহত ব্যৱহৃত হোৱা অঙ্গক দোজখৰ বাবে হাৰাম কৰি দিছে।" }

মুসাম্মাদিন ফী জাহ্ৰি আদামা ফাচাৱাত্বাল মালাইকাতু খালফাহু ছাফোফান ইয়ান্‌জুৰুনা ইলা জালিকান নূৰ।" অৰ্থাৎ- ইয়াৰ পিছত নূৰে মুসাম্মদী (স্বাঃ)ক হযৰত আদম (আঃ)ৰ কান্ধ মুবাৰকত ৰখা হ'ল তেতিয়া ফৰিশ্বতাসকলে শাৰীপাতি মুসাম্মদ (স্বাঃ)ৰ জিয়াৰত কৰিবলৈ ধৰিলে। তাকে দেখি হযৰত আদম (আঃ) এ আৰজ কৰিলে— হে প্ৰতিপালক, ফৰিশ্বতাসকলে এনেকৈ শাৰীপাতি কাক চাই আছে? উত্তৰ আহিল— নূৰে মুসাম্মদী (স্বাঃ) ৰ জিয়াৰত কৰি আছে। হযৰত আদম (আঃ)এ আকৌ আৰজ কৰিলে— হে পাক পৰৱাৰদিগাৰ, নূৰে মুসাম্মদী (স্বাঃ)ক মোৰ কপালত ৰাখি দিয়া, তেতিয়া তেওঁৰ কপালত ৰাখি দিয়া হ'ল। এইবাৰ ফৰিশ্বতাসকলে হযৰত আদম (আঃ)ৰ সন্মুখৰ ফালে আহি জিয়াৰত কৰিব ধৰিলে। হযৰত আদম (আঃ)এ আকৌ আৰজ কৰিলে, হে দয়াময় খোদা নূৰে মুসাম্মদী (স্বাঃ)ক মোৰ এনে কোনো স্থানত ৰাখি দিয়া যাতে ময়ো জিয়াৰত কৰিব পাৰো। হযৰত আদম (আঃ)ৰ আৰজ ক্বুবুল কৰি আল্লাহ পাকে নূৰে মুসাম্মদী (স্বাঃ)ক হযৰত আদম (আঃ)ৰ বুঢ়া আঙুলিৰ ওপৰত ৰাখি দিলে। হযৰত আদম (আঃ)এ নূৰে মুসাম্মদী (স্বাঃ)ক নিজৰ আঙুলিৰ ওপৰত দেখি মুসাব্বত আৰু ভক্তিৰে চুমা খাই নিজৰ চকুত লগাই দিলে আৰু ক'লে— "ক্বুৰ্ৰাতু আ'ঈনী বিকা মুসাম্মাদ ইয়া ৰাছুলাল্লাহ।" অৰ্থাৎ- ইয়া ৰাছুলাল্লাহ! আপুনি মোৰ দুচকুৰ নয়নমণিৰ শীতলতা (শান্তিদায়ক)।

**হুজুৰ পাক (স্বাঃ) বশ্বৰ আছিল নে?**

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বাহ্যিক আকৃতিত অৱশ্যেই বশ্বৰ আছিল। বশ্বৰ হ'লেই যে নূৰ হ'ব নোৱাৰে আৰু ছাঁ থাকিবই লাগিব এনে নহয়। ইয়াত মুঠেই সন্দেহ নাই যে হযৰত জিব্ৰাঈল (আঃ) বশ্বৰ নহয়। বৰং তেওঁ (আঃ) নূৰৰ সৃষ্টি এজন ফৰিশ্বতা। অথচ তেওঁ (আঃ) হযৰত মাৰইয়ামৰ ওচৰত মানৱ আকৃতি ধাৰণ কৰি উপস্থিত হৈছিল। (ছুৰা মাৰইয়াম) অনুৰূপ তেওঁ মানৱ আকৃতি ধাৰণ কৰি চাহাবা কিৰাম (ৰাঃ) সকলৰ সন্মুখত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ দৰবাৰত উপস্থিত হৈছিল। মিশ্বকাত শ্বৰীফৰ ১ পৃষ্ঠাত আৰু মুছনাদে ইমাম আ'যম মোতাৰ্জামৰ ৪৭ পৃষ্ঠাত বৰ্ণিত আছে যে হযৰত জিব্ৰাঈল (আঃ) মানৱ আকৃতিত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ দৰবাৰত আহি অনেকবিলাক প্ৰশ্ন ৰাখিছিল। হযৰত জিব্ৰাঈল (আঃ) মানৱ আকৃতি ধাৰণ কৰাৰ কাৰণে কোনোৱে তেওঁ (আঃ)ৰ নূৰী অস্তিত্বক অস্বীকাৰ কৰিব নোৱাৰিব আৰু তেওঁৰ ছায়া আছিল বুলি ক'ব নোৱাৰিব। অনুৰূপ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বশ্বৰী ছুৰাত মানৱ আকৃতিত আছিল বুলি কোনোৱে তেওঁ (স্বাঃ)ৰ নূৰী অস্তিত্বক অস্বীকাৰ কৰিব





{ "তোমালোকৰ বাবে ৰছুল (স্বাঃ)ৰ পদাঙ্ক অনুসৰণৰ মাজতে আছে উত্তম নমুনা।" (ছুৰা আহযাব) }

নোৱাৰিব আৰু তেওঁ (স্বাঃ)ৰ ছাঁ আছিল বুলি ক'ব নোৱাৰিব। এই স্থলত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম হযৰত জিব্ৰাঈল (আঃ)ৰ উদাহৰণৰ বহু উৰ্ধত।

**আল্লাহে হুজুৰ পাক (স্বাঃ)ক তিনি প্ৰকাৰ আকৃতি দান কৰিছেঃ**

আল্লাহ তাআ'লাই হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক তিনি প্ৰকাৰ আকৃতি দান কৰিছে। (ক) বাশ্বাৰী, (খ) মালাকী, (গ) সাক্বী। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ বাশ্বাৰী আকৃতিৰ প্ৰতি ইঙ্গিত কৰি আল্লাহ তাআ'লাই আদেশ কৰিছে —

قُلْ اِنَّمَا اَنَا بَشَرٌ مِّثْلُكُمْ

"ক্বুল ইন্নামা আনা বাশ্বাৰুম মিচ্‌লুকুম।" অৰ্থঃ মাস্‌বুব! তুমি কৈ দিয়া মই তোমালোকৰ দৰে বশ্বৰ।

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ মালাকী আকৃতিৰ প্ৰতি ইঙ্গিত কৰি ঘোষণা কৰিছে —

لَسْتُ كَاَحَدِ اَبِيْتُ عِنْدَ رَبِّىْ

"মই তোমালোকৰ কাৰো দৰে নহওঁ। মই আল্লাহৰ ওচৰত ৰাতি যাপন কৰি থাকোঁ।" অনুৰূপ তেওঁ (স্বাঃ)ৰ মালাকী ছুৰাতৰ প্ৰতি ইঙ্গিত কৰি এইদৰে ঘোষণা কৰিছে —

لِىْ مَعَ اللهِ وَقْتٌ لَا يَسَعُنِىْ فِيْهِ
مَلَكٌ مُقَرَّبٌ وَلَا نَبِىٌّ مُرْسَلٌ

"আল্লাহৰ সৈতে মোৰ এটি নিৰ্দিষ্ট সময় আছে। উক্ত সময়ৰ ভিতৰত আল্লাহ তাআ'লাৰ কোনো নিকটস্থ ফৰিশ্বতা আৰু কোনো ৰছুল অংশগ্ৰহণ কৰিব নোৱাৰে।" হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে নিজৰ সাক্বী ছুৰাতক ব্যাখ্যা কৰি কৈছে

مَنْ رَآنِىْ فَقَدْ رَاَى الْحَقَّ

"মান ৰাআনী ফাক্বাদ ৰাআল সাক্কু।" অৰ্থঃ যিয়ে মোক (সপোনত) দেখিছে সি সত্যকৈ দেখিছে। (তাফ্‌ছীৰে ৰুহুল বায়ান, খণ্ড- ৫, পৃষ্ঠা- ৩১২)

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বাহ্যিক আকৃতিত বশ্বৰ আছিল। কিন্তু বশ্বৰীয়াত তেওঁ (স্বাঃ)ৰ প্ৰকৃত হক্বীকত নহয়। তেওঁ (স্বাঃ)ৰ হক্বীকত সম্পৰ্কে

pdf By Syed Mostafa Sakib

একমাত্ৰ আল্লাহতাআ'লা ব্যতিত কোনোৱে অৱগত নহয়। যি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে স্বয়ং হযৰত আবুবক্কৰ স্বিদ্দীক (ৰাঃ)ক সম্বোধন কৰি কৈছে

يَـا اَبَـا بَـكْـرٍ لَـمْ يَعْرِفْنِي حَقِيْقَةً غَيْرُ رَبِّيْ

"ইয়া আবা বাক্ৰিন লাম ইয়া' ৰিফ্নী হাক্বীক্বাতান গ্বায়্ৰু ৰাব্বী।" অৰ্থাৎ- হে আবুবক্কৰ! মোৰ প্ৰতিপালকৰ বাহিৰে কোনোৱে মোৰ হাক্বীক্বত (সম্পূৰ্ণকৈ) নাজানে। (তাজাল্লিল ইয়াক্বীন, পৃষ্ঠা- ৯৭) যিহেতু বাশ্বাৰীয়াত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ হাক্বীক্বত নহয়, সেইহেতু সাধাৰণ বশ্বৰৰ ওপৰত অনুমান কৰি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছাঁ আছিল বুলি প্ৰমাণ কৰিব যোৱা মুঠেই যুক্তিসংগত নহ'ব।

**ৰূহে মুসাম্মদী (স্বাঃ)ৰ অসাধাৰণ ক্ষমতা ঃ**

ৰূহ বা আত্মা জগতক কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু ইয়াৰ অস্তিত্ব অতি সূক্ষ্ম হোৱাৰ কাৰণে দেখা নাযায়। সেইহেতু চন্দ্ৰ, সূৰ্যৰ পোহৰত ইয়াৰ ছাঁ দেখিবলৈ পোৱা নাযায়। এই সূক্ষ্ম ৰূহৰ সাময়িক বাসস্থান হ'ল মানুহৰ জড় দেহ। মানৱ দেহত ৰূহ প্ৰৱেশ কৰাৰ পূৰ্বে আৰু দেহৰ পৰা ৰূহ বাহিৰ হোৱাৰ পিছত দেহ সম্পূৰ্ণ নিস্তেজ হৈ যায়। এক কথাত ৰূহ সূক্ষ্ম হৈয়ো এনে শক্তিশালী যে দেহত প্ৰৱেশ কৰি দেহৰ সমস্ত অঙ্গ প্ৰত্যঙ্গক পৰিচালনা কৰিবলৈ সমৰ্থ হয়। কিন্তু দেহক সূক্ষ্ম কৰি পেলাব নোৱাৰে। যাৰ কাৰণে দেহৰ ছাঁ দেখিবলৈ পোৱা যায়। এয়া হ'ল সাধাৰণ ৰূহৰ অৱস্থা।

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৰূহ মুবাৰক এনে সূক্ষ্মৰ পৰা সূক্ষ্ম আৰু অসাধাৰণ শক্তিশালী যে হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ দেহত প্ৰৱেশ কৰি দেহক সূক্ষ্ম কৰি পেলাবলৈ সমৰ্থ হৈছিল। যাৰ কাৰণে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ দেহ মুবাৰকৰ ছাঁ নাছিল। এতিয়া প্ৰশ্ন হ'ব পাৰে যে ৰূহৰ নিচিনা হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ দেহ অদৃশ্য নহৈ দেখা যায় কিয়? ইয়াৰ উত্তৰত কোৱা হ'ব যি অদৃশ্য থাকে, তাৰ ছাঁৰ প্ৰশ্ন নাহে। যি দেখিবলৈ পোৱা নাযায় তাৰ ছাঁ নথকা কোনো বিশেষত্ব নাই। কিন্তু যি দেখিবলৈ পোৱা যায় তাৰ ছাঁ নথকাই তাৰ বিশেষত্ব। অনুৰূপ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ দেহ মুবাৰক অদৃশ্য হৈ ছায়াবিহীন হ'লে ইয়াত কোনো বিশেষত্ব নাথাকিলহেঁতেন। এয়াই হ'ল সকলোতকৈ ডাঙৰ আশ্চৰ্য আৰু হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ দেহৰ বিশেষত্ব যে পবিত্ৰ দেহ মুবাৰক দেখা গৈছিল কিন্তু ইয়াৰ ছাঁ





দেখা যোৱা নাছিল। ছুব্সানাল্লাহ!

আল্লাহ পাকে কুৰ্আন মযীদত ঘোষণা কৰিছে- **"প্ৰিয় পয়গাম্বৰ, নিশ্চয় তোমাক 'শ্বাহিদ' (হাজিৰ-নাজিৰ) কৰি প্ৰেৰণ কৰিছোঁ।"** শ্বাহিদ শব্দৰ অৰ্থ সাক্ষী আৰু সাক্ষীৰ বাবে উপস্থিত থকা জৰুৰী আৰু যিজন উপস্থিত থাকিব তেওঁ অৱশ্যেই দেখিব। আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ বেৰেলৱী (ৰাসঃ)এ এই আয়াত পাকৰ অনুবাদ 'কানজুল ঈমান শ্বৰীফ'ত কৰিছে— "নিশ্চয় মই তোমাক হাজিৰ-নাজিৰ হিচাপে প্ৰেৰণ কৰিছোঁ।" হযৰত শ্বাইখ আব্দুল হক্ব মুহাদ্দিচ দেহ্লৱী (ৰাসঃ)এ 'আক্ৰাবুছ ছুবুল'ত লিখিছে- **"হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম উম্মতৰ আ'মলৰ ওপৰত হাজিৰ-নাজিৰ।"** মোল্লা আ'লী ক্বাৰী (ৰাসঃ)এ শ্বৰহে শ্বিফাত লিখিছে- **"হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ ৰূহ মুবাৰক মুছলমানৰ প্ৰতিঘৰতে বিদ্যমান আছে।"** মোল্লা আ'লী ক্বাৰী (ৰাসঃ)এ মিৰক্বাতত লিখিছে— **"তোমালোকে যেতিয়া মছজিদত প্ৰৱেশ কৰিবা তেতিয়া হুজুৰ পাক (স্বাঃ)ক সশ্ৰদ্ধ ছালাম দিবা কাৰণ প্ৰত্যেক মছজিদতে হুজুৰ পাক (স্বাঃ) হাজিৰ থাকে।"** এই সম্পৰ্কে পবিত্ৰ কুৰ্আন শ্বৰীফৰ আন এটি আয়াত হ'ল—

**النبی اولی بالمئومنین من انفسهم**

অৰ্থাৎ- "নবী মু'মিন সকলৰ আত্মাতকৈও নিকটৱৰ্তী।" (ছুৰা- আহ্যাব, পাৰা- ২১) দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক মৌলৱী ক্বাছিম নানথৱী চাহেবে তেখেতৰ ৰচিত 'তাহ্জিৰুন নাছ' নামৰ গ্ৰন্থখনৰ পৃষ্ঠা ১০ত উপৰোক্ত কুৰ্আন পাকৰ আয়াতৰ অৰ্থ কৰিছে- "প্ৰিয়নবী (স্বাঃ) মু'মিনৰ আত্মা (নফ্চ)ত কৈয়ো বেছি ওচৰীয়া।" মাদাৰিজুন্নুবুওৱাত, খণ্ড-২, পৃষ্ঠা- ৪৫০, অধ্যায়- ৪ত উল্লেখিত আছে —

اگر بعدازاں گویند کہ حق تعالی جسد شریف را حالتے وقدرتے بخشیدہ است

کہ در ہر مکانے کہ خواہد تشریف بخشد

অৰ্থাৎ — আল্লাহ পাকে প্ৰিয়নবী (স্বাঃ)ক এনে শক্তি দান কৰিছে যাৰ দ্বাৰা তেওঁ (স্বাঃ) য'তে ইচ্ছা ত'তে বিচৰণ কৰিব পাৰে। হযৰত শ্বাহ আব্দুল হক্ব মুহাদ্দিচ দেহ্লৱী (ৰাসঃ)এ কৈছে- "নবী (স্বাঃ)ৰ জীৱন আৰু ওফাত শ্বৰীফ সমানেই তাৎপৰ্যপূৰ্ণ। কিয়নো তেওঁ (স্বাঃ) জীৱিত অৱস্থাত যি কৰাৰ ক্ষমতা আছিল তেনেকৈ পৰ্দা হোৱাৰ পিছতো সেয়া কৰিব পাৰে।" (জজ্বুল কুলুব, পৃঃ ২২১) গতিকে বুজা যায় যে আল্লাহে নিজ অনুগ্ৰহেৰে তেওঁৰ প্ৰিয় মাস্বুব (স্বাঃ)ক পৃথিৱীৰ সৰ্বত্ৰ ঘূৰি ফুৰাৰ ক্ষমতা দি বিশেষত্ব (Speciality) প্ৰদান কৰিছে।

pdf By Syed Mostafa Sakib

**ব্যতিক্ৰম ঃ**

যিসকলে নূৰী ৰছুল (স্বাঃ)ক 'নূৰ' বুলি স্বীকাৰ নকৰে তেওঁলোকে আকৌ নিজৰ মৌঃ সকলৰ প্ৰতি কেনেকুৱা ধাৰণা ৰাখে সেয়া শুনিলে আপুনি আশ্চৰ্য হ'ব। 'আৰ্ৱাহে চালাচা'ৰ ২৪০ পৃঃত আছে মৌঃ ৰফীউদ্দিন ক্বাছিমীয়ে কৈছে— "মই ২৫ বছৰ মৌঃ ক্বাছিম নানথৱীৰ ওচৰত উপস্থিত আছিলো, কেতিয়াও বিনা অজুৰে যোৱা নাই, তেওঁ এজন মানৱৰ ৰূপত ফৰিশ্তা আছিল।" অনুৰূপ 'শ্বাইখুল ইছলাম নম্বৰ' কিতাপৰ ১২ পৃঃত আছে- অযোধ্যাবাসীসকলে মৌঃ হুছাইন আসমদ মাদানী সম্পৰ্কত কৈছে- "আমি এয়াই দেখিছো যে তেওঁ নূৰী জগতত আছে, তেওঁৰ চকুত 'নূৰ' তেওঁৰ সোঁফালে 'নূৰ' বাওঁফালে 'নূৰ', তেওঁৰ চাৰিওফালে 'নূৰ' আৰু তেওঁ স্বয়ং 'নূৰ' হৈ গৈছে।" ইয়াৰ উপৰিও দেওবন্দী উ'লামাসকলে মৌঃ হুছাইন আসমদ মাদানীক খোদা বুলি কৈছে। (শ্বাইখুল ইছলাম নম্বৰ, পৃষ্ঠা ৫৯)

আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ অনুগামী সন্মানিত ৰাইজ, দেখিলে এওঁলোকৰ অৱস্থা। যিসকলে প্ৰিয় নবী (স্বাঃ)ক 'নূৰ' বুলি মানিবলৈ কষ্ট পাই থাকে কিন্তু নিজৰ মৌলৱী-মৌলানাক আকৌ 'নূৰ' বুলি কয়। ই কেনে কথা ??

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক আল্লাহৰ জাতী নূৰ বুলিলে যদি বৃটিছৰ দালালী কৰা হয় তেনেহ'লে হযৰত আ'ল্লামা জুৰক্বানী (ৰাসঃ) আৰু হযৰত শ্বাইখ আব্দুল হক্ব মুহাদ্দিচ দেহ্‌লৱী (ৰাসঃ) বৃটিছৰ দালাল নহ'বনে? এওঁলোকেতো ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ৰ বহু পূৰ্বে হুজুৰ পাক (স্বাঃ)ক আল্লাহৰ জাতী নূৰ বুলি কৈছে। আ'ল্লামা জুৰক্বানী (ৰাসঃ)এ 'মাওৱাহিবে লাদুন্নিয়াহ'ৰ শ্বৰাহ, ১ম খণ্ড, ৫৫ পৃঃত আৰু শ্বাইখ আব্দুল হক্ব মুহাদ্দিচ দেহ্‌লৱী (ৰাসঃ)এ 'মাদাৰিজুন্নুবুওৱাত'ৰ ২য় খণ্ড, ৬০৯ পৃঃত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক আল্লাহৰ জাতী নূৰ বুলি কৈছে। (ছিলাতুছ ছফা ফী নূৰীল মুস্তাফা, ১২ পৃঃ) এ, নাদৱীয়ে ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ক মিছা অপবাদ দিয়াৰ লগতে আ'ল্লামা জুৰক্বানী (ৰাসঃ), শ্বাইখ আব্দুল হক্ব মুহাদ্দিচ দেহ্‌লৱী (ৰাসঃ)কে আৰম্ভ কৰি নিজৰ ঘৰৰ দুই হোতা থানৱী, গংগুহীকো বাদ দিয়া নাই। গতিকে বিৰোধীসকলে কোৱাৰ দৰে 'বেৰেলৱীসকলে হুজুৰ পাক (স্বাঃ) 'বশ্বৰ' কথাটো শুনিলেই উচপ খাই উঠে' সম্পৰ্কত কওঁ যে হুজুৰ পাক (স্বাঃ) বাহ্যিক দৃষ্টিত অৱশ্যেই বশ্বৰ আছিল, বশ্বৰ হ'লেই যে নূৰ হ'ব নোৱাৰে আৰু ছাঁ থাকিবই লাগিব এনে নহয়। আল্‌সামদুলিল্লাহ! আমি যেতিয়া এই কথা আগতেই কৈছো আৰু সমগ্ৰ অসমত ছুন্নী জামাআ'তৰ কলম





আমাৰ পৰাই চলে। সেই হেতুকে আমি যেতিয়া কৈছো আমাৰ ৰছুল (স্বাঃ) অৱশ্যেই বশ্বৰ আছিল, তেতিয়াহ'লে কোন বেৰেলৱীয়ে ৰছুল (স্বাঃ)ক বশ্বৰ বুলি ক'লে জাঁপ মাৰি উঠিব? এইবাৰ সেই মহান মুজাদ্দিদ ইমাম আসমদ ৰেজাখাঁ ক্বাদ্‌ৰী(ৰাসঃ)এ কি কৈছে চাওঁ আহক। যাক আপোনালোকে ইংৰাজৰ দালাল ইত্যাদি বুলি কৈছে। তেওঁ কৈছে— **"যি ব্যক্তি হুজুৰ পাক (স্বাঃ)ৰ বশ্বৰীয়াতক মূলতঃ অস্বীকাৰ কৰিব সি কাফিৰ।"** (ফাত্‌ৱা-ই-ৰিজ্‌ৱীয়্যাহ) এ, নাদৱী চাহেব, ইমাম আসমদ ৰেজা খাঁন (ৰাসঃ)ৰ ঈমানদাৰী দেখিলেনে? এইবাৰ কওঁক জগতৰ কোন ৰিজৱীয়ে হুজুৰ পাক (স্বাঃ)ৰ বশ্বৰীয়াতক অস্বীকাৰ কৰি থাকে? ইমাম আসমদ ৰেজা খাঁন (ৰাসঃ)ৰ এই উক্তি আপোনাৰ জনা নাছিল নেকি? 'হুজুৰ পাক (স্বাঃ) বশ্বৰ' এই কথা শ্ৰৱণ কৰি আমি নিচিঞৰো। বৰং আমি আপোনালোকৰ কোৱাৰ ঢৰং দেখিহে হাঁহি উঠে। ইব্‌লিছেতো হযৰত আদম (আঃ)ৰ মাজত নূৰে মুসাম্মদী (স্বাঃ) দেখিবলৈ পোৱা নাছিল, বৰং সি দেখিছিল মাটিৰ তৈয়াৰী আদম। এইবাবে তাৰ ভিতৰত অৱজ্ঞা আহিছিল যাৰ কাৰণে সি কাফিৰ হৈছে। আজি লক্ষ্য কৰিছোঁ যে কিছুমানে শ্বয়তানৰ অনুসৰণ কৰি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক সাধাৰণ মানুহপ্ৰমাণ কৰিবৰ বাবে ব্যস্ত হৈ পৰিছে। লা হাওলা ৱলা কুওৱাতা ইল্লা বিল্লাহ!

এ, নাদৱী চাহেব, আপুনি কেৱল আহ্‌লে ছুন্নত ৱাল জামাআ'ত আৰু ইমাম আসমদ ৰেজাখাঁ বেৰেলৱী (ৰাসঃ)ক আক্ৰমণ কৰিবৰ চোঁচা লৈছে। কিন্তু নবী পাক (স্বাঃ)ক 'বশ্বৰ', 'ইনছান' কোন সময়ত, কোন স্থানত এই শব্দবিলাক ক'ব লাগে সেয়া আপোনাৰ জনা নাই। যাৰ কাৰণে আপোনাৰ লগতে পঢ়ুৱৈ সকলকো গোমৰাহীৰ ভাগিদাৰ কৰিব। জানিবৰ, বুজিবৰ চেষ্টা কৰক। যদি কোনোৱে প্ৰশ্ন কৰে নবী পাক (স্বাঃ) জ্বিন, নে ফৰিশ্তা আছিল? ইয়াৰ উত্তৰত কোৱা হ'ব তেখেত (স্বাঃ) জ্বিনো নাছিল ফৰিশ্তাও নাছিল বৰং তেওঁ (স্বাঃ) 'আফ্‌জ্বালুল বাশ্বাৰ' আৰু 'ইনছানে কামীল' আছিল। ইয়াৰ লগতে তেওঁ (স্বাঃ) সকলো সময়তে 'নূৰ' আৰু 'নূৰ'।

**হুজুৰ পাক (স্বাঃ) 'নূৰ' সম্পৰ্কে কেইটামান যুক্তিঃ**

১। কোনো মানুহেই অক্সিজেন ($O_2$) নোহোৱাকৈ জীৱিত থাকিব নোৱাৰে। কিন্তু মিঅ'ৰাজৰ ৰাতি দয়াৰ নবী (স্বাঃ) যি যি স্থানত উপস্থিত হৈছিল সেই স্থানত অক্সিজেন লেখমাত্ৰও নাছিল তথাপি তেখেত (স্বাঃ)ৰ কোনো অসুবিধা হোৱা নাছিল। ই স্পষ্টভাৱে প্ৰমাণ কৰে তেওঁ (স্বাঃ) আল্লাহৰ 'নূৰ' আছিল।

২। যদি মানুহৰ বুকুত সামান্য ভাবেও আঘাতপ্ৰাপ্ত হয় তেনেহ'লে মানুহৰ

pdf By Syed Mostafa Sakib

মৃত্যু নিশ্চিত। কিন্তু ফৰিশ্তাসকলে হুজুৰ পাক (স্বাঃ)ৰ বুকুৰ পৰা কলব মুবাৰক বাহিৰ কৰি আনি নূৰৰ দ্বাৰা পৰিপূৰ্ণ কৰিছিল। তথাপি তেখেত (স্বাঃ)ৰ কোনো ক্ষতি হোৱা নাছিল। ইয়াৰ পৰা বুজা যায় তেওঁ (স্বাঃ) আল্লাহৰ 'নূৰ'।

৩। ৰছূল পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে একেধাৰে ইফ্‌তাৰ নকৰাকৈয়ে বহুদিন ধৰি ৰোজা (ছওমে বিছাল) ৰাখিছিল। ভোক পিয়াহে তেওঁ (স্বাঃ)ক কিন্তু কোনোধৰণৰ কষ্ট দিয়া নাছিল। কিন্তু কেইজনমান চাহাবা (ৰাঃ)এ হুজুৰ পাক (স্বাঃ)ৰ অজ্ঞাতে এই ধৰণৰ ৰোজা ৰখাত দুৰ্বল হৈ পৰিছিল। যদি হুজুৰ পাক (স্বাঃ) সাধাৰণ মানুহৰ দৰে হ'লহেঁতেন নিশ্চয়কৈ ভোক পিয়াহত তেওঁ (স্বাঃ) দুৰ্বল হৈ পৰিলহেঁতেন। ইও প্ৰমাণ কৰে তেওঁ (স্বাঃ) আল্লাহৰ নূৰ।

৪। প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে মিঅ'ৰাজৰ ৰাতি হাজাৰ বছৰৰ আলোক বৰ্ষ এপলকতে অতিক্ৰম কৰিছিল। সাধাৰণ মানুহ তথা বৰ্তমান কোনো আকাশী যানেও এই কম সময়ৰ ভিতৰত ইমান পথ অতিক্ৰম কৰিব নোৱাৰে। ইয়ে প্ৰমাণ কৰে তেওঁ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ 'নূৰ।'

৫। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ দুআ' নিশ্চিতভাৱে গ্ৰহণযোগ্য। আল্লাহ পাকে পাক কালামত এইদৰে কয়— "মই আপোনাক ইমান দান কৰিম যে আপুনি সন্তুষ্ট হৈ যাব।" হুজুৰ পাক (স্বাঃ)এ দুআ' কৰিছিল— "হে আল্লাহ, আপুনি মোক নূৰ কৰি দিয়ক।" এইবাৰ কওঁক নবী (স্বাঃ)ৰ উক্ত দুআ' কবুল হ'বনে নহয়? যদি হয় তেন্তে তেওঁ (স্বাঃ) নিঃসন্দেহে আল্লাহৰ 'নূৰ।'

৬। মানুহৰ দেহ মাটিৰ দ্বাৰা সৃষ্ট। সেইবাবে মানুহৰ ছাঁ আছে। কিন্তু হুজুৰ পাক (স্বাঃ) দেহ মুবাৰকৰ ছাঁ নাছিল কাৰণ তেওঁ (স্বাঃ) নূৰৰ দ্বাৰা সৃষ্ট।

৭। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ দেহ মুবাৰকৰ পৰা সদায় সুগন্ধি নিঃসৃত হৈ চাৰিওফালে সিঁচৰিত হৈ পৰিছিল। হযৰত আনাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে "ৰছূলুল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ দেহ মুবাৰকৰ পৰা সুগন্ধিতকৈ অধিক সুগন্ধময় কোনো বস্তুৰে শুঘ্ৰাণ মই পোৱা নাই।" (বুখাৰী শ্বৰীফ ৬/৫৬৬) হযৰত আনাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- "মই এনে কোনো মিস্ক ও আম্বৰ শুঙা নাই যি হুজুৰ পাক (স্বাঃ)ৰ দেহ মুবাৰকৰ সুগন্ধিতকৈ অধিক সুগন্ধি।" (মুছলিম শ্বৰীফ, ২য় খণ্ড, ২৫৭ পৃঃ) হযৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)এ বৰ্ণনা কৰিছে- "ৰছূলুল্লাহ (স্বাঃ)ৰ স্বেদবিন্দু আছিল উজ্জ্বল মোতিৰ দৰে আৰু ই মৃগনাভীতকৈও বেছি সুগন্ধিত আছিল।" (দালায়িলুল নবুঅ'ত) হযৰত আ'লী (ৰাঃ)এ বৰ্ণনা কৰিছে- "ৰছূলুল্লাহ (স্বাঃ)ৰ পবিত্ৰ মুখমণ্ডলৰ ঘাম মোতিৰ দৰে আৰু তাৰ সুগন্ধি মৃগনাভীতকৈও মধুৰ





আছিল।" (তাবাকাত ইব্‌নে ছাআ'দ, ১ম খণ্ড, ১০ পৃঃ) হযৰত ইমাম বুখাৰী (ৰাসঃ)এ হযৰত জাবিৰ (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে, "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে যেতিয়া কোনো ৰাস্তাৰে গৈছিল তেতিয়া, তেওঁ (স্বাঃ)ৰ অনুসৰণকাৰীসকলে তেওঁ (স্বাঃ)ৰ সুঘ্ৰাণৰ দ্বাৰাই তেখেত (স্বাঃ)ৰ সন্ধান পাইছিল। আনকি তেখেত (স্বাঃ)ৰ প্ৰস্ৰাৱ-পায়খানাৰ পৰাও সদায় এনে সুগন্ধি ওলাইছিল। এনে সুঘ্ৰাণৰ প্ৰতি আসক্ত হৈ মাটিয়ে তেওঁ (স্বাঃ)ৰ প্ৰস্ৰাৱ-পায়খানা খাই পেলাইছিল। সেইবাবে তেওঁ (স্বাঃ)ৰ প্ৰস্ৰাৱ-পায়খানাৰ কোনো চিনচাবেই পোৱা নগৈছিল। কিন্তু তাত সুঘ্ৰাণ পোৱা গৈছিল। ইয়ে প্ৰমাণ কৰে হুজুৰ পাক (স্বাঃ) 'আল্লাহৰ নূৰ'।

৮। বিবেকেও কয় হুজুৰ পাক (স্বাঃ) আল্লাহৰ নূৰ, তেওঁ (স্বাঃ)ৰ শৰীৰ মুবাৰকৰ প্ৰতিটো অংগই নূৰ। সৰ্বোপৰি তেওঁ (স্বাঃ) আল্লাহৰ নূৰ।

**হুজুৰ পাক (স্বাঃ) নূৰ সম্পৰ্কত উত্থাপিত আপত্তিসমূহৰ সমিধান ঃ**

১। যদি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম নূৰ। তেনেহ'লে তেওঁ (স্বাঃ) আল্লাহৰ অংশীদাৰ হৈ গৈছে। এই বিশ্বাস খ্ৰীষ্টানীতিৰ অন্তৰ্ভুক্ত। কাৰণ খ্ৰীষ্টানসকলে হযৰত ঈছা (আঃ)ক আল্লাহৰ পুত্ৰ বুলি কয়?

উঃ প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বিনা মাধ্যমে আল্লাহ প্ৰদত্ত নূৰ আৰু অন্য সৃষ্টিয়ে নবী পাক (স্বাঃ)ৰ মাধ্যমেৰে আল্লাহৰ নূৰ লাভ কৰিছে। সূৰ্যৰ সন্মুখত যদি আয়না ৰখা হয় সূৰ্যৰ পোহৰ আয়নাখনত প্ৰতিবিম্বিত হ'ব আৰু সেই আয়নাখন যদি অধিক আয়নাৰ ফালে ঘূৰাই দিয়া হয় তেনেহ'লে প্ৰতিখন আয়নাই সূৰ্যৰ পোহৰ প্ৰতিফলিত কৰিব। এতিয়া এই সূৰ্যৰ পোহৰ প্ৰতিফলনকাৰী আয়নাখনক কেতিয়াও সূৰ্যৰ অংশ বুলি কোনেও নক'ব। তেনেদৰে প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ কেতিয়াও অংশ বা অংশীদাৰ বুলি কোৱা নাযাব। আমিও নকওঁ। কুৰ্‌আন পাকত হযৰত স্বালেহ (আঃ)ৰ উটক 'আল্লাহৰ উট', হযৰত ঈছা (আঃ)ক 'আল্লাহৰ ৰূহ' বুলি কোৱা হৈছে। যিহেতু তেওঁ (আঃ) পিতা-মাতাৰ মাধ্যম নোহোৱাকৈ সৃষ্ট। অনুৰূপ প্ৰিয়নবী (স্বাঃ) 'নূৰুল্লাহ'। ইয়াত সন্দেহ নাই।

২। হাদীচ শ্বৰীফত আছে ৰছূলুল্লাহ (স্বাঃ)এ দুআ' কৰিছিল— "হে আল্লাহ, মোৰ চকুত নূৰ দিয়া" এই দুআ' কৰি শেষত তেওঁ (স্বাঃ) কৈছে— "হে আল্লাহ, মোক নূৰানী কৰি দিয়া।" ইয়াৰ দ্বাৰা বুজা গ'ল তেওঁ (স্বাঃ) পূৰ্বতে নূৰ নাছিল।

উঃ উত্থাপিত আপত্তিৰ যুক্তিসংগত উত্তৰ হ'ল তেওঁ (স্বাঃ) সদায় দুআ' কৰিছিল— "হে আল্লাহ, মোক সঠিক পথ দান কৰা।" অৰ্থাৎ তেওঁ (স্বাঃ) সকলো সময়তে আল্লাহৰ হিদায়ত বিচাৰিছিল। তাৰ অৰ্থ এই নেকি যে তেওঁ (স্বাঃ) পথভ্ৰষ্ট

pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "মদ পান নকৰিবা, কাৰণ ই সকলো অন্যায়ৰ মূল।" }

আছিল? তেওঁ (স্বাঃ) হিদায়তৰ পথত থকা সত্ত্বেও কিয় হিদায়ত বিচাৰিছিল? আল্লাহ পাকে পাক কালামত কৈছে— "এই ক্বুৰ্আন আল্লাহক বিশ্বাস কৰা সকলৰ বাবে সৎ পথ প্ৰদৰ্শক।" অন্য আয়াতত কৈছে— "হে ঈমানদাৰসকল, তোমালোকে ঈমান আনা।" ইয়াত ঈমানদাৰ সকলক পুনৰ আকৌ ঈমান অনাৰ কথা কিয় কোৱা হৈছে, ক্বুৰ্আন আকৌ ঈমানদাৰসকলৰ বাবে পথ প্ৰদৰ্শক বুলি কিয় কোৱা হৈছে? ইয়াৰ বিশ্লেষণাত্মক উত্তৰ হ'ল হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ উক্তি- "হে আল্লাহ, মোৰ চকু, কাণ ইত্যাদিত নূৰ কৰি দিয়া।" উম্মতক শিক্ষা দানৰ উদ্দেশ্যে কৈছে আৰু তেখেত (স্বাঃ)ৰ নূৰানীয়ত্বৰ স্থায়ীত্ব কামনা কৰিছে।

৩। নবী (স্বাঃ) যদি নূৰ হয় তেনেহ'লে তেওঁ (স্বাঃ) কিয় খাদ্য গ্ৰহণ কৰিছিল? তেওঁ (স্বাঃ)ৰ বংশৰ সকলো কিয় নূৰ নহ'ল যিদৰে ঘোঁৰাৰ পেটত ঘোঁৰা, বাঘৰ পেটত বাঘ জন্ম হয় সেইদৰে ৰছুল (স্বাঃ)ৰ বংশধৰসকল কিয় নূৰ নহ'ল?

উঃ ক্বুৰ্আন পাকৰ কোনো আয়াত বা কোনো হাদীচত এই কথা উল্লেখ নাই যে নূৰৰ সন্তান নহ'ব। যদি তেনেকুৱা কোনো আয়াত বা হাদীচ শ্বৰীফ আছে উল্লেখ কৰক? ফৰিশ্বতাসকলৰ সন্তান-সন্ততি এইবাবে নাই যিহেতু তেওঁলোক ফৰিশ্বতা। আমি ৰছূলুল্লাহ (স্বাঃ)ক নূৰ হিচাপেহে মানো কোনো ফৰিশ্বতা হিচাপে নহয়। এই আপত্তিটো তেতিয়া প্ৰযোজ্য হ'লহেঁতেন যদি আমি আহ্লে ছুন্নত ৱাল জামাআ'তে প্ৰিয়নবী (স্বাঃ)ক বশ্বৰ হিচাপে অস্বীকাৰ কৰিলোহেঁতেন। আমি হুজুৰ পাক (স্বাঃ)ক 'বশ্বৰ' আৰু 'নূৰ' উভয় হিচাপে মানো। হযৰত ঈছা (আঃ)এ হাজাৰ হাজাৰ বছৰ ধৰি আছমানত অৱস্থান কৰি আছে। তাত তেওঁ (আঃ) আহাৰ গ্ৰহণ, শোৱা, সন্তান জন্মদান ইত্যাদিৰ পৰা সম্পূৰ্ণ পবিত্ৰ অৱস্থাত আছে কিয়নো তাত নূৰানীয়াতৰ প্ৰাধান্য আছে আৰু যেতিয়া তেওঁ (আঃ) পৃথিৱীত পুনৰ আগমন কৰিব তেতিয়া তেওঁ (আঃ) আকৌ আহাৰ, বিবাহ আদি জৈৱিক কাৰ্যবিলাক সম্পাদন কৰিব। কিয়নো সেই সময়ত তেওঁ (আঃ) বশ্বৰীয়াতৰ প্ৰাধান্যত থাকিব। বিশ্বনবী (স্বাঃ)এ মিঅ'ৰাজৰ ৰাতি হাজাৰ হাজাৰ আলোকবৰ্ষৰ বাট নূৰানী অৱস্থাতহে অতিক্ৰম কৰিছিল। হাৰুত-মাৰুত উভয় ফৰিশ্বতা, তেওঁলোক নূৰ কিন্তু যেতিয়া তেওঁলোক পৃথিৱীত মানুহৰ ভেশত পৃথিৱীলৈ পঠোৱা হৈছিল সাধাৰণ মানুহৰ সকলো জৈৱিক কাৰ্য তেওঁলোকে কৰিছিল। বিশ্বনবী (স্বাঃ) বশ্বৰীয়াতৰ মাজত হযৰত আদম (আঃ)ৰ বংশধৰ কিন্তু নূৰানীয়তৰ মাজত তেওঁ হযৰত আদম (আঃ)ৰ সৃষ্টিৰ মূল উৎস। নূৰৰ মাজত জন্মদান, জন্মগ্ৰহণ, বংশবিস্তাৰ আদি উপাদান নাই। ঈমান নূৰ, মু'মিনসকল





{ মহিলা সকলে মাজাৰ বা সৰ্বসাধাৰণৰ কবৰ স্থানত প্ৰৱেশ কৰাটো হাৰাম (নিষেধ), মাজাৰত ছিজ্দা কৰা হাৰাম (ফত্ত্বা ৰিজ্বীয়া, ৪/১৬২) }

নূৰানী, নবুঅ'ত নূৰ, নবী (আঃ) সকল নূৰানী তথাপিও মু'মিনসকলৰ সন্তানো কাফিৰ হয়, আলিমৰ পুত্ৰও জাহিল হয় এনেকি নবীৰ সন্তানো কাফিৰ হয়। বেহেস্তবাসীসকল নূৰানী হ'ব, হুৰসকল নূৰ। কিন্তু হাদীচ অনুসৰি কিছু বেহেস্তবাসী লোকে সন্তান কামনা কৰিব আৰু সিহঁতৰ সন্তানো হ'ব। এতিয়া কওঁক যদি নূৰৰ সন্তানেই নহয় তেনেহ'লে বেহেস্তবাসীসকলে ক'ৰ পৰা সন্তান লাভ কৰিব?

৪। বিশ্বনবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম যদি নূৰ হয় তেনেহ'লে তেওঁ (স্বাঃ) ক্ষুধাৰ তাড়নাত কিয় পাথৰ বান্ধিছিল, বিচ্চুৰ বিষ আৰু যাদুই তেওঁ (স্বাঃ)ক কিয় আক্ৰান্ত কৰিছিল। উহুদৰ ময়দানত বিশ্বনবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ দাঁত মুবাৰক কিয় শ্বহীদ হৈছিল? নূৰৰ ওপৰত এইবিলাক হ'ব পাৰে নেকি?

উঃ ইয়াৰ উত্তৰ আগৰ প্ৰশ্নটিত দিয়া হৈছে। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম মিঅ'ৰাজৰ ৰাতি দোজোখ পৰিভ্ৰমণ কৰাৰ সময়ত জুই, বিচ্ছু, সাপ তাত থকা সত্ত্বেও কিন্তু তেওঁ (স্বাঃ)ৰ কোনোধৰণৰ প্ৰতিক্ৰিয়া হোৱা নাছিল কাৰণ সেই সময়ত তেওঁ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম নূৰানীয়াত অৱস্থাত আছিল।

৫। নূৰতকৈ বশ্বৰ উত্তম কিয়নো হযৰত আদম (আঃ) বশ্বৰ আছিল। কিন্তু নূৰী ফৰিশ্বতাসকলে তেওঁ (আঃ)ক ছিজদাহ কৰিছিল। ইয়াৰোপৰি মিঅ'ৰাজৰ ৰাতি হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বশ্বৰ হোৱা সত্ত্বেও আৰশ্বত পদাৰ্পণ কৰিছিল অথচ নূৰী ফৰিশ্বতা জিব্ৰাঈল (আঃ)এ ছিদ্ৰাতুল মুনতাহালৈকেহে যাব পাৰিছিল। গতিকে বুজা যায় নূৰতকৈ বশ্বৰ শ্ৰেষ্ঠ।

উঃ যিহেতু হুজুৰ পাক (স্বাঃ) আল্লাহৰ বিশেষ নূৰ সেইকাৰণে তেওঁ (স্বাঃ) আল্লাহৰ আৰশ্বত পদাৰ্পণ কৰিবলৈ সক্ষম হৈছিল। জিব্ৰাঈল (আঃ) হুজুৰ পাক (স্বাঃ)ৰ পৰা সৃষ্ট নূৰ সেয়েহে তেওঁ ছিদ্ৰাতুল মুনতাহাৰ পৰা আগবাঢ়িব পৰা নাছিল। বশ্বৰ নূৰতকৈ শ্ৰেষ্ঠ বোলা ধাৰণাটো একেবাৰেই হাস্যকৰ। যদি বশ্বৰ নূৰতকৈ শ্ৰেষ্ঠ হ'লহেঁতেন তেনেহ'লে ফিৰআ'উন, হামান, আবু জাহিল ফৰিশ্বতাসকলতকৈ উত্তম হ'লহেঁতেন। অথচ কাফিৰবিলাক কুকুৰ, মেকুৰীতকৈও নিকৃষ্টতম। আল্লাহ পাকে কয়— "তেওঁলোক সৃষ্টিৰ নিকৃষ্টতম। (অৰ্থাৎ কাফিৰসকল)" দ্বিতীয়তে ৰছূল (স্বাঃ) নূৰ আৰু বশ্বৰ দুয়োটাই। একমাত্ৰ নূৰ অথবা বশ্বৰ দুয়োটা অৱস্থাৰ পৰা তেওঁ (স্বাঃ) মুক্ত। যদি তেওঁ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম কেৱল নূৰ হ'লহেঁতেন তেনেহ'লে তেওঁ (স্বাঃ) ফৰিশ্বতা পৰ্যায়ত থাকিলহেঁতেন আৰু যদি তেওঁ (স্বাঃ) কেৱল বশ্বৰ হ'লহেঁতেন তেন্তে তেওঁ (স্বাঃ) সাধাৰণ মানুহৰ পৰ্যায়ত থাকিলহেঁতেন। গতিকে বুজা যায় তেওঁ (স্বাঃ) নূৰী বশ্বৰ। এয়ে তেওঁ (স্বাঃ)ৰ বিশেষত্ব।

pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "ইলমে দ্বীন চৰ্চাৰ এটি মজলিছ ৬০ বছৰৰ নফল ই'বাদততকৈ উত্তম।" }

**উপসংহাৰঃ**

নবী পাক (স্বাঃ) 'নূৰ' কিন্তু এই দুনীয়াত লিবাচে বশ্বৰীয়াত (মানৱ ৰূপ) হিচাপে তশ্বৰীফ লৈ আহিছে। সেয়ে 'নূৰ' হক্বীকত আৰু বশ্বৰীয়াত (মানৱ ৰূপ)তেখেত (স্বাঃ)ৰ চিফত। সেয়ে আমি বশ্বৰীয়াত আৰু নূৰানীয়াত দুয়োটাৰ ওপৰত ঈমান ৰখা জৰুৰী। ছুৰা- মাইদাহ, ৰুঃ ৩, আঃ ১৫, পাঃ ৬, তাফ্‌ছীৰে ইব্‌নে আব্বাছ, পৃঃ ৭২, তাফ্‌ছীৰে কবীৰ ৩/৩৯৬, তাফ্‌ছীৰে খাজিন, ১/৪১৭, তাফ্‌ছীৰে মাদাৰিক, ১/৪৭০, তাফ্‌ছীৰে ৰুহুল মা'আনী, ১/৫৪৮, তাফ্‌ছীৰে দুৰ্‌ৰে মনচুৰ, ৩/২৩১, তাফ্‌ছীৰে ৰুহুল বায়ান, ১/৫৪৮, তাফ্‌ছীৰে জালালাইন, ই ব্‌নে জৰীৰ, মাদাৰিজুন্নুবুওৱাত, মাওৱাহিবে লাদুন্নিয়াহ আদি বিখ্যাত গ্ৰন্থসমূহত হুজুৰ পাক (স্বাঃ)ক 'নূৰ' বোলা হৈছে। নবী (আঃ) সকলক 'বশ্বৰ' বা 'ইনছান' বুলি মাতা কিম্বা হুজুৰ পাক (স্বাঃ)ক 'হে মুসাম্মদ', 'হে ইব্ৰাহীমৰ পিতা', 'হে ভাই', 'হে দাদা' ইত্যাদি সম্বোধন কৰি মাতা হাৰাম। যদি কোনোৱে অৱমাননাৰ উদ্দেশ্যে এনেদৰে সম্বোধন কৰে তেতিয়াহ'লে কাফিৰ বুলি গণ্য হ'ব। ফাতাৱা-ই-আ'লমগিৰী আৰু অন্যান্য গ্ৰন্থত উল্লেখ আছে যে যি ব্যক্তিয়ে হুজুৰ পাক (স্বাঃ)ক অৱমাননা কৰাৰ উদ্দেশ্যে 'হাজা ৰাজুলুন' এই লোকটি বুলি সম্বোধন কৰে সি কাফিৰ। বৰং তেখেত (স্বাঃ)ক 'ইয়া ৰাছূলাল্লাহ' (স্বাঃ), 'ইয়া সাবীবাল্লাহ' (স্বাঃ), 'ইয়া নাবীয়াল্লাহ' (স্বাঃ) 'ইয়া শ্বাফীয়াল মুজ্‌নাবীন' (স্বাঃ) ইত্যাদি সন্মানসূচক শব্দৰ দ্বাৰা সম্বোধন কৰা জৰুৰী। হুজুৰ পাক (স্বাঃ) যে আল্লাহৰ নূৰ আছিল এই সম্পৰ্কে বিস্তৃত ৰূপত বিভিন্ন উৎসৰ পৰা পোৱা তথ্যসমূহ দাঙি ধৰিবলৈ যত্ন কৰা হ'ল। এই সম্পৰ্কে আৰু কথা বিচাৰিলে নিশ্চয় পোৱা যাব। পৰৱৰ্তী সময়ত নিশ্চয় এই সম্পৰ্কে লিখিবলৈ যত্ন কৰা হ'ব। কিন্তু মূল কথা হ'ল এয়া আদালতত যুক্তিৰে প্ৰমাণ কৰাৰ দৰে কথা নহয়। এয়া গভীৰ ভক্তিৰে অন্তৰত অনুভৱ কৰা কথা। যাৰ ফলত হিদায়তৰ নূৰানী দৰ্জা খোল খাই যায়। আশা ৰাখিছোঁ আল্লাহে আমাক সকলোকে হিদায়ত দান কৰক।

**সহায়ক গ্ৰন্থঃ**

১। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ৰ 'কানজুল ঈমান', 'নূৰুল মুস্তাফা'।

২। আ'ল্লামা আ'ব্দুল মুস্তাফা আ'যমীৰ 'ছীৰাত-ই-মুস্তাফা স্বাঃ'

৩। ইমাম জালালুদ্দিন ছুয়ুতী (ৰাসঃ)ৰ 'খাছায়িছুল কুব্‌ৰা'।

৪। শ্বাইখ আব্দুল হক্ব মুহাদ্দিছ দেহ্‌লৱী (ৰাসঃ)ৰ 'মাদাৰিজুন্নুবুওৱাত', 'জজ্‌বুল কুলুব।'

৫। ইমামে ৰাব্বানী মুজাদ্দিদে আল্‌ফে ছানী (ৰাসঃ)ৰ 'মক্‌তুবাত শ্বৰীফ।'





{ ফৰ্মানে মুস্তাফা (স্বাঃ)- " জিক্‌ৰৰ মজলিছ ফৰিশ্বতাসকলৰ মজলিছ।" }

৬। মৌঃ আশ্ৰফ আ'লী থানৱীৰ 'শ্বুক্‌ৰুল নিঅ'মত বি জিক্‌ৰিৰ ৰাস্‌মাত।'

৭। মৌঃ ৰচিদ আসমদ গংগুহীৰ 'ইম্‌দাদুচ চুলুক।'

৮। মৌঃ ইছমাঈল দেহ্‌লৱীৰ 'তাক্বৱিয়াতুল ঈমান।'

কৃতজ্ঞতা স্বীকাৰঃ ছৈয়্যদ শ্বাহিদ আ'লী নূৰী চাহেব, ৰামপুৰ (ইউ.পি), মুফ্‌তী গোলাম ছামদানী ৰিজৱী, মুৰ্শ্বিদাবাদ (পশ্চিমবঙ্গ), মুফ্‌তী নূৰুল আ'ৰিফীন ৰিজৱী, বৰ্দ্ধমান (পশ্চিমবঙ্গ), মুফ্‌তী জাহাঙ্গীৰ আ'লম ৰিজৱী (পশ্চিমবঙ্গ), মুফ্‌তী নাজিৰ আহমদ ৰিজৱী, শিয়ালকোট (পাকিস্তান), চাগৰ আহমদ ৰিজৱী, বিল্লাল হুছাইন (ছউদী আৰবীয়া), ছুন্নী উ'লামা কাউন্সিল।

বিঃদ্ৰঃ এই গ্ৰন্থত উল্লেখিত 'মুসাম্মদ', 'আসমদ', 'ৰস্‌মত', 'দুআ', 'সাবীব', 'ক্বুৰ্‌আন' আদি শব্দবোৰ প্ৰকৃত আৰবী উচ্চাৰণ ভঙ্গীত লিখিবলৈ প্ৰয়াস কৰা হৈছে। (স্বাঃ)ৰ ঠাইত স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম, (ৰাঃ)ৰ ঠাইত ৰাদ্বিয়াল্লাহু আ'নহু, (ৰাসঃ)ৰ ঠাইত ৰাস্‌মাতুল্লাহি আ'লাইহ পঢ়িবলৈ পাঠকলৈ অনুৰোধ থাকিল— *লেখক*

**ছুন্নী লাইব্ৰেৰী প্ৰতিষ্ঠা কৰোঁ আহক**

সাম্প্ৰতিক সময়ত বাত্বিল ফিৰক্বাহ সমূহে সমাজত প্ৰভূত পৰিমাণে বিস্তাৰ লাভ কৰিছে। সেয়ে বৰ্তমান সময়ত নিজৰ ঈমান আৰু আক্বীদাহ শুদ্ধ পথত বচাই ৰাখিবৰ কাৰণে আমি প্ৰত্যেকেই ঘৰতেই হওক বা মছজিদতেই হওক নিম্নলিখিত গ্ৰন্থ সমূহৰ এটি লাইব্ৰেৰী প্ৰতিষ্ঠা কৰাৰ অতি প্ৰয়োজন হৈ পৰিছে। গ্ৰন্থ সমূহৰ এখন তালিকা দিয়া হ'ল— ১। 'তাব্‌লিগী জামায়াতেৰ গুপ্ত ৰহস্য', ২। 'ফায়জানে ছুন্নত', ৩। 'তাফ্‌ছীৰে কান্‌জুল ঈমান', ৪। 'বাহাৰে শ্বৰীঅ'ত', ৫। 'কানুনে শ্বৰীঅ'ত', ৬। 'যা-আল হাক্ক', ৭। 'শ্বানে হবিবুৰ ৰহমান', ৮। 'আনোৱাৰে শ্বৰীঅ'ত', ৯। 'ছুন্নী বেহেস্তী জেওৰ', ১০। 'মুছ্‌নাদে ইমাম আ'যম', ১১। 'তাফ্‌ছীৰে নাঈমী', ১২। 'তাম্‌হীদে ঈমান।', ১৩। 'ছীৰাতে মুস্তাফা।'

ওপৰোক্ত গ্ৰন্থসমূহ বৰ্তমান বঙালী ভাষাত উপলব্ধ। যোগাযোগ কৰিব পাৰে হুদা কেপ এণ্ড বুক ষ্টোৰ, বি. আৰ ৰোড মঙলদৈ- ৯৮৫৪২৫৭৯৪৯, খাৰুপেটীয়া বুক হাউচ, খাৰুপেটীয়া, খিজুবাৰী (হাতীগাঁও, গুৱাহাটী) মাঝাৰৰ সন্মুখৰ আটাইকেইখন দোকানত।

pdf By Syed Mostafa Sakib

{ফৰ্মানে মুস্তাফা (স্বাঃ)- জিক্ৰকাৰীৰ ওপৰত আল্লাহৰ ৰহমত আৰু ফৰিশ্বতাসকলৰ দুআ' অৱতীৰ্ণ হৈ থাকে।}

# জীৱন জ্যোতি-১৭ নংত এ, নাদৰীৰ আ'লা হযৰত (ৰহঃ) সম্পৰ্কত কৰা আপত্তি সমূহৰ প্ৰত্যুত্তৰ

এ, নাদৰী চাহেবে 'জীৱন জ্যোতি-১৭' নং আৰু আন কেতবোৰ সংখ্যাত আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ ক্বাদ্‌ৰী ৰাস্‌মাতুল্লাহি আ'লাইহ সম্পৰ্কত যিখিনি আপত্তি আগবঢ়াইছে সেইবোৰৰ কোনো ভিত্তি তথা দলিল নাই। তাৰ উত্তৰ বিভিন্ন সময়ত উ'লামাএ আহ্‌লে ছুন্নতে দি আহিছে। আমিও 'আ'লা হযৰত (ৰাসঃ)ৰ অপবাদৰ স্পষ্টীকৰণ' নামেৰে ইয়াৰ উত্তৰ দান কৰিছোঁ। সেইবোৰ পুনৰাবৃত্তি কৰি নাদৰী চাহেবে নিজৰ অজ্ঞতাৰ পৰিচয় দিয়াৰ লগতে পাঠক সমাজকো গোমৰাহীৰ ভাগীদাৰ কৰিছে। সি যিয়েই নহওক তেখেতৰ উত্থাপিত আপত্তি সমূহৰ যথাযথ প্ৰত্যুত্তৰ পাঠক সমাজৰ বিপুল দাবীৰ প্ৰতি সচেষ্ট হৈ আগবঢ়োৱা হ'ল। অৱশ্যে ইয়াৰ দ্বাৰা কোনো বিতৰ্ক সৃষ্টি কৰা আমাৰ উদ্দেশ্য নহয়।

১। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)এ দেওবন্দীসকলক কাফিৰ বনাইছে?

উঃ আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)এ বোধহয় টেলিফোন কৰি দেওবন্দীসকলক কৈছিল যে- 'তোমালোক কাফিৰ হৈ যোৱা' আৰু তেওঁলোক হৈ গ'ল। ছুব্‌সানাল্লাহ! আল্লাহ আৰু প্ৰিয় ৰছুল (স্বাঃ)ক গুচতাখি কৰি দেওবন্দীসকল নিজেই কাফিৰ হৈছে। আ'লা হযৰত (ৰাসঃ)এ বনোৱা নাই, বৰঞ্চ কৈছে।

২। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ) ক'লা আছিল। মানুহে তেওঁক দেখি হাঁহিছিল?

উঃ নাদৰী চাহেব, আপুনি শুনি কৈছে। দেখাসকলে কৈছে যে তেওঁ (ৰাসঃ) বগা আৰু সুন্দৰ চেহেৰাৰ অধিকাৰী আছিল। ডঃ কমৰ ৰেজাখাঁ (ৰাসঃ) চাহেবৰ চেহেৰাই চাওঁক। তেখেত (ৰাসঃ)ৰ বংশত আপুনি কোনো ক'লা মানুহ দেখুওৱাব পাৰিবনে? ক'লা-বগা সকলো মানুহ আল্লাহৰেই সৃষ্টি। ইয়াক ঠাট্টা বিদ্ৰুপ কৰা মানে আল্লাহৰ সৃষ্টিৰ ওপৰত অপবাদ দিয়া হ'ব। আল্লাহে আমাক ইয়াৰ পৰা বচাওঁক।

৩। ইমাম আসমদ ৰেজাখাঁ ক্বাদ্‌ৰী ৰাস্‌মাতুল্লাহি আ'লাইহে নিজৰ বাপেকে ৰখা নামত সন্তুষ্ট নহৈ 'আব্দুল মুস্তাফা' লিখিছিল যি জায়েজ নহয়।

উঃ এই নামত তেওঁ সন্তুষ্ট নাছিল বুলি ক'ত লিখা আছে? আসমদ ৰেজাখাঁ (ৰাসঃ)এ নিজৰ নামৰ পিছত 'আব্দুল মুস্তাফা' বৃদ্ধি কৰিছিল। এনেধৰণৰ নাম সম্পৰ্কত ক্বুৰ্‌আন-হাদীচৰ পৰা চাবিত আছে। হাজী ইমদাদুল্লাহ চাহেবে এনে নাম জায়েজ বুলি কৈছে 'শ্বামায়েমে ইম্‌দাদীয়া' চাওঁক আৰু হাজী চাহেবৰ ওপৰত ফত্‌ৱা লগাওঁক।

৪। আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ বেৰেলৱী ৰাস্‌মাতুল্লাহি আ'লাইহ তপৰাই খঙাল হৈছিল, জিভা অসাৱধানকাৰী গালি-গালাজ পাৰিছিল...?

উঃ তেওঁ (ৰাসঃ)ৰ কথাবিলাক আপোনালোকৰ গালি লাগে। আপোনালোক





{ফৰ্মানে মুস্তাফা (স্বাঃ)- "মোচ চুটিকৈ ৰাখা আৰু দাড়ি দীঘলকৈ ৰাখা।"}

বেআদব হোৱা নিশ্চয়। যদি গালি দেখিব লাগে দেওবন্দী শ্বাইখুল ইছলাম কিতাপ মৌঃ হুছাইন আসমদ মাদানীৰ 'আশ্ব্ শ্বিহাবুশ্ব্ শ্বাকিব' চাওঁক। য'ত ১৫০ পৃঃ পৰ্যন্ত ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ক প্ৰায় ৬৪০টা গালি পৰা হৈছে। যিবোৰ বৰ্ণনা কৰা সম্ভৱ নহয়। যেনে- 'কাফিৰ', 'বেৰেলীৰ দাজ্জাল', 'পেট পূজাৰী', 'বিদ্‌আতী'...। বৰঞ্চ ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)এ কেতিয়াও গালিৰ উত্তৰ গালিৰে দিয়া নাই।

৫। আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ৰ উস্তাদ মিৰ্জা গোলাম ক্বাদিৰ বেগ (ৰাসঃ) আছিল। যিজন কাদিয়ানীৰ ভাই আছিল।

উঃ এই নামৰ উস্তাদৰ পৰা কিছু কিতাপ নিশ্চয় পঢ়িছিল। কিন্তু তেওঁ কাদিয়ানীৰ ভাই নাছিল। নাম মিলে। কাদিয়ানীৰ ভাই থানাৰ দাৰোগা আছিল, মিৰ্জা গোলাম ক্বাদিৰ বেগ (ৰাসঃ) মোদাৰ্ৰিছ আৰু মৌলৱী আছিল। কাদিয়ানীৰ ভায়েকৰ ৫৫ বছৰ বয়সত মৃত্যু হৈছিল আৰু মিৰ্জা গোলাম ক্বাদিৰ বেগ চাহেব ৮০ বছৰ বয়সলৈ জীৱিত আছিল। তেওঁৰ ১৩০০ হিজ্‌ৰীত মৃত্যু হৈছিল আৰু এখেত (মিৰ্জা গোলাম ক্বাদিৰ বেগ চাহেব) ১৩১৪ হিজ্‌ৰী পৰ্যন্ত জীৱিত আছিল।

৬। আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ই ৪ বছৰ বয়সত নাজিৰা ক্বুৰ্‌আন শ্বৰীফ পঢ়িছিল আৰু ৬ বছৰ বয়সত কেনেকৈ ওৱাজ কৰিছিল?

উঃ ইয়াতো আপোনালোকৰ দুঃখ। আ'লা হযৰত শ্বাহ ইমাম আসমদ (ৰাসঃ)ৰ ঘৰত ইল্‌মৰ চৰ্চা আছিল। ঘৰৰ সকলোৱে আ'লীম আছিল। এয়া আল্লাহৰ ফজল আৰু কৰম। যাৰ ওপৰত দয়া আছে দান কৰে। ইয়াত কাৰো আপত্তি থাকিব নোৱাৰে।

৭। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ই হযৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ শ্বানত বেআদবীমূলক ছন্দ লিখিছে... নিলৰ্জ্জ স্পৰ্ধা... বেৰেলৱীসকলে দেখা নাপায়...।

উঃ এই ধৰণৰ আপত্তি কৰি বাত্বিলপন্থীসকলে নিজৰ অজ্ঞতাহে প্ৰকাশ কৰিছে। আ'লা হযৰত শ্বাহ আসমদ ৰেজাখাঁ ক্বাদ্‌ৰী (ৰাসঃ)ৰ ওফাত ১৯২১ চনত হৈছিল আৰু এই সময়ত তেওঁৰ লিখিত 'সাদায়িকে বখ্‌শিশ্ব' নামৰ গ্ৰন্থখনি দুটা সংস্কৰণ প্ৰকাশ হৈছিল। তেখেতৰ ৰিছাল (ওফাত)ৰ দুবছৰ পিছত অৰ্থাৎ ১৯২৩ চনত মৌঃ মঃ মসবুব আ'লী ক্বাদ্‌ৰীয়ে আ'লা হযৰত (ৰাসঃ)ৰ কালাম সমূহ একত্ৰিত কৰি 'সাদায়িকে বখ্‌শিশ্ব' তৃতীয় খণ্ড নামেৰে প্ৰকাশ কৰিছিল নাভ ষ্টিম বোম্বাই প্ৰেছৰ পৰা। কিতাপৰ সম্পূৰ্ণ কাম প্ৰেছত দিয়া হৈছিল। প্ৰেছত এজন খাৰিজী লোক আছিল। তেওঁ সেই ছন্দ ফাঁকি যি মুশ্ব্ৰিক তিৰোতাৰ বিষয়ে আছিল যাৰ বিষয়ে মুছলিম শ্বৰীফ, তিৰমিজী শ্বৰীফ, নিছাই শ্বৰীফত উল্লেখ আছে। খাৰিজীজনে সেই ছন্দ ফাঁকি উম্মুল মু'মিনীন হযৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ নামত ইচ্ছাকৃতভাৱে চামিল কৰি দিছিল। যাতে আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ উ'লামাক বদনাম কৰিব পৰা যায়। নাদৰী চাহেবে তেওঁৰ 'জীৱন জ্যোতি'ত এই ছন্দ ফাঁকি

pdf By Syed Mostafa Sakib

ফৰ্মানে মুস্তাফা (স্বাঃ)- "মই আল্লাহৰ পবিত্ৰ নূৰ আৰু সমগ্ৰ সৃষ্টি মোৰ নূৰ।"

৩য় সংস্কৰণত থকা বুলি উল্লেখ কৰিছে। লক্ষ্যণীয় যে এই ৩য় সংস্কৰণত আ'লা হযৰতৰ নামত 'বাস্‌মাতুল্লাহি আ'লাইহ' লিখা আছে। আমাৰ হাতত এই কিতাপ মজুত আছে। যিয়ে এই কথা প্ৰমাণ কৰে যে আ'লা হযৰত (ৰাসঃ)এ এই সংস্কৰণ প্ৰকাশ কৰা নাছিল আৰু তেওঁ এই ছন্দ ফাঁকিও সংযোগ কৰা নাছিল। গতিকে এই আপত্তি উত্থাপন কৰা সকলে প্ৰথমে এয়া প্ৰমাণ কৰক যে আ'লা হযৰতে 'সাদায়িকে বখ্‌শিশ'ৰ ৩য় সংস্কৰণ প্ৰকাশ কৰিছিল? নাদৱী চাহেবলৈ আমাৰ এই প্ৰশ্ন আজীৱন থাকিল? নহ'লে মিছাৰ পৰা তৌবাহ কৰক। কিয়নো মিছলীয়াসকলৰ ওপৰত আল্লাহৰ লা'নত। এই ভুলৰ বাবে ছুন্নী-বেৰেলৱী উ'লামাই আপত্তি দৰ্শাইছিল যাৰ নাম আ'ল্লামা মুস্তাক আসমদ নিজামী এই বিষয়ে নাদৱীয়ে উল্লেখ কৰিছে। যেতিয়া ইয়াৰ প্ৰকৃত ৰহস্য জানিব পাৰিলে তেতিয়া মসবুব আ'লী কাদ্‌ৰী চাহেবে ৯ জিলক্বদ, ১৩৭৪ হিজ্‌ৰীত মুম্বাই (বোম্বাই)ৰ বাতৰি কাকতত নিজৰ তৌবাহ নামা প্ৰকাশ কৰে আৰু আল্লাহৰ ওচৰত মাফী বিচাৰিছে। সেই কাকতখন আমাৰ হাতত আছে। সমস্ত ওৱাহাবীপন্থীৰ ওচৰত আমাৰ চেলেঞ্জ যে 'সাদায়িকে বখ্‌শিশ'ৰ ৩য় সংস্কৰণ আ'লা হযৰত (ৰাসঃ)ৰ জীৱন কালত প্ৰকাশ হৈছিল বুলি যদি প্ৰমাণ কৰিব পাৰা তেনেহ'লে সেইদিনাৰ পৰাই আমি ছুন্নী-বেৰেলৱী জামাআ'ত ত্যাগ কৰিম ইন্‌শ্বাআল্লাহ। কথা দিলো।

নাদৱী চাহেব, নিজৰ ঘৰৰ খবৰ লওঁক। মৌঃ আশ্ৰফ আ'লী থানৱীয়ে ফজলুৰ ৰহমানৰ বিষয়ে লিখিছে— "তেওঁৰ বেমাৰ হৈছিল আৰোগ্য হোৱাৰ পিছত হযৰত ফাতিমা (ৰাঃ) সপোনত আহিছিল আৰু তেওঁক বুকুত লৈছিল। ভাল হৈ গ'ল।" (কিচাচুল আক্‌বাৰ) উত্তৰ দিয়ক কি ফত্‌ৱা দিব? থানৱীৰ মুৰীদে সপোনত দেখিছিল যে থানৱীৰ ঘৰত হযৰত আইশ্বা স্বিদ্দীকা (ৰাঃ) তশ্বৰীফ লৈ আহিছে। এই সপোনৰ তাবীৰ প্ৰসংগত থানৱীয়ে কৈছে- "কোনো কম বয়সীয়া মহিলাৰ সৈতে মোৰ নিকাহ হ'ব। কিয়নো হুজুৰ পাক (স্বাঃ)ৰ লগত হযৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ যেতিয়া নিকাহ হৈছিল তেতিয়া আইশ্বা (ৰাঃ)ৰ বয়স ৭ আছিল। এই সপোনে ইয়াৰে ইংগিত কৰে যে মই বৃদ্ধ আৰু মহিলা গৰাকী জোৱান।" (আল্ ইম্‌দাদ) দেওবন্দীসকলে এই নিলৰ্জ্জস্পৰ্ধা দেখিবলৈ নাপায়? উত্তৰ দিয়ক নাদৱী চাহেব?? আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ লগত থানৱীৰ কি নিচবত? থানৱীৰ ওপৰত ফত্‌ৱা দিয়ক অথবা থানৱীৰ তৌবাহ নামা দেখুৱাওঁক? ছৈয়্যদ আসমদ ৰায়বেৰেলৱীয়েও অনুৰূপভাৱে হযৰত আ'লী (ৰাঃ) আৰু হযৰত ফাতিমা (ৰাঃ)ৰ পৰা সপোনৰ জৰিয়তে বাতিনী বায়াত লাভ কৰিছিল। (মৌঃ কেৰামত আ'লী জৌনপুৰীৰ মুকাশ্বাফাত-ই-ৰহ্‌মত, পৃঃ ২৭) তাৰোপৰি তেখেতক হেনো হযৰত আ'লী (ৰাঃ)এ গা ধুৱাই দিছিল আৰু হযৰত ফাতিমা (ৰাঃ)এ কাপোৰ পিন্ধাই দিছিল। নাউ'জুবিল্লাহ। খাৰিজী-





ফৰ্মানে মুস্তাফা (স্বাঃ)- "মই মক্কাৰ সেই শিলটোকো চিনি পাওঁ যি মোৰ নবুয়ত'ত প্ৰকাশৰ পূৰ্বেই মোক ছালাম দিছিল।"

খাৰিজীসকলে কেৱল চাহাবা কিৰাম, আহ্‌লে বাইতৰ সমালোচনা কৰিছে। কিন্তু দেওবন্দীসকলৰ কলমৰ পৰা আল্লাহৰ জাত পাক (আল্লাহে মিছা ক'ব পাৰে- বাৰাহীনূল কাতীয়া), হুজুৰ পাক (স্বাঃ)ৰ মৰ্যাদা (হুজুৰ পাক (স্বাঃ) ডাঙৰ ভাইৰ নিচিনা- তাক্বৱিয়াতুল ঈমান), চাহাবা কিৰাম, হুজুৰ পাক (স্বাঃ)ৰ স্ত্ৰীসকল কোনো সাৰি যোৱা নাই। কোনোৱে যদি এজন ভদ্ৰ লোকক কয় যে মই সপোনত আপোনাৰ মাক দেখিছো আৰু ইয়াৰ তাবীৰ কৰে স্ত্ৰী হিচাপে তেন্তে তেওঁ সহ্য কৰিব পাৰিবনে? উম্মুল মু'মিনীন হযৰত আইশ্বা স্বিদ্দীকা(ৰাঃ)ৰ প্ৰতি এই ধৰণৰ উক্তি কি কোনো উম্মতে মুসাম্মদীয়ে সহ্য কৰিব পাৰিব? ইয়াৰোপৰি 'তাজ্‌কিৰাতুৰ ৰচিদ' (ৰচিদ আসমদ গংগুহীৰ জীৱনী গ্ৰন্থ)ৰ ৪৬ পৃঃত উল্লেখ আছে- হাজী ইমদাদুল্লাহ চাহেবে সপোনত দেখিছিল যে তেওঁৰ পৰিবাৰে মেহমানৰ বাবে খানা বনাই আছিল। সেই সময়ত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম তশ্বৰীফ লৈ আহিছিল আৰু তেওঁৰ পৰিবাৰক কৈছিল- "তুমি এৰি দিয়া, হাজী ইমদাদুল্লাহৰ মেহমানৰ খানা তৈয়াৰ কৰাৰ উপযুক্ততা তোমাৰ নাই। তেওঁৰ মেহমান হৈছে দেওবন্দী উ'লামা কিৰাম। মই সেই সকলো মেহমানৰ খাদ্য বনাম।" কি নিলৰ্জ্জ স্পৰ্ধা! নাদৱী চাহেবক আমি সুধিব বিচাৰো এইবোৰ স্পৰ্ধা শ্বৰীঅ'ত সন্মত হয়নে??

৮। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ৰ তাত আধ্যাত্মিক জ্ঞান নাই... ?

উঃ কেৱল আপুনি তেখেত (ৰাসঃ)ৰ 'ফাতাৱা-ই-ৰিজ্‌ৱীয়্যাহ' পঢ়ক। ১১টা খণ্ড আছে। মাটিৰ দ্বাৰা তয়ম্মম কৰা সম্পৰ্কত ৮৪টা চুৰত বৰ্ণনা কৰা আছে। আ'লা হযৰত (ৰাসঃ)এ ১০৭টা আকছাম (প্ৰকাৰ) বয়ান কৰিছে। যি ফিক্বাহ হানিফীত আজিলৈকে দেখিবলৈ পোৱা নাযায়। পোৰবন্দৰ, গুজৰাটৰ দেওবন্দী মৌঃ আব্দুচ চাত্তাৰ হামদানী চাহেবে ফাতাৱা-ই- ৰিজ্‌ৱীয়্যাহত কেৱল তয়ম্মমৰ মাছআলা দেখি তৌবাহ খাই ছুন্নী মযহব গ্ৰহণ কৰে। বৰ্তমান তেওঁ ছুন্নী জামাআ'তৰ এজন বিশিষ্ট আ'লীম আৰু মুনাজিৰ।

নাদৱী চাহেবে জনা উচিত ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ) এজন খোদা প্ৰদত্ত প্ৰতিভা সম্পন্ন ব্যক্তি আছিল। কেৱল হিন্দুস্থান, পাকিস্তানৰে নহয় বৰং মক্কা, মদীনা শ্বৰীফৰ পৰা আৰম্ভ কৰি ৰোম, শ্বাম, মিচৰ, ইয়ামেন তথা সমস্ত ইছলামী বিশ্বত তেখেতক প্ৰাণ খুলি প্ৰশংসা কৰিছে। এয়াই নহয় দুছমনৰ পৰাও তেওঁৰ প্ৰশংসা হৈছে। মক্কা আৰু মদীনা শ্বৰীফৰ মুফ্‌তীসকলে তেখেতক ভালেকেইটা উপাধি প্ৰদান কৰিছে— ১। খাতিমাতুল মুহাক্কিকীন (মুহাক্কিক উ'লামা কিৰামৰ সমাপ্ত ঘোষণাকাৰী), ২। হুজুৰ পাক (স্বাঃ)ৰ মুঅ'জিজা, ৩। ইমামুল আইম্মাহ (ইমাম সকলৰ ইমাম), ৪। বৰ্তমান যুগৰ মুজাদ্দিদ, ৫।

pdf By Syed Mostafa Sakib

{ফৰ্মানে মুস্তাফা (স্বাঃ)- "যি ব্যক্তিয়ে জানি বুজি অৱজ্ঞা কৰি এক ৱাক্ত নামাজ ত্যাগ কৰিলে সেইজন ব্যক্তি কাফিৰৰ দলত অন্তৰ্ভুক্ত হ'ব।"}

শ্বামচুল মাআ'ৰিফ (মা'ৰিফাতৰ সূৰ্য), ৬। কাঞ্জদ্ দাক্বায়িক (সূক্ষ্মতত্ত্বৰ ভাণ্ডাৰ), ৭। ফৰীদ দাহাৰ (যুগৰ অদ্বিতীয়), ৮। আল্লাহ পাকৰ এটি অন্যতম নিঅ'মত, ৯। উস্তাজুল উ'লামা, ১০। বাৰ্কাতুল আনাম (সমস্ত জগতৰ বাবে বৰকত)। মৌঃ আশ্ৰফ আ'লী থানৱীয়ে কৈছে —"যদি মই আসমদ ৰেজাখাঁ (ৰাসঃ)ৰ পিছত নামাজ পঢ়িবৰ সুযোগ পালোহেঁতেন, তেন্তে নিশ্চয় পঢ়িলোহেঁতেন।" (উছওয়ায় আকাবিৰ দেওবন্দৰ পৰা প্ৰকাশিত, পৃঃ ১৮, সংগৃহীত 'মাহে নূৰ' মাহেকীয়া পত্ৰিকা, দিল্লীৰ পৰা প্ৰকাশিত, এপ্ৰিল সংখ্যা, ২০০৭, পৃঃ ৩৮) থানৱীয়ে আৰু কৈছে — "আমাৰ অন্তৰত ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ৰ প্ৰতি বিশেষ সন্মান আছে। তেওঁ আমাক কাফিৰ বুলি কৈছে কিন্তু ইশ্বকে ৰছুল (স্বাঃ)ৰ ভিত্তিত কৈছে।" (আ'লা হযৰত কা ফিক্হী মাকাম, লেখক- মৌঃ আখতাৰ শ্বাজাহানপুৰী, লাহোৰৰ পৰা প্ৰকাশিত, ১৯৭১ চন) তব্লীগ জামাআ'তৰ প্ৰতিষ্ঠাপক মৌঃ ইলিয়াছ দেহ্লৱীয়ে কৈছে — "যদি কোনোবাই হুজুৰ পাক (স্বাঃ)ৰ প্ৰতি মুসাব্বত শিকিব বিচাৰে তেতিয়াহ'লে হযৰত মাওলানা বেৰেলৱী (ৰাসঃ)ৰ পৰা শিকিব লাগিব।" (ফাজীলে বেৰেলৱী আউ্ৰ তাব্কে মাওৱালাত, সংগৃহীত 'মাহে নূৰ' মাহেকীয়া পত্ৰিকা, এপ্ৰিল সংখ্যা, পৃঃ ৩৮, ২০০৭ চন) আ'ল্লামা আব্দুল হামিদ (Vice chancellor of Al-Jamia Al Nizamia, Hyderabad)এ আ'লা হযৰত সম্পৰ্কত মন্তব্য কৰিছে এইদৰে— "Moulana Ahmed Raza (Alaihir Rahmah) Khan was a sword of Islam and great commander for the cause of Islam." আৰবৰ বিখ্যাত ইছলামী গৱেষক, পণ্ডিত ইব্ৰাহীম খলিল আৰু শ্বাইখ মুছা আ'লী শ্বামীৰ মন্তব্য— "A'ala Hazrat (Alaihir Rahmah) as the Revivalist of the 14th century A.H, if he called Revivalist of this century. It will be right and true." প্ৰফেচাৰ ডঃ মুহাম্মদ হাচান (শ্বাইখুল আদাব, ইছলামীয়া ইউনিভাৰচিটি)এ মন্তব্য কৰিছে— "Moulana was prolific writer. He wrote a large number of treaties. It is due to the fact that his head and heart had surging waves of knowledge which were hard to restrain." অৰ্থাৎ- মাওলানা আসমদ ৰেজাখাঁ (ৰাসঃ) আছিল এজন সফল লেখক। তেওঁ (ৰাসঃ)যথেষ্ট সংখ্যক নিবন্ধ ৰচনা কৰিছিল। ইয়াৰ একমাত্ৰ কাৰণ তেওঁ (ৰাসঃ)ৰ মগজু আৰু হৃদয় উভয়েই গভীৰ জ্ঞানপীপাসু আছিল, যি অতি দুঃসাধ্য আছিল। এই সম্পৰ্কত আৰু তথ্য আমাৰ হাতত আছে।

৯। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ই ভাৰতবৰ্ষক দাৰুল ইছলাম বুলি কৈছে।





{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "ইল্‌ম হ'ল জ্ঞানৰ এটি ৰত্ন ভাণ্ডাৰ।" }

কিন্তু ভাৰতবৰ্ষ 'দাৰুল হৰব।' আসমদ ৰেজাখাঁ (ৰাসঃ)ৰ জনা নাই ইয়াৰ হুকুম কি...?

উঃ মৌঃ কেৰামত আ'লী জৌনপুৰী, মৌঃ নবাব স্বিদ্দীক হাচান, মৌঃ মুসাম্মদ হুছাইন বাতলৱী, মৌঃ নাজীৰ হুছাইন, মৌঃ নাজীৰ আসমদ থানৱী, মৌঃ আব্দুল হাই লক্ষ্ণৱী এওঁলোকৰ কিতাপত আছে ভাৰতবৰ্ষ দাৰুল হৰব নহয়। কওঁক নাদৱী চাহেব আপুনি মিছলীয়া নে এওঁলোক?? এওঁলোক জাহিল আছিল নেকি? মৌঃ ক্বাছিম নানথৱী (দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক)এ 'ক্বাছিমুল উ'লুম মকতুবাত'ত ভাৰতবৰ্ষক দাৰুল হৰবো কৈছে আৰু দাৰুল ইছলামো কৈছে। মৌঃ আশ্ৰফ আ'লী থানৱীয়ে 'তাহ্জীৰুল আখৱান'ত ভাৰতবৰ্ষক দাৰুল ইছলাম হোৱাৰ পক্ষে যুক্তি আগবঢ়াইছে। উত্তৰ দিয়ক এখেতসকলৰ ওপৰত কি ফত্ৱা দিব?

১০। ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ক 'আ'লা হযৰত' কোৱা হয়।

উঃ আ'লা হযৰত কোৱাত আমাৰ নিয়ত এই যে তেওঁ সেই জামানাৰ উ'লামা হক্ব আছিল। আম্বিয়া (আঃ), চাহাবা কিৰাম (ৰাঃ)তকৈ ওপৰত নহয়। মুছলমানৰ নিয়তৰ ওপৰত আক্ৰমণ কৰা ভুল আৰু জনাৰ পিছতো কোৱা শ্বয়তানী কৰা হ'ব। থানৱীৰ জীৱনীকাৰে থানৱীক 'ৰাস্‌মাতাল্লিল আ'লামিন' বুলি ঘোষণা কৰিছে। (আশ্ৰাফুছ ছাৱানিহ, খণ্ড- ৩, পৃঃ ১৫৩) তাজ্কিৰাতুৰ ৰচিদ, ২য় খণ্ডৰ চাৰি ঠাইত হাজী ইমদাদুল্লাহক ১১ বাৰ 'আ'লা হযৰত' সম্বোধন কৰিছে। ২৩৭ পৃঃত চাৰি বাৰ, ২৩৮ পৃঃত চাৰি বাৰ, ২৩৯ পৃঃত এবাৰ আৰু ২৪১ পৃঃত দুবাৰ। গংগুহী চাহেবে 'তাজ্কিৰাতুৰ ৰচিদ'ৰ ১ম খণ্ড, পৃঃ ১২৮ত পীৰ মুৰ্শ্বিদ হাজী ইমদাদুল্লাহক দুঠাইত 'আ'লা হযৰত' লিখিছে। সেই কিতাপৰে ১৩০, ১৩২, ১৩৬ত মৌঃ আশ্ৰফ আ'লী থানৱীয়ে হাজী ইমদাদুল্লাহক তিনি ঠাইত 'আ'লা হযৰত' সম্বোধন কৰিছে। 'তুহ্ফাতুল কাদিয়ান'ৰ ৯ পৃঃত ক্বাৰী তৈয়্যবক 'আ'লা হযৰত' বুলি কৈছে। 'তাজ্কিৰাতুৰ ৰচিদ'ৰ ১ম ভাগ, পৃঃ ২৮ত ৰচিদ আসমদ আৰু ক্বাছিম নানথৱীৰ নামত ৰাদ্বিয়াল্লাহু আ'নহু লিখিছে। নাদৱী চাহেবে এওঁলোকক কি ক'ব??

১১। বেৰেলৱীসকলে হজ্ব কৰে আৰু কা'বাৰ ইমামৰ পিছত নামাজ নপঢ়ে?

উঃ এই কথা কোৱা সকল অজ্ঞ। হজ্বৰ সম্পৰ্ক, চৰ্ত আৰু ৰুকুন কা'বাৰ ইমামৰ পিছত নামাজ পঢ়া-নপঢ়াক লৈ হজ্বত কোনো কমি নাহে। বহুতো লোকে অজু কৰি আছে, প্ৰেস্ৰাৱখানা-পাইখানা-গোছলখানাত আছে এনে অৱস্থাত এওঁলোকৰ জামাআ'ত ফৌত হয়। এওঁলোকৰো হজ্ব হৈ যায়। যদি ওৱাহাবীসকলে কা'বাৰ ইমামৰ পিছত নামাজ পঢ়াক হজ্বৰ ৰুকুন আৰু চৰ্ত বুলি ভাবে তেতিয়াহ'লে তেওঁলোকে জনা উচিত লুধীয়ানীয়ে কা'বাৰ ইমামৰ পিছত নামাজ নাজায়েজ বুলি কৈছে। ঠিক আছে এই দৰ্শন অনুসৰি সমস্ত দেওবন্দী-তব্লীগীৰ নামাজ নাজায়েজ লগতে হজ্বো নাজায়েজ হৈ গ'ল। দেওবন্দীসকলে

pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "পৰনিন্দাকাৰীয়ে যান্নাতত প্ৰৱেশ কৰিব নোৱাৰে।" }

হজ্ব পুনৰ কৰক আৰু তাত পঢ়া সমস্ত নামাজৰ ক্বাজা আদায় কৰক। ছুন্নীসকলৰ বিৰোধিতা কৰি নিজৰ নামাজ আৰু হজ্ব বৰবাদ কৰি দিলে। ছুব্হানাল্লাহ!

১২। ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ৰ হাদীচৰ জ্ঞান সিমান নাছিল?

উঃ আ'লা হযৰত (ৰাসঃ)ৰ হাদীচৰ জ্ঞানৰ বিষয়ে জানিবলৈ ফাতাৱা-ই-ৰিজৱীয়্যাহৰ দ্বিতীয় খণ্ড চাওঁক। পিছত কওঁক হাদীচত তেখেতৰ কিমান দখল আছে? তেওঁ ১১৬ প্ৰকাৰ বিদ্যাৰ পাণ্ডিত্য অৰ্জন কৰিছিল আৰু প্ৰায় ১৫০০ৰো অধিক গ্ৰন্থ ৰচনা কৰিছিল। যেনে ঃ তাফ্ছীৰে ক্বুৰ্আন-১১ খন, ইল্মে আক্বাঈদ-৫৪ খন, হাদীচ শাস্ত্ৰ-১৩ খন, ফিক্বাহ শাস্ত্ৰ- ২১৪ খন, তাচাউফ, নীতিশাস্ত্ৰ-ইতিহাস- ১৯খন, বিজ্ঞান সম্পৰ্কীয়-৪০ খন, সাহিত্য, ব্যাকৰণ, অভিধান, কবিতা, ভ্ৰমণ আৰু অন্যান্য- ৫৫ খন, মনস্তাত্ত্বিক বিদ্যা-১১খন, জ্যোতিষশাস্ত্ৰ আৰু জ্যোতিৰ্বিজ্ঞান-২২খন, গণিত আৰু জ্যামিতি-৩১খন, তৰ্কশাস্ত্ৰ-৮ খন, দৰ্শন-বিজ্ঞান- ৭ খন, বীজগণিত- ৪খন।

১৩। ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)এ কথাই কথাই ওৱাহাবী বনায়?

উঃ বনোৱা হয় যি প্ৰথমত নাছিল। দেওবন্দী মুৰব্বীসকলে নিজে স্বীকাৰ কৰিছে যে তেওঁলোক ওৱাহাবী। দেহ্লৱী, থানৱী, নানথৱী, নোঅ'মানী, কান্ধলৱী আদিয়ে নিজে ঘোষণা কৰি গৈছে। প্ৰমাণ চাওঁক আৰু তৌবাহ কৰক। আজিৰ দেওবন্দীসকলে ইন্কাৰ কৰে। তেনেহ'লে আপোনালোকে নিজৰ বুজুৰ্গ সকলৰ ওপৰত ফত্ৱা লগাওঁক। নহ'লে তেওঁলোকৰ কবৰত গৈ মোৱাক্বাবা কৰি আৰজ কৰক, "হে আকা! আপোনালোকে কিয় ওৱাহাবী বুলি পৰিচয় দিছিল?"

১৪। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ৰ ৱাস্বীয়ত নামাত খানা-পিনাৰ কথা আছে।

উঃ হয়। কিন্তু কাৰ বাবে, সেয়া গৰীবৰ বাবে। নিজৰ বাবে বা ঘৰৰ পৰিয়ালৰ বাবে নহয়। ঈছালে চাৱাবত গৰীবৰ খেয়াল কৰিছে। যি বস্তু নিজে পছন্দ কৰিছিল সেয়া গৰীবক খুৱাবৰ কথা কৈছিল। আপোনালোকে আ'লা হযৰত ৰাসমাতুল্লাহি আ'লাইহৰ লগত দুছ্মনী কৰি গৰীবৰ লগতো দুছমনী কৰিলে। যদি ওৱাহাবীসকলৰ কাৰণে ৱাস্বীয়ত কৰিলেহেঁতেন তেতিয়াহ'লে তেওঁলোক খুছী হ'লহেঁতেন। কিন্তু তেওঁলোক ঈছালে চাৱাবৰ দুছমন। তেওঁলোকে কেনেকৈ খাব? দেওবন্দীসকলৰ বুজুৰ্গৰ মৃত্যুৰ সময়ৰ অৱস্থা চাওঁক। এজন দেওবন্দীয়ে মৃত্যুৰ সময়ত ঠাণ্ডা বস্তুৰ ফৰ্মাইচ কৰিছিল। খোৱাৰ লগে লগে মৃত্যু হ'ল। থানৱীৰ ৱাস্বীয়ত নামা চাওঁক। নিজৰ বিবীৰ কাৰণে কৈছিল যে— "সকলোৱে (মুৰীদসকলে) এক এক টকা দিয়ক। তেতিয়াহ'লে আশা কৰিব পাৰি মোৰ স্ত্ৰীৰ কোনো কষ্ট নহয়।" (তাস্বীহাতে ৱাস্বীয়ত, পৃঃ ২০) এতিয়া কওঁক মৃত্যুৰ সময়ত নিজৰ ঘৰৰ চিন্তা কাৰ আৰু গৰীবৰ চিন্তা কাৰ আছিল?



{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "যাৰ অন্তৰ কোমল নহয় তেওঁ সকলো কল্যাণৰ পৰা বঞ্চিত।" }

১৫। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)ক হেজ্জাজত গ্ৰেপ্তাৰ কৰা হৈছিল।

উঃ আপোনালোকৰ মাজত এজনো সঁচা কথা কোৱা ব্যক্তি নাইনে? ইয়াৰ হাৱালা কিবা প্ৰমাণ? বিনা প্ৰমাণে কোনো কথা মানিব নোৱাৰি। আ'লা হযৰত (ৰাসঃ)ৰ যি ইজ্জত হাৰমাঈন শ্বৰীফত কৰা হৈছিল সেয়া কোনো আ'যমী আ'লীমৰ ক্ষেত্ৰত কৰা হোৱা নাই। আচল কথা মক্কা শ্বৰীফৰ শ্বাইখে কিছু প্ৰশ্ন কৰিছিল আ'লা হযৰত (ৰাসঃ)এ তাৰ উত্তৰ দিছিল। তেতিয়া তেওঁ সন্তুষ্ট হৈছিল ফলত দুমাহ পৰ্যন্ত তেওঁ (ৰাসঃ)তাত আছিল। উ'লামাসকল তেওঁৰ সাক্ষাৎ কৰিবলৈ আহিছিল। মৌঃ হুছাইন আসমদ মাদানীএ 'আশ্ শ্বিহাবুশ্ শ্বাকিব'ত মিছা লিখিছে। এই কিতাপত আ'লা হযৰত (ৰাসঃ)ক ৬৪০টা গালি পাৰিছে। এই কিতাপৰ জালিয়তি জানিবলৈ 'বদ্দে আশ্ শ্বিহাবুশ্' চাব পাৰে।

১৬। আ'লা হযৰত (ৰাসঃ)ক আৰবৰ পৰা বাহিৰ কৰি দিয়া হৈছিল ফলত তেওঁ বিনা হজ্বে মৃত্যুবৰণ কৰিলে... গোটেই জীৱনজুৰী তেওঁৰ হজ্ব নচিব নহ'ল?

উঃ এই মিছা কথা মৌঃ হুছাইন আসমদ মাদানীৰ। যি উস্তাদৰ এনে অৱস্থা শিষ্যৰ অৱস্থা কি হ'ব? নাদৱী চাহেব, আপুনি মাত্ৰ এয়া কওঁক যে এই ঘটনাৰ পিছত দুমাহলৈ আ'লা হযৰত (ৰাসঃ) কেনেকৈ মক্কা শ্বৰীফত থাকিল আৰু পিছত মদীনা শ্বৰীফলৈ কেনেকৈ গ'ল? মাদানী চাহেবৰ 'আশ্ শ্বিহাবুশ্ শ্বাকিব'ত লিখা আছে- "মদীনা শ্বৰীফৰ পৰা তেওঁ ভাৰতলৈ ঘূৰি আহিল।" উত্তৰ দিয়ক আ'লা হযৰত (ৰাসঃ)ক আৰবৰ পৰা বাহিৰ কৰি দিয়া সত্য নে, মদীনা তৈয়িবাৰ পৰা ভাৰতলৈ অহা সত্য? দুটাৰ ভিতৰত এটা মিছা বুলি মানি তৌবাহ কৰক। কিয়নো মিছ্লীয়া সকলৰ ওপৰত আল্লাহৰ অভিশাপ। ডঃ মছউদ আসমদ (M.A. Ph.d) ফটেহপুৰীৰ গ্ৰন্থ 'ফাজীলে বেৰেলৱী'ত আছে— আ'লা হযৰত ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ) পোনপ্ৰথমবাৰৰ বাবে ইং ১৮৭৮ চনত তেওঁৰ পিতৃ মৌলানা নকি আ'লী খাঁন (ৰাসঃ)ৰ সৈতে হজ্ব কৰে আকৌ ইং ১৯০৫ চনত দ্বিতীয়বাৰ হজ্ব সম্পন্ন কৰে। ইয়াৰ উপৰিও 'চাৱানিহে আ'লা হযৰত', 'তাজাল্লিয়তে ইমাম আসমদ ৰেজাখাঁ' গ্ৰন্থতো আ'লা হযৰত (ৰাসঃ)ৰ হজ্ব সম্পন্ন কৰাৰ স্পষ্ট তথ্য আছে।

১৭। আসমদ ৰেজাখাঁ (ৰাসঃ)ই কথাই কথাই কুফ্ৰ আৰু শ্বিৰ্কৰ ফত্ৱা দিছিল...?

উঃ কোনো হাৱালা, কোনো দলিল পেশ্ব কৰক যদি সত্য হোৱা? নহ'লে আহক 'তাক্বৱিয়াতুল ঈমান', 'বেহেস্তী জেওৰ' মজুত আছে য'ত কথাই কথাই কুফ্ৰ আৰু শ্বিৰ্কৰ ফত্ৱা। ইমাম আসমদ ৰেজাখাঁ (ৰাসঃ)এ মুছলমান সকলক কাফিৰ বুলিব কিয়? দেওবন্দীসকলৰ অৱস্থা চাওঁক। মৌঃ হুছাইন আসমদ মাদানীয়ে কয়— "আমি আন্তৰিকতাৰে সৈতে কওঁ জামাআ'তে ইছ্লামীসকল জাহান্নামী দল।" (শ্বাইখুল ইছ্লাম নম্বৰ, পৃঃ ১৫৯ ) মাদানী চাহেবে কায়েদে আ'যম মুসাম্মদ আ'লী জিন্নাক কাফিৰে

pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "চৰিত্ৰৰ উত্তম বস্তু হ'ল লাজ, যদি লাজ নাথাকে তেন্তে যি মন যায় কৰা।" }

আ'যম বুলি কৈছে। (খুত্বাতে চাদাবাত, পৃঃ ৪৮) থান্ৱী চাহেবে ছাৰ ছৈয়্যদ আসমদ খানক নাস্তিক বুলি কৈছে। (আল্ ইফাদাতুল্ ইয়াওমিয়াহ, ৬ খণ্ড, পৃষ্ঠা ৯৮) মৌঃ আনোৱাৰ শ্বাহ কাশ্মীৰীয়ে ছাৰ ছৈয়্যদ আসমদ, শ্বিব্‌লী নোঅ'মানিক কাফিৰ আৰু মৌঃ আবুল কালাম আজাদক গোমৰাহ বুলি কৈছে। (আল্ বায়ান মুকাদ্দামায় মুশ্‌কিলাতুল কুৰ্আন, পৃষ্ঠা ৩২/৩৪) উ'লামাএ দেওবন্দে কাদিয়ানী সম্প্ৰদায়ক কাফিৰ বুলি কৈছে। (আশ্বাদ্দুল আযাব, পৃষ্ঠা ১৩) এইবাৰ কওঁক। দেওবন্দী উ'লামাসকলে যি বিলাক কাৰণত কাফিৰ বুলি কৈছে সেই একেই কাৰণতে দেওবন্দীসকলক কাফিৰ বুলিলে গোটেই দুনীয়াকে বোলা হয় নেকি?

**শ্বিৰ্কৰ মিচনঃ** যিয়ে কোনো ৱলীৰ কবৰক চুমা দিয়ে তেওঁ মুশ্ৰিক, যিয়ে কবৰত গিলাফ দিয়ে তেওঁ মুশ্ৰিক, যিয়ে নবী, ৱলীৰ মাঝাৰক সন্মান কৰে তেওঁ মুশ্ৰিক, যিয়ে নবী-ৱলীক সন্মান কৰে তেওঁ মুশ্ৰিক, যিয়ে ৱলীৰ মাঝাৰত চামিয়ানা দিয়ে তেওঁ মুশ্ৰিক, যিয়ে জিয়াৰতৰ উদ্দেশ্যে চফৰ কৰে তেওঁ মুশ্ৰিক, যিয়ে ৱলীৰ মাঝাৰৰ খিদ্‌মত কৰে তেওঁ মুশ্ৰিক।

**কুফৰৰ মিচনঃ** যিয়ে সন্তান জন্ম হোৱা উপলক্ষে ছাগলী জবেহ কৰে সি কাফিৰ, যিয়ে বিছমিল্লাহখোৱানীৰ মাহ্‌ফিল কৰে সি কাফিৰ, যিয়ে মহৰমৰ মাহ্‌ফিল কৰে সি কাফিৰ, যিয়ে মীলাদ মাহ্‌ফিল কৰে সি কাফিৰ, যিয়ে এঘাৰ শ্বৰীফৰ মাহ্‌ফিল কৰে কৰে সি কাফিৰ, যিয়ে শ্বাঅ'বান মাহত হালুৱা বনায় সি কাফিৰ, ঈদৰ দিনা যিয়ে চেৱেঁই বনাই সি কাফিৰ, যিয়ে তিনিদিনীয়া, দহ-চল্লিশদিনীয়া কৰে সি কাফিৰ, যিয়ে উ'ৰছ কৰে সি কাফিৰ, যিয়ে ঈদৰ দিনা মোলাকাত কৰে সি কাফিৰ, যিয়ে কফনত আহাদনামা লিখে সি কাফিৰ, যিয়ে তাক্‌লীদক যথেষ্ট জানে সি কাফিৰ, যিয়ে কবৰত শ্বাজাৰা ৰাখে সি কাফিৰ, যিয়ে বছৰেকীয়া মনায় সি কাফিৰ, যিয়ে আলবিদা খুত্‌বা পঢ়ে সি কাফিৰ, যিয়ে আ'ব্দুন নবী, গোলাম নবী আদি নাম ৰাখে সি কাফিৰ, যিয়ে কবৰ পকা কৰে সি কাফিৰ। নাদৱী চাহেব 'তাক্বৱিয়াতুল ঈমান' কিতাপ আনক। ইয়াত শ্বিৰ্ক ও কুফৰৰ মিচন চাওঁক আৰু মৌঃ ইছমাঈল দেহ্‌লৱীৰ ওপৰত ফত্‌ৱা লগাওঁক? আশ্চৰ্যৰ বিষয় এই যে ইয়াৰ ভিতৰত অসংখ্য কাম দেওবন্দীসকলেও কৰে। যেনেঃ দেওবন্দ মাদ্ৰাছাৰ শতবাৰ্ষিকী সমাৰোহ, বুখাৰী শ্বৰীফৰ খতম, ছীৰাতুন্নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম জলছাহ অনুষ্ঠিত কৰা, প্ৰচলিত তব্‌লীগৰ নিত্য নৈমিত্তিক অনুষ্ঠান, ছিল্লা, মোৰাকাবা আদি। যিবোৰ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম, চাহাবা কিৰাম (ৰাঃ)ৰ জামানাত প্ৰচলিত নাছিল। মৌঃ ইছমাঈল দেহ্‌লৱী চাহেবৰ ফত্‌ৱা অনুসৰি দেওবন্দীসকল কাফিৰ নহ'বনে? যদি হয় তেনেহ'লে তৌবাহ খাই আহ্‌লে ছুন্নত ৱাল জামাআ'ত স্বীকাৰ কৰক। যদি নহয় তেনেহ'লে



{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "সন্তানৰ বাবে পিতৃ-মাতৃৰ দুআ' কবুল হোৱাৰ ক্ষেত্ৰত সন্দেহৰ কোনো অৱকাশ নাই।" }

হাদীচ মুতাবিক যিয়ে মুছলমানক কাফিৰ আৰু মুশ্ৰিক কয় তেওঁ কাফিৰ ও মুশ্ৰিক হ'বনে নহ'ব?? নাদৱী চাহেবে বিস্তাৰিতভাৱে জনায় যেন।

১৮। প্ৰঃ ইমাম আসমদ ৰেজাখাঁ বেৰেলৱী (ৰাসঃ) আৰু মৌঃ আশ্ৰফ আ'লী থানৱীয়ে দেওবন্দ মাদ্ৰাছাত পঢ়িছিল?

উঃ আ'লা হযৰত (ৰাসঃ)ৰ জন্ম ১২৭২ হিজ্‌ৰীত হৈছিল। শিক্ষা সমাপ্ত কৰিছিল ১২৮৬ হিজ্‌ৰীত। অৰ্থাৎ ১৪ বছৰ বয়সত ফত্‌ৱা দিব আৰম্ভ কৰিছিল। মৌঃ আশ্ৰফ আ'লী থানৱীৰ জন্ম ১২৮০ হিজ্‌ৰীত হৈছিল। দেওবন্দ মাদ্ৰাছাত ১২৯৫ হিজ্‌ৰীত নামভৰ্তি কৰি ২০ বছৰবয়সত শিক্ষা সমাপ্ত কৰিছিল। এই সময়ত আ'লা হযৰতে প্ৰায় ১০০ৰো অধিক কিতাপ লিখিছিল। আ'লা হযৰত (ৰাসঃ)এ শিক্ষা সমাপ্ত কৰাৰ পাছত মুফ্‌তী হৈ গৈছিল। তেতিয়া থানৱীয়ে কেৱল খেলা-ধূলা কৰি আছিল। ■■■

## নাদ্‌ৱাতুল উ'লামা সম্পৰ্কত

এ, নাদ্‌ৱী চাহেবে তেওঁৰ প্ৰকাশিত 'জীৱন জ্যোতি' সমূহত ইমামে আহ্‌লে ছুন্নত আজিমূল বৰকত, হযৰত আ'ল্লামা আলহাজ্ব আল্‌হাফিজ শ্বাহ আসমদ ৰেজাখাঁ ক্বাদ্‌ৰী ৰাস্‌মাতুল্লাহি আ'লাইহক 'বৃটিছৰ দালাল', 'বিদআ'তৰ ইমাম'... ইত্যাদি বুলি আখ্যায়িত কৰাৰ লগতে ভালেমান অপবাদ প্ৰচাৰ কৰিছে। পিছে 'নাদ্‌ৱাতুল উ'লামা, লক্ষ্ণৌ' সম্পৰ্কত আমালৈ ভালেমান ফোন আহিছে সেয়ে উক্ত প্ৰশ্নসমূহৰ উত্তৰ তলত প্ৰকাশ কৰা হ'ল।

১। নং প্ৰশ্ন ঃ বৰ্তমান ভাৰতবৰ্ষত দাৰুল উ'লুম দেওবন্দৰ নিচিনা আৰু এখন ডাঙৰ শিক্ষানুষ্ঠান হ'ল 'নাদ্‌ৱাতুল উ'লামা'। এই শিক্ষানুষ্ঠান কেতিয়া আৰু কোনে প্ৰতিষ্ঠা কৰিছিল?

উত্তৰ ঃ ইং ১৮৯৪ চনত উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত 'নাদ্‌ৱাতুল উ'লামা' প্ৰতিষ্ঠা হয়। ১৯০৮ চনত 'নাদ্‌ৱাতুল উ'লামা'ৰ বিশাল বিল্ডিংৰ ভিত্তি স্থাপন হৈছিল। ভিত্তিস্থাপনৰ প্ৰথম পাথৰটি ৰাখিছিল এজন বৃটিছ বুজুৰ্গে। এওঁ আছিল উত্তৰ প্ৰদেশৰ লেফ্‌টেনেন্ট গৱৰ্ণৰ। পিছত চৰকাৰৰ তৰফৰ পৰা 'নাদ্‌ৱাতুল উ'লামা'ৰ সাহায্যৰ বাবে প্ৰতি মাহে পাঁচশ (৫০০.০০) টকা দিয়াৰ অনুমোদন কৰা হৈছিল। এই সংস্থাৰ সহযোগিতা কৰিছিল মাওলানা শ্বিব্‌লী নোঅ'মানী, মুসাম্মদ আ'লী কানপুৰী আদিয়ে।

২। নং প্ৰশ্ন ঃ 'নাদ্‌ৱাতুল উ'লামা' প্ৰতিষ্ঠাৰ উদ্দেশ্য কি আছিল?

উত্তৰ ঃ যিসকল নাস্তিক, যি প্ৰতিষ্ঠানৰ ভিত্তি স্থাপন হৈছে এজন ইছলাম দুছমন ইংৰাজৰ হাতৰ দ্বাৰা, যি প্ৰতিষ্ঠান বৃটিছ চৰকাৰৰ পইচাৰ দ্বাৰা চলি থাকে আৰু যিসকলে ইংৰাজৰ আনুগত্য কৰা নিজৰ বাবে গৌৰৱৰ কথা বুলি ধাৰণা কৰি থাকে তেওঁলোকৰ

pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- “জ্ঞানীৰ কলমৰ চিয়াহী শ্বহীদৰ ৰক্ততকৈও শ্ৰেষ্ঠ।” }

উদ্দেশ্য কি হ'ব পাবে আৰু সেই শিক্ষানুষ্ঠানৰ দ্বাৰা ইছলামৰ কি উপকাৰ হ'ব সেয়া কোৱাৰ প্ৰয়োজন নাই। এওঁলোকৰ আচল উদ্দেশ্য আছিল মানুহক ধৰ্মীয় স্বাধীনতা দি লাহে-লাহে নাস্তিকতাৰ ফালে লৈ যোৱা। অৱশ্যে এই পথৰ প্ৰথম কাঁইট হ'ল ছুন্নীয়াত। এইবাবে এওঁলোকে প্ৰথমে ছুন্নীয়াতক ধ্বংসৰ চিন্তা কৰিছিল। কোনো ফিৰকাক কাফিৰ ও মুৰতাদ বোলা উচিত নহ'ব। ইয়াত অযথা মুছলমানৰ মাজত বিভ্ৰান্তি আৰু বিশৃংখলতা সৃষ্টি হ'ব। মুঠ কথা এই প্ৰকাৰ মুখৰোচক কথা কৈ সাধাৰণ মানুহক গোমৰাহী কৰিব বিচাৰিছিল।

৩। নং প্ৰশ্ন ঃ 'নাদ্‌ৱাতুল উ'লামা'ৰ চক্ৰান্তত কোনো ছুন্নী আ'লীম পৰিছে নেকি ?

উত্তৰ ঃ এওঁলোকৰ ষড়যন্ত্ৰৰ বহু ছুন্নী মুছলমান তথা কিছু ছুন্নী আ'লীম বলি হৈছিল। যেনে- মাওলানা আসমদ হাচান কানপুৰী আৰু মাওলানা লুতফুল্লাহ আলিগড়ী। অৱশ্যে এই সমস্ত আ'লীম ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ৰ চেষ্টাত নাদ্‌ৱাৰ জাল ফালি আহিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে ১৩১৮ হিজ্‌ৰীত পাট্‌না চহৰত 'নাদ্‌ৱাতুল উ'লামা'ৰ বিৰুদ্ধে এখন ছুন্নী কন্‌ফাৰেন্স হৈছিল। এই সভাত শত শত ছুন্নী আ'লীম উপস্থিত আছিল। এনেকি নাদ্‌ৱাৰ বিশিষ্ট ব্যক্তিসকলো উপস্থিত আছিল। ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)এ এই সভাত ক্বুৰ্‌আন-হাদীচৰ আলোকত নাদ্‌ৱীসকলৰ 'নোংৰা আক্বীদাহ'ক আলোকিত কৰি দিছে। কেৱল ইয়াতেই শেষ নহয় তেওঁ নাদ্‌ৱীসকলৰ পিছ এৰা নাছিল আৰু তেওঁ সংগীসকলক লৈ কলিকতালৈ আহি তাৰ নাদ্‌ৱী আ'লীমসকলক চেলেঞ্জ কৰিছিল যে নাদ্‌ৱাৰ কাজ-কৰ্ম হ'ল ইছলাম বিৰোধী। অন্যথা তেওঁলোকে মুনাজাৰাৰ বাবে সাজু হওক। কিন্তু তেওঁলোকে কোনো প্ৰত্যুত্তৰ নিদিলে। ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ৰ জবান আৰু কলমৰ মাধ্যমত হাজাৰ হাজাৰ মুছলমান 'নাদ্‌ৱাতুল উ'লামা'ৰ গোমৰাহীৰ পৰা বাচি গৈছিল।

৪। নং প্ৰশ্ন ঃ আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)এ 'নাদ্‌ৱাতুল উ'লামা'ৰ বিপক্ষে কোনো লেখনী/গ্ৰন্থ লিখিছে নেকি ?

উত্তৰ ঃ কেৱল 'নাদ্‌ৱাতুল উ'লামা'ৰ বিপক্ষে নহয়, দ্বীন ইছলামৰ ওপৰত যিমান প্ৰকাৰৰ ফিত্‌না আহিছে সকলো ইমাম আসমদ ৰেজা বেৰেলৱী (ৰাসঃ)ৰ কলমৰ দ্বাৰা সমস্ত ফিত্‌না ধ্বংস হৈছে। 'নাদ্‌ৱাতুল উ'লামা' হ'ল ইছলামৰ বাবে এক মহা তুফান। এই স্থলত ইমাম আসমদ ৰেজা (ৰাসঃ)ৰ কলম কিয় নিবৰ হৈ থাকিব? বাত্বিলৰ বিৰুদ্ধে সংগ্ৰামেই আছিল তেখেতৰ জীৱনৰ একমাত্ৰ কাম। তেওঁ লক্ষ্য কৰি দেখিলে যে 'নাদ্‌ৱাতুল উ'লামা'ৰ সদস্যসকল আচলতে পুৰণা চিকাৰী, কেৱল নতুন জাল সাজি ছুন্নী মুছলমানক গোমৰাহ কৰিবৰ বাবে বাহিৰ হৈছে। সেয়ে তেওঁলোকৰ চক্ৰান্তৰ পৰা ছুন্নী মুছলমানক বচাবৰ বাবে তেওঁ মৌখিকভাৱে কোৱাৰ উপৰিও কলমো চলাইছে য'ত নাদ্‌ৱীসকলৰ গোমৰাহী





{ ফৰ্মানে মুস্তাফা (স্বাঃ)- “নিজে ক্ষতিগ্ৰস্ত নহ'বা আৰু আনকো ক্ষতিগ্ৰস্ত নকৰিবা।” }

চৰিত্ৰ সম্পূৰ্ণৰূপে উলঙ্গ হৈ গৈছে। নাদ্‌ৱীসকলে যেতিয়াই কোনো পত্ৰ-পত্ৰিকাৰ মাধ্যমত কোনো গোমৰাহী কৰ্মসূচী প্ৰকাশ কৰিছে তেতিয়াই ইমাম আসমদ ৰেজা (ৰাসঃ)ই সেইবিলাক তুলাধুনা কৰি দিছে। যেনে- ১। ফাতাৱাল কুদ্‌ওৱাহ লি কাশ্বফি দাফিনিন নাদওৱাহ। এই কিতাপৰ দ্বাৰা নাদ্‌ৱাৰ বদ আক্বিদাহবিলাক খণ্ডন কৰা হৈছে। ২। ফাতাৱাল হাৰ্‌মাঈন বি ৰাজ্‌ফি নাদ্‌ৱাতুল মাইন। এই কিতাপত নাদ্‌ৱী আ'লীম সকলৰ বদ আক্বীদাহ সম্পৰ্কে মক্কা আৰু মদীনা শ্বৰীফৰ উ'লামা কিৰামসকলে যি ফত্‌ৱা প্ৰদান কৰিছে সেই ফত্‌ৱা বিলাক একত্ৰিত কৰা হৈছে। ৩। ছুৱালাতে হাক্কায়িক নামা বৰ দাওছেনাদ্‌ৱাতুল উ'লামা। এই কিতাপত নাদ্‌ৱীসকলৰ ওপৰত সত্তৰটি প্ৰশ্ন কৰা হৈছে, ৪। গাজ্‌ওৱাহে লি হাদ্‌মে ছামাকে দাৰিন নাদওৱাহ। এই কিতাপখনিত নাদ্‌ৱাৰ বাত্বিল কথাবিলাক খণ্ডন কৰা হৈছে। ৫। ছুউফুল উন্‌ওৱাহ আ'লা জামাইমিন নাদ্‌ওৱাহ। এই কিতাপখনিও 'নাদ্‌ৱাতুল উ'লামা'ৰ পূৰ্ণ প্ৰতিবাদত লিখা হৈছে। এইবিলাকৰ উপৰিও আৰু অনেক কিতাপ আছে। মুঠ কথা আ'লা হযৰত শ্বাহ ইমাম আসমদ ৰেজাখাঁ ৰাস্‌মাতুল্লাহি আ'লাইহৰ কিতাপ যাৰ ওচৰত আছে তেওঁলোকে নিশ্চয় নাদ্‌ৱী সকলৰ চক্ৰান্তৰ পৰা নিৰাপদ আছে।

৫। নং প্ৰশ্ন ঃ ইমাম আসমদ ৰেজাখাঁ বেৰেলৱী (ৰাসঃ)ৰ বাহিৰে অন্য কোনো আ'লীমে 'নাদ্‌ৱাতুল উ'লামা'ৰ বিৰোধিতা কৰি কোনো কিতাপ লিখিছেনে ?

উত্তৰ ঃ ইমাম আসমদ ৰেজাখাঁ বেৰেলৱী (ৰাসঃ) হ'ল আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ ইমাম। তেওঁ দিন বুলিলে দিন, ৰাতি বুলিলে ৰাতি, হক্ব বুলি ক'লে হক্ব, বাত্বিল বুলি ক'লে বাত্বিল। তাত আৰু সন্দেহৰ প্ৰয়োজন নাই। তেওঁ যি জামাআ'তক গোমৰাহ বুলি কৈছে সেই জামাআ'ত অৱশ্যেই গোমৰাহ। এয়াই হ'ল আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ ঈমান। সেয়ে যেতিয়া আ'লা হযৰত (ৰাসঃ)এ 'নাদ্‌ৱাতুল উ'লামা'ক গোমৰাহ বুলি কৈছে তেতিয়া আৰু কাৰোবাৰ উক্তিৰ প্ৰয়োজন নাই। তথাপিও কৈছো আশ্ৰফ আ'লী থানৱীয়ে নাদ্‌ৱা সম্পৰ্কত এইদৰে মন্তব্য কৰিছে— “স্বয়ং নাদ্‌ৱাৰ যি হাচৰ (পৰিণাম) হৈছে সেয়া সকলোৰে জনা আছে যে, তেওঁলোক এনে কিছু মানুহৰ হাতত বহুকাল আছিল, যিসকলৰ মিজাজ আছিল সম্পূৰ্ণ নাস্তিকতা। সেই ছাৰ ছৈয়্যেদ আসমদ খাঁনৰ পদাংকৰ ওপৰত তেওঁলোকৰ চলন আছে, সেই টান, সেই ধাৰণা, কোনো পাৰ্থক্য নাছিল।” (মাল্‌ফুজাতে থানৱী, ৫ম খণ্ড, পৃঃ ১১০, বাত্বিল ফিৰ্‌ক্বা ৰৰ্‌তানিয়াকে ছায়ামে, পৃঃ ২৯২) অনুৰূপ মৌঃ আবুল কালাম আজাদে মন্তব্য কৰিছে— “নাদ্‌ৱাতুল উ'লামা সম্পৰ্কে আমাৰ ধাৰণা ভাল আছিল। কিন্তু 'নাদ্‌ৱাতুল উ'লামা'ৰ ইজ্‌তেমাৰ পৰা আমাৰ ওচৰত তেওঁলোকৰ বিখ্যাত উ'লামাসকলৰ যি অৱস্থা প্ৰকাশ হৈছে তাত আমি নিৰাশ হৈ গৈছো আৰু উ'লামা তবকাৰ পৰা আমাৰ কঠিন ভয়

pdf By Syed Mostafa Sakib

{ফৰ্মানে মুস্তাফা (স্বাঃ)- "যিয়ে মোৰ আনুগত্য কৰিলে সি মহান আল্লাহৰ আনুগত্য কৰিলে।"}

হৈছে। নাদ্‌ৱী বিৰোধিসকলে যিবিলাক কৈছিল সেইবিলাক শুনি আমাৰ ধাৰণা হৈছিল এওঁলোক উচ্চ মনৰ মানুহ নহয়। আমি লক্ষ্য কৰিছোঁ যে নাদ্‌ৱীসকলে সম্পূৰ্ণ চতুৰ দুনীয়াদাৰীৰ নিচিনা কাম কৰিছে আৰু তেওঁলোকে বিনাদ্বিধায় সমস্ত মাধ্যম অৱলম্বন কৰিছে যি এটি ধোকাবাজ জামাআ'তে নিজৰ কামিয়াবীৰ বাবে কৰিব পাৰে। মানুহক নিজৰ জামাআ'তত চামিল কৰিবৰ বাবে সমস্ত প্ৰকাৰ চক্ৰান্ত কৰিছিল। আমাৰ ওচৰত এজন নাদ্‌ৱাৰ বক্তাই পৰামৰ্শ কৰিছে যে ওৱাজৰ মজলিছত কেনেধৰণে তেওঁলোকৰ জোচ বঢ়োৱা উচিত আৰু কেনেধৰণে শেষলৈ কন্দা আৰম্ভ কৰি দিব লাগে। সেয়ে তেওঁলোকৰ সিদ্ধান্ত হৈ গৈছে। পিছত বক্তাজনে থিয় হৈ মছ্‌জিদে নবী শ্বৰীফৰ এটি ঘটনা আৰম্ভ কৰি দিছে ফলত ওৱাজৰ মজলিছত এক ডাঙৰ ধৰণৰ জজ্‌বা আহে আৰু সকলোৱে কন্দা-কটা কৰিবলৈ আৰম্ভ কৰে। এই সময়ত বক্তৃতা বন্ধ কৰি দিয়া হয়। আমি প্ৰতিদিন তেওঁলোকৰ এনেধৰণৰ বহু বস্তু দেখিবলৈ পাইছিলো আৰু আমাৰ মনৰ মাজত এই জামাআ'তৰ প্ৰতি ভয় বাঢ়ি গৈছিল।" (আজাদ কী কাহানী জবানী, পৃঃ ২১৭, ২১৮) ইমাম আসমদ ৰেজাখাঁ বেৰেলৱী (ৰাসঃ)ৰ কলমৰ ওচৰত মৌঃ আশ্ৰফ আ'লী থানৱী আৰু মৌঃ আবুল কালাম আজাদ গোমৰাহ বুলি চিহ্নিত আছিল তথাপি তেওঁলোকে 'নাদ্‌ৱাতুল উ'লামা'ৰ সমালোচনা কৰিছে। এইবাৰ ভাবি চাওঁক নাদ্‌ৱাৰ গোমৰাহীৰ গভীৰতা কিমান বিশাল? হায়! আফচোচ, আজি গোমৰাহ জামাআ'তৰ এজন গোমৰাহ নেতাক কিছুমানে অনুসৰণ কৰে। নাউ'জুবিল্লাহ।

৬। নং প্ৰশ্ন ঃ বৰ্তমান 'নাদ্‌ৱাতুল উ'লামা' কোন মুখী হৈ চলিছে?

**উত্তৰ ঃ** প্ৰাথমিক পৰ্যায়ত 'নাদ্‌ৱাতুল উ'লামা' আছিল সমস্ত বদ মযহব আৰু গোমৰাহীৰ হালুৱা। অৱশ্যে নাস্তিকতা আছিল এই হালুৱাৰ বিশেষ অঙ্গ। এই গোমৰাহ জামাআ'তৰ বিশেষ সদস্য ছৈয়্যেদ ছুলাইমান নাদ্‌ৱীয়ে শেষ জীৱনত এই জামাআ'তক সম্পূৰ্ণভাৱে দেওবন্দী মুখী কৰি দিছে। সেয়ে বৰ্তমান 'নাদ্‌ৱাতুল উ'লামা' 'দাৰুল উ'লুম, দেওবন্দ'ৰ বৃহত্তম শাখা হিচাপে কাম কৰি আছে। বাস্তৱত লক্ষ্য কৰিলে আমাৰ কথাৰ সত্যতা অৱশ্যেই উপলব্ধি কৰিব পাৰিব। গোমৰাহ দেওবন্দীসকলৰ দৰে নাদ্‌ৱীসকলেও মীলাদুন্নবী (স্বাঃ), ফাতিসাহ, দুআ'-দৰূদ ইত্যাদি বিষয়ত বীবাদ সৃষ্টি কৰি সমাজত অশান্তি সৃষ্টি কৰিছে। আল্লাহ পাকে সকলোকে বাত্বিল দলৰ সকলো প্ৰকাৰ চক্ৰান্তৰ পৰা বাচি থকাৰ তৌফিক্ব দান কৰক। পৰৱৰ্তী সময়ত 'নাদ্‌ৱাতুল উ'লামা' সম্পৰ্কত বিস্তাৰিতভাৱে আলোচনা আগবঢ়োৱা হ'ব। ■ ■ ■

(স্বাঃ)ৰ ঠাইত স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম, (ৰাঃ)ৰ ঠাইত ৰাদ্বিয়াল্লাহু আ'নহু, (ৰাসঃ)ৰ ঠাইত ৰাস্‌মাতুল্লাহি আ'লাইহ পঢ়িবলৈ সুহৃদয় পাঠকলৈ অনুৰোধ থাকিল— *লেখক*





# বিদ্‌আ'তৰ সংজ্ঞা আৰু প্ৰকাৰ

আজিকালি প্ৰায় কিছুমান মছ্‌জিদত যুমুআ'হ নামাজৰ পূৰ্বে ইমামৰ বয়ানত বা অন্য ৱাক্তিয়া নামাজৰ পিছ মুহূৰ্ততে কিছুমান লোকক দেখা যায় যে 'তবলিগী নিছাব' নামৰ এখন গ্ৰন্থ পাঠ কৰি আনক শুনায়। অথচ পূৰ্বৰ মুছ্‌লমানসকলে প্ৰতি ৱাক্ত নামাজৰ আগত বা পাছত অন্য যিকোনো সময়তে পবিত্ৰ ক্বুৰ্‌আন শ্বৰীফখন নিজে পাঠ কৰা বা পাঠ কৰি আনকো শুনোৱা অথবা ক্বুৰ্‌আনৰ তৰ্জমা আৰু তফ্‌ছীৰ (ব্যাখ্যা) কৰা দৈনন্দিনৰ আ'মাল আছিল। সেই কাৰণে প্ৰতিটো মছ্‌জিদত নিৰ্দিষ্ট ঠাইত ক্বুৰ্‌আন শ্বৰীফ ৰখা হৈছিল। আজিকালি কিন্তু কিছুমান মছ্‌জিদৰ সেই ঠাইবোৰত ক্বুৰ্‌আন শ্বৰীফৰ ঠাইত 'তব্‌লিগী নিছাব বা ফাজ্বাইলে আ'মাল' ৰাখি থোৱা দেখা যায়। উক্ত গ্ৰন্থখনৰ প্ৰতি সেইসকল ইমাম বা আমীৰ চাহেবানৰ আগ্ৰহ বা আকৰ্ষণ দেখিলে এনে অনুভৱ হয় যেন এতিয়া ক্বুৰ্‌আন শ্বৰীফৰ আৰু কোনো প্ৰয়োজন নাই। কিছুমান মছ্‌জিদত যদিও ক্বুৰ্‌আন শ্বৰীফখন আছে কিন্তু তাৰ ওপৰত 'তব্‌লিগী নিছাব' থৈ দিয়া দেখিবলৈ পোৱা যায়। ক্বুৰ্‌আন শ্বৰীফৰ ওপৰত 'তব্‌লিগী নিছাব' বা অন্য কোনো কিতাপ ৰখাটো পবিত্ৰ ক্বুৰ্‌আনৰ অসন্মান নহয়নে? ইয়াৰ বিবেচনা কৰাটো উক্ত সমাজৰ কৰ্তব্য হ'ব।

এই প্ৰবন্ধৰ মূল বিষয়টো হ'ল সেই 'তব্‌লিগী নিছাব' পাঠকাৰী সকলৰ মুখে মুখে থকা এটি আৰবী শব্দ 'বিদ্‌আ'ত'ৰ স'তে ৰাইজক পৰিচয় কৰাই দিয়া। কিয়নো এই শব্দটি দেখাত মাত্ৰ তিনিটা শব্দৰে গঠিত হ'লেও ইয়াৰ প্ৰভাৱ কিন্তু ইছ্‌লামী সমাজত সাংঘাতিক ধৰণৰ। ওৱাহাবী-নেছাবীপন্থীসকলে এই শব্দটিৰ সহায়লৈ আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ মুছ্‌লমান সকলক বিদ্‌আ'তী আখ্যা দি পাৰিলে ইছ্‌লামৰ পৰাই খাৰিজ কৰি দিবলৈ কম চেষ্টা কৰি থকা নাই। 'তব্‌লিগী নিছাব ফাজ্বাইলে আ'মল'ত কি লিখা আছে, উক্ত কিতাপখন পঢ়া বা পঢ়ি আনক শুনোৱা উচিত নে অনুচিত এই সন্দৰ্ভত আমাৰ কোনো মন্তব্য নাই। কিন্তু উক্ত কিতাপখনৰ অধ্যয়নকাৰীসকলে কথাই কথাই 'বিদ্‌আ'ত' শব্দৰ লেবেল লগাই জায়েজ আৰু চাৱাবৰ কৰ্মবোৰৰ পৰা সাধাৰণ মুছ্‌লমানসকলক ধৰ্মৰ কামত বিভ্ৰান্তিত পেলোৱাৰ লগতে সৎকামৰ পৰা বঞ্চিত কৰি আহিছে। যেনেঃ মৌলুদ বিদ্‌আ'ত, ফাতিসাহ বিদ্‌আ'ত, কবৰ জিয়াৰত বিদ্‌আ'ত, উচ্চস্বৰে দৰূদ পঢ়া বিদ্‌আ'ত, ঈছালে চাৱাবৰ দিন ধাৰ্য কৰি কৰা বিদ্‌আ'ত, ৱলীআল্লাহ সকলৰ মাঝাৰত গৈ জিয়াৰত কৰা বিদ্‌আ'ত, আজমীৰ শ্বৰীফ, কালিয়াৰ শ্বৰীফ, হাজো দৰগাহত, আজান পীৰৰ দৰগাহত যোৱা বিদ্‌আ'ত, ইয়া ৰাছুলাল্লাহ (স্বাঃ) কোৱা বিদ্‌আ'ত,

pdf By Syed Mostafa Sakib

{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "পিতা-মাতাৰ চেহেৰা দেখা ই'বাদত, আলিমৰ চেহেৰা দেখা ই'বাদত।" }

কবৰত আজান দিয়া বিদ্আ'ত, ঝানাঝা নামাজৰ পিছত দুআ' কৰা বিদ্আ'ত, উ'ৰছ পতা বিদ্আ'ত, চাহাৰম-চল্লিছা কৰা বিদ্আ'ত, আজানত বুঢ়া আঙুলিত দৰুদ শ্বৰীফ পঢ়ি চুমা খোৱা বিদ্আ'ত, নামাজৰ পিছত মোছাফাহ কৰা বিদ্আ'ত, নফল নামাজৰ পিছত সমূহীয়া দুআ' কৰা বিদ্আ'ত (উৎস ঃ মৌঃ ফজলুল কৰীম ক্বাছিমীৰ 'চুন্নত-বেদাত আৰু চুন্নী-বেদাতীৰ মূল্যায়ন' পৃঃ ৫,৭,৮,৯,১৬,১৭,১৮,১৯,২১,২২ আৰু এ, নাদৱীৰ 'অনৈক্যৰ হেতু আৰু ঈমানৰ সেতু', 'জীৱন জ্যোতি' ১..........১৪ নং) অমুক কৰা বিদ্আ'ত, তমুক কৰা বিদ্আ'ত, অকল বিদ্আ'তেই বিদ্আ'ত। বিদ্আ'তৰ ব্যাখ্যা এনেকৈ কৰা হয় যেন বিদ্আ'ত মানেই নাজায়েজ আৰু বৰ ঘৃণনীয় হাৰাম কাম। ফলত সৰ্বসাধাৰণ বিভ্ৰান্তিত পৰি জায়েজ আৰু চাৱাবৰ কৰ্মবোৰকো নাজায়েজ বুলি ভাবি পালন কৰাৰ পৰা বঞ্চিত হৈ আহিছে। অৱশ্যে এই সকলোবোৰ কৰ্ম বিৰোধী সকলৰ মুৰব্বীসকলে কৰি গৈছে। তেওঁলোকে দেখা নাইনে?

সেয়েহে ইয়াত বিদ্আ'তৰ প্ৰয়োজনীয় কেইটামান দিশ আঙুলিয়াই দিব বিচাৰিছো। বিদ্আ'তৰ আভিধানিক অৰ্থ হ'ল 'নতুন বস্তু বা নৱ আৱিষ্কাৰ।' পবিত্ৰ কুৰ্আনত উল্লেখ আছে- 'কুল্ মা কুন্তো বিদ্আম মিনাৰ্ ৰাছুলি' অৰ্থাৎ আপুনি কৈ দিয়ক যে- 'মই নতুন ৰছুল নহয়।" আকৌ এঠাইত কোৱা হৈছে- 'বাদীউচ্ছামা ৱাতি ৱাল্ আৰ্দি' অৰ্থাৎ- 'আকাশ আৰু পাতালৰ আৱিষ্কাৰ কৰোঁতা।' উপৰোক্ত আয়াতবোৰত বিদ্আ'ত আভিধানিক অৰ্থত ব্যৱহৃত হৈছে, অৰ্থাৎ- আৱিষ্কাৰ কৰা বা নতুনকৈ বনোৱা ইত্যাদি। শ্বৰীঅ'তত বিদ্আ'তৰ অৰ্থ হ'ল এনে কোনো কৰ্ম যিটো হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ প্ৰকাশ্য জীৱনকালত হোৱা নাছিল পাছত আৱিষ্কাৰ হৈছে। প্ৰত্যেকটো নৱ আৱিষ্কাৰকে বিদ্আ'ত কোৱা হয়। বিদ্আ'ত বহু প্ৰকাৰৰ আছে। ইয়াত অকল দুই প্ৰকাৰৰ বিদ্আ'তৰ বিষয়ে আলোচনা কৰা হৈছে। (১) বিদ্আ'তে হাছানাহ আৰু (২) বিদ্আ'তে ছাইয়্যাহ। বিদ্আ'তে হাছানা অৰ্থাৎ- উত্তম বিদ্আ'ত। সংক্ষিপ্ত অৰ্থত বিদ্আ'ত ইয়াকে কোৱা হয় যে এনে কোনো নতুন কৰ্মৰ আৱিষ্কাৰ কৰা যিটো ছুন্নতৰ পৰিপন্থী নহয় যেনেঃ ধৰ্মীয় শিক্ষানুষ্ঠান মাদ্ৰাছা সমূহ আৰু ইয়াৰ শিক্ষাৰ পদ্ধতিসমূহ তথা নতুন নতুন স্বাদিষ্ট আহাৰ প্ৰস্তুত কৰি খোৱা, পবিত্ৰ কুৰ্আন ছপোৱা, ধৰ্মীয় কিতাপ-পত্ৰাদি ছপা কৰা, মৌলুদুন্নবী (স্বাঃ) পালন কৰা ইত্যাদি আৰু বিদ্আ'তে ছাইয়্যাহ ইয়াকে কোৱা হয় যে এনে কোনো কৰ্ম যি ছুন্নতৰ পৰিপন্থী যেনেঃ যুমুআ'হ আৰু ঈদৰ নামাজৰ খুৎবা আৰবীত নপঢ়ি অন্য কোনো ভাষাত পঢ়া। ইয়াৰ দ্বাৰা হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছুন্নতৰ





{ফৰ্মানে মুস্তাফা (স্বাঃ) "ইল্‌মে দ্বীন শিক্ষাৰ্থী কবৰস্থানৰে গ'লে ৪০ দিনৰ কবৰৰ আজাৱ মাফ হৈ যায়।"}

বিলুপ্তি ঘটাৰ সম্ভাৱনা প্ৰকট হৈ পৰে। বুজা গ'ল যে বিদ্আ'ত মানেই নাজায়েজ নহয়। বিদ্আ'ত কিছুমান ভাল আছে যাক বিদ্আ'তে হাছানাহ বুলি কোৱা হয়। বিদ্আ'তে হাছানাহ পাঁচ প্ৰকাৰৰ। <u>বিদ্আ'তে জায়েজ</u> ঃ ই হ'ল তেনে প্ৰতিটো কৰ্ম যাৰ বাবে শ্বৰীঅ'তত নিষেধাজ্ঞা নাই আৰু সেয়া জনসাধাৰণে পুণ্যৰ কাম বুলি কৰে। যেনেঃ বিভিন্ন প্ৰকাৰৰ আহাৰ প্ৰস্তুত কৰি খোৱা ইত্যাদি। এই কৰ্মত চাৱাবো নাই, গুণাহো নাই। <u>বিদ্আ'তে মুস্তাহাবুাহ</u> ঃ ই হ'ল তেনে এটি কৰ্ম যাৰ বাবে শ্বৰীঅ'তত নিষেধাজ্ঞা নাই আৰু সেয়া জনসাধাৰণে পুণ্যৰ কাম বুলি কৰে। যেনেঃ মীলাদ-ই মাহ্ফিল, বুজুৰ্গানে দ্বীনৰ নামত ফাতিসাহ কৰা আদি। এনেবোৰ পুণ্যৰ কাম কৰোঁতাই চাৱাব পাব। 'মিৰক্বাত' নামৰ গ্ৰন্থৰ এতেচাম অধ্যায়ত হযৰত আ'ব্দুল্লাহ ইব্‌নে মছউদ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- "যিটো কৰ্মক মুছলমানসকলে ভাল বুলি ভাবে সেইটো আল্লাহৰ ওচৰতো পছন্দনীয়।" হাদীচে মৰফুত উল্লেখ আছে- "মোৰ উম্মত ভ্ৰষ্টতাৰ ওপৰত একমত নহ'ব।" হাজী ইমদাদুল্লাহ মুহাজীৰে মক্কী (ৰহঃ)এ 'ফয়ছালায়ে হফ্ত মাছাইল'ত কৈছে- "ফক্কীৰৰ নিয়ম এই যে প্ৰতিবছৰে মোৰ পীৰ মুৰ্শ্বিদৰ পবিত্ৰ আত্মাৰ প্ৰতি ঈছালে চাৱাব অনুষ্ঠিত কৰোঁ। প্ৰথমতে কুৰ্আন খোৱানী হয় ইয়াৰ পিছত যদি সময় থাকে মৌলুদ শ্বৰীফৰ আয়োজন কৰা হয় আৰু উপস্থিত ব্যক্তি সকলৰ মাজত খাদ্য পৰিৱেশন কৰা আৰু শেষত চাৱাব বখশ্বাই দিয়া হয়।"

উপৰোক্ত হাদীচ আৰু ফিকাহৰ পৰা বুজা গ'ল যে যিটো কৰ্ম চাৱাবৰ নিয়তেৰে কৰা হয় বা মুছলমানসকলে সেইটো চাৱাবৰ কাম বুলি গণ্য কৰি পালন কৰে সেইটো মহান আল্লাহৰ ওচৰতো নিশ্চয় চাৱাবৰ কৰ্মই হ'ব। মুছলমানসকল সাক্ষী হয় যাৰ পক্ষত সাক্ষী দিব সেইটো ভাল বুলি গণ্য হ'ব আৰু যাৰ পক্ষত বেয়া বুলি সাক্ষী দিব সেইটো বেয়া বুলি গণ্য কৰা হয়।

বিদ্আ'তে ওৱাজিবাহ ঃ ই হ'ল তেনে প্ৰতিটো কৰ্ম যাৰ শ্বৰীঅ'তত কোনো নিষেধাজ্ঞা নাই আৰু সেইবোৰ পালন নকৰিলে দ্বীনৰ ক্ষতি হ'ব। যেনেঃ কুৰ্আন শ্বৰীফৰ আ-কাৰ, ই-কাৰ, উ-কাৰ, ধৰ্মীয় শিক্ষানুষ্ঠান সমূহ আৰু ইল্‌মে বালাগত, ফাচাহত, মন্‌তেক, নুসু ইত্যাদি পঢ়া।

বিদ্আ'তে মাক্ৰুহাহ ঃ ই হ'ল তেনে কোনো নতুন কাম যাৰ দ্বাৰাই ছুন্নত এৰা যায়, যদি ছুন্নতে গাইৰ মুৱাক্কাদা এৰা যায় তেনেহলে ই মকৰুহে তানজিহী হ'ব আৰু যদি



pdf By Syed Mostafa Sakib

{ফৰ্মানে মুস্তাফা (স্বাঃ)- যি মানুহে জ্ঞানৰ সন্ধানত ওলাই যায় তেওঁ উভতি নহালৈ আল্লাহৰ পথত থাকে।}

ছুন্নতে মুৱাক্বাদা এৰা যায় তেনেহলে ই হ'ব বিদ্‌আ'তে মকৰুহে তাহ্‌ৰিমী।

বিদ্‌আ'তে হাৰাম ঃ ই হ'ল তেনে কোনো নতুন কাম, যাৰ দ্বাৰাই ওৱাজিব এৰা যায় অৰ্থাৎ- ওৱাজিব বিলুপ্ত হোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ উপৰিও ইছ্‌লামত এনে বহুত বিদ্‌আ'তে হাছানাহ আছে যিবোৰ ইছ্‌লাম ধৰ্মৰ এক অভিন্ন অংশত পৰিণত হৈছে। অথচ সেইবোৰৰ বিষয়ে কুৰুণে ছালাছা অৰ্থাৎ- হুজুৰ পাক (স্বাঃ)ৰ যুগ, চাহাবা সকলৰ যুগ, তাবেইন সকলৰ ত্ৰি যুগত পালন হৈছিল বুলি জনা নাযায় যেনে—

ঈমান ঃ মুছলমানসকলৰ ল'ৰা-ছোৱালীক ঈমানে মুজ্‌মল, ঈমানে মুফাচ্ছল মুখস্থ কৰোৱা হয় ঈমানৰ এই দুই প্ৰকাৰ আৰু ইয়াৰ দুই নাম বিদ্‌আ'ত হয়, ইছ্‌লামৰ আদিম ত্ৰিকালত ইয়াৰ কোনো অস্তিত্বই পোৱা নাযায়। অথচ ই জায়েজ।

কুৰ্‌আন শ্বৰীফ ঃ কুৰ্‌আন শ্বৰীফ ত্ৰিশ পাৰাত ভাগ-ভাগ কৰা, ৰুকু নিৰ্দ্ধাৰণ কৰা, জেৰ-জবৰ-পেশ্‌ লগোৱা, কুৰ্‌আন পাকক সোণ-ৰূপ আদিৰে বন্ধোৱা, কুৰ্‌আন মযীদৰ আখৰবোৰ ব্লক লেটাৰত ডিজাইন কৰি ছপা কৰা ইত্যাদি এই সকলোবোৰ বিদ্‌আ'ত। ত্ৰিকালত ইয়াৰ কোনো উল্লেখেই নাই। অথচ ই জায়েজ। দেওবন্দী- তব্‌লিগীসকলৰ বাৰ তছ্‌বীহৰ সমূহীয়া জিক্‌ৰ, ছিল্লা মাৰা আদিও বিদ্‌আ'ত।

হাদীচ শ্বৰীফ ঃ হাদীচ সমূহ কিতাপ আকাৰে একত্ৰিত কৰা, হাদীচৰ চনদ বৰ্ণনা কৰা, চনদক লৈ জেৰা কৰা আৰু হাদীচ সমূহক বিভিন্ন প্ৰকাৰত বিভক্ত কৰা যে এইটো স্বহীহ হাদীচ, এইটো হাছান, এইটো জয়ীফ আদি। আকৌ এইবোৰক স্থান প্ৰদান কৰা যে এইটো প্ৰথম স্থান প্ৰাপ্ত এইটো দ্বিতীয় স্থান প্ৰাপ্ত তাৰোপৰি এইবোৰৰ হুকুম নিৰ্দ্ধাৰণ কৰা যে বৈধ অবৈধ বস্তুবোৰৰ প্ৰমাণ স্বহীহ হাদীচৰ পৰা হ'ব লাগিব, ফজীলতৰ হাদীচবোৰ জয়ীফ (দুৰ্বল) হ'লেও গ্ৰহণযোগ্য হ'ব আদি মুঠতে হাদীচ বিষয়ৰ উপৰোক্ত সমস্ত বিষয়বোৰ সমূলি বিদ্‌আ'ত। ত্ৰিকালত ইয়াৰ কোনো উল্লেখেই হোৱা নাছিল। অথচ ই জায়েজ। ইয়াৰ উপৰিও দেওবন্দী-তব্‌লিগীসকলৰ প্ৰচলিত বুখাৰী শ্বৰীফৰ খতমো বিদ্‌আ'ত।

অচুলে হাদীচ ঃ এই বিষয়টো সমূলি বিদ্‌আ'ত। বৰং ইয়াৰ নামটোৱেই বিদ্‌আ'ত। ইয়াৰ প্ৰতিটো নীতি-নিয়ম বিদ্‌আ'ত। অথচ জায়েজ।

ফিকাহ ঃ ফিকাহতে ধৰ্মৰ প্ৰতিটো কথাই নিৰ্ভৰশীল। কিন্তু এইটোও আৰম্ভণীৰ পৰা শেষলৈকে সম্পূৰ্ণ বিদ্‌আ'ত। ত্ৰিকালত ইয়াৰ কোনো উল্লেখ নাই। অথচ জায়েজ।



pdf By Syed Mostafa Sakib



{ফৰ্মানে মুস্তাফা (স্বাঃ)- "যিয়ে মোৰ ছুন্নতক মুসাফ্বত কৰিলে প্ৰকৃততে সি মোকেই মুসাফ্বত কৰিলে।"}

দেওবন্দ মাদ্ৰাছাৰ শতবাৰ্ষিকী সমাৰোহ, বাৰ্ষিক ছীৰাতুন্নবী (স্বাঃ) জলছাহ অনুষ্ঠিত কৰা বিদ্‌আ'ত।

নামাজ ঃ নামাজত মুখেৰে নিয়ত কৰা বিদ্‌আ'ত। ত্ৰিকালত ইয়াৰ কোনো উল্লেখ নাই। ৰমজান মাহত বিশ ৰাকাত তাৰাৱীস পঢ়াটোও বিদ্‌আ'ত অথচ জায়েজ। হযৰত উ'মৰ ফাৰুক্ব (ৰাঃ)ই ফৰ্মাইছিল- (نعمت البدعة هذه) "এইটো উত্তম বিদ্‌আ'ত"।

ৰোজা ঃ মুখেৰে ৰোজাৰ নিয়ত কৰা আৰু মুখেৰে ইফ্‌তাৰৰ দুআ' পঢ়ি ৰোজা ইফ্‌তাৰ কৰা বিদ্‌আ'ত। অথচ জায়েজ আছে।

যাকাত ঃ বৰ্তমান যুগত সাময়িকভাবে প্ৰচলিত টকাৰে যাকাত আদায় কৰা বিদ্‌আ'ত। ত্ৰিকালত বৰ্তমান যুগৰ দৰে ফটো থকা কোনো টকা পইচা নাছিল। গতিকে বৰ্তমান যুগৰ প্ৰচলিত টকা পইচাৰে বা মাল বস্তুৰে যাকাত আদায় কৰা বিদ্‌আ'ত। অথচ ই জায়েজ।

হজ্ব ঃ ৰেলগাড়ী, মটৰ গাড়ী, উৰা-জাহাজ আদি যানবাহনেৰে হজ্বলৈ যোৱা, মটৰত উঠি আৰাফাতৰ ময়দানলৈ যোৱা বিদ্‌আ'ত। সেই পবিত্ৰ যুগত এনেবোৰ যানবাহনৰ কোনো অস্তিত্বই নাছিল। তদ্ৰুপভাৱে পীৰ-মুৰিদী, চাৰি ত্বৰীকা, চাৰি চিল্‌চিলা আদি আৰু বৰ্তমান যুগত নিতৌ নতুন নতুন বস্তুৰ আৱিষ্কাৰ আৰু সেইবোৰ মুছ্‌লমানে জায়েজ বুলি ভাবি ব্যৱহাৰ কৰি আছে। বৰ্তমান যুগত সেইবোৰ নহ'লে মানুহৰ জীৱন ধাৰণ কৰা কঠিন হৈ যাব। যেনেঃ ৰেল, মটৰগাড়ী, উৰাজাহাজ, যন্ত্ৰ চালিত পানী জাহাজ, চাইকেল, ৰিক্সা, মটৰ বাইচাইকেল, টেলিফোন, ম'বাইল, কম্পিউটাৰ, লেপ্‌টপ, ভিডিঅ', কেমেৰা, টেলিভিচন, মাইক্ৰফোন, লাউড্‌স্পিকাৰ ইত্যাদি। এই সমস্তবোৰ বস্তুৰ ব্যৱহাৰ সমূলি বিদআ'ত, কিন্তু এইবোৰক প্ৰতিটো জামাআ'তৰ মানুহে নিসংকোচে ব্যৱহাৰ কৰি আছে। এ, নাদৱী চাহেৰে 'জীৱনজ্যোতি' পুস্তিকাত কয়- "পাৰ্থিৱ জীৱনৰ ব্যৱহাৰ্য বস্তুবোৰ বিদ্‌আ'তৰ সংজ্ঞাৰ ভিতৰত নাহে।" পিছে আমি কওঁ এনেবোৰ বস্তু, যেনেঃ উৰাজাহাজ, ৰে'লগাড়ী, টিভি, ৰেডিঅ' আদিও বিদ্‌আ'ত। কিয়নো শ্বাইখ মুহাক্কিক (ৰাসঃ) এ আনকি চালনীকো বিদ্‌আ'ত বুলি কৈছে। এই আটাইবোৰ নতুন বস্তু আমাৰ জীৱনৰ এৰাব নোৱাৰা অংগ হৈ পৰিছে। এতিয়া কওঁক ? কথাই কথাই বিদ্‌আ'তৰ মালা জপা ওৱাহাবীসকল, এনেবোৰ বিদ্‌আ'তে হাছানাহ অবিহনে জীৱন ধাৰণ কৰিব পাৰিবনে ? কেতিয়াও নোৱাৰে ? ইচ্ছাকৃতভাবে হওক বা অনিচ্ছাকৃতভাৱে হ'লেও বিদ্‌আ'তে হাছানাক আঁকোৱালি ল'বই

লাগিব। নহ'লে গত্যন্তৰ নাই।

গতিকে ইমানবোৰ বিদ্আ'তৰ মাজত অকল মৌলুদ-ক্বিয়াম, ফাতিসাহ, দুআ'-দৰূদ আৰু হুজুৰ পাক (স্বাঃ)ৰ স'তে সম্বন্ধিত প্ৰতিটো কথাতে বিদ্আ'তৰ ফত্ৱা লগোৱা সকলৰ আচল উদ্দেশ্যটো কি? তাৰ উপৰি ওৱাহাবী সকলৰ মতে যদি সঁচাকৈয়ে মৌলুদ শ্বৰীফ বিদ্আ'ত, শ্বিৰ্ক আৰু হাৰাম হয় এইবোৰ পালন কৰিলে মুছলমান সকল পাপী হ'ব, তেনেহ'লে কুৰ্আন হাদীচৰ পৰা স্বসীস দলিল প্ৰস্তুত কৰি মৌলুদ, ফাতিসাহ আদি হাৰাম বুলি প্ৰমাণ কৰিবলৈ সাহস কৰিব পাৰিবনে? গতিকে বিদ্আ'ত মানেই ইছলাম বিৰোধী হ'ব নোৱাৰে। ওৱাহাবীপন্থী মৌলৱী আৰু মছজিদৰ ইমামসকলে মুছলমান সমাজক পথভ্ৰষ্ট কৰিবলৈ কিয় চেষ্টা কৰি আছে?

*যোৱা ২৭ এপ্ৰিল, ২০১২ তাৰিখে 'দৈনিক অগ্ৰদূত' কাকতৰ 'জীৱন জিজ্ঞাসা' শিতানত প্ৰকাশিত।*

# ছুন্নীয়াত প্ৰতিষ্ঠাৰ বাবে কেইটামান তৰতীব

পৃথিৱীত যিমান মছজিদ আছে তাৰে প্ৰায় সকলোবোৰেই আহ্‌লে ছুন্নত ওৱাল জামাআ'তৰ ফালৰ পৰা প্ৰতিষ্ঠা কৰা হয়। কিন্তু মাজভাগত পাবত গজা, পথভ্ৰষ্ট, বিদ্আ'তী ফিৰক্বাহ কিছুমানে কিছু মছজিদ নিজৰ অধীনলৈ নি এই মছজিদ সমূহত সিহঁতৰ নতুন মতবাদ প্ৰচাৰৰ কেন্দ্ৰ (centre)কৰি গঢ়ি তোলে। ফলত ইছলামী সমাজত এক বিশৃঙ্খল পৰিৱেশৰ সৃষ্টি হয়। যিহেতু ছুন্নীসকলৰ ৰাজধানী মছজিদ গতিকে এই ৰাজধানী (মছজিদ)ক বাত্বিল দলৰ সকলো প্ৰকাৰৰ চক্ৰান্তৰ পৰা বচাই ৰাখিবলৈ তলৰ আ'মল কেইটা কৰোঁ আহক। ইন্শ্বাআল্লাহ ছুন্নীয়াত প্ৰতিষ্ঠা হ'ব, আপুনি চাৱাবৰ অংশীদাৰ হ'ব।

১। যিহেতু বৰ্তমান প্ৰত্যেক মছজিদতেই মাইকৰ ব্যৱস্থা আছে গতিকে মগ্ৰীৱৰ নামাজৰ বাহিৰে প্ৰত্যেক নামাজৰ আজানৰ পিছত ইক্বামতৰ পূৰ্বে স্বালাত-ছালাম পাঠ কৰক। যেনে- 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া ৰাছুলাল্লাহ', 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া হাবীবাল্লাহ', 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া নাবীয়াল্লাহ', 'আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া নূৰাম্ মিন্ নূৰিল্লাহ'। 'বালাগাল উ'লা বিকামালিহী, কাশাফাদ্দুজা বিজামালিহী, হাছনাত জামীউ' খিস্বালিহী স্বাল্লূ আ'লাইহি ৱা আলিহি।' ফিক্বাহৰ কিতাপত এই স্বালাতক তাছ্ৱীব বোলা হয়। (দুৰ্ৰে মুখ্তাৰ, পৃঃ ৩৯০)

২। তক্বীৰৰ সময়ত মুকাব্বিৰে যেতিয়ালৈকে 'হাইয়্যা আ'লাচ স্বালাহ্' নকয় তেতিয়ালৈকে মোক্তাদীসকল বহি থাকিব আৰু যেতিয়া 'হাইয়্যা আ'লাচ স্বালাহ্' ক'ব তেতিয়া উঠিব। তকবীৰ থিয় হৈ শুনা মক্ৰূহ। আনকি তক্বীৰৰ সময়ত কোনো আহিলে



pdf By Syed Mostafa Sakib



{ ফৰ্মানে মুস্তাফা (স্বাঃ)- "সেই পুৰুষৰ প্ৰতি অভিশাপ যি মহিলাৰ বেশ ধাৰণ কৰে।" }

বহিব। এয়া হুজুৰ পাক (স্বাঃ)ৰ ছুন্নত। (মিশ্বকাত শ্বৰীফ, পৃঃ ৬৪, ফাতাৱা-ই-আ'লমগীৰী, পৃঃ ১/৫৭)

৩। পাঁচ ওৱাক্ত নামাজৰ ছালাম ফিৰোৱাৰ পিছত ইমামসকলে সোঁ-দিশে অথবা বাঁও দিশে ঘূৰি বহিব। সোঁফালে ঘূৰি বহাটো উত্তম। ওৱাহাবী-দেওবন্দীসকলে কেৱল ফজৰ আৰু আচৰৰ সময়ত ঘূৰি বহে। হযৰত ছামুৰাহ ইব্নে জুন্দুব(ৰাঃ)ই কৈছে— "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে যেতিয়া নামাজ শেষ কৰিছিল তেতিয়া তেওঁ (স্বাঃ) আমাৰ ফালে ঘূৰি বহিছিল।" (বুখাৰী শ্বৰীফ)


৪। পাঁচ ওৱাক্ত নামাজত আজান মুখেৰে হওক বা মাইকেৰেই হওক মছজিদৰ বাহিৰত দিব আনকি যুমুআ'হৰ দিনা খোত্বাৰ আজানো মছজিদৰ বাহিৰ (দৰ্জাৰ সন্মুখৰ)ৰ পৰা দিব, ই ছুন্নত। ফুক্বাহায়ে কিৰামে মছজিদৰ ভিতৰত আজান দিয়া মানা কৰিছে। ফাতাৱা-ই-ক্বাজী খান, ১ম খণ্ড, পৃষ্ঠা- ৭৮; ফাতাৱা-ই-আ'লমগীৰী (মিচ্ৰী) ১ম খণ্ড, পৃষ্ঠা-৫৫; বাহাৰুৰ ৰাইক, ১ম খণ্ড, পৃষ্ঠা- ২৬৮ত আছে لا يؤذن فى المسجد অৰ্থাৎ- "মছজিদৰ ভিতৰত আজান দিব নালাগে।" মছজিদৰ ভিতৰত আজান দিয়া মক্ৰূহ।

৫। আজানত হুজুৰ পাক (স্বাঃ)ৰ নাম শুনি দুই বৃদ্ধ আঙুলি চুম্বন কৰি চকুত বুলাই দিব। মাত্ৰ যুমুআ'হৰ খোত্বাৰ আজানৰ সময়ত এইটো নকৰিব। ওৱাজ-নস্বিহত, মীলাদ মাহ্ফিল সকলোতে হুজুৰ পাক (স্বাঃ)ৰ নাম শুনিলে ওপৰত উল্লেখ কৰা ধৰণে কৰিব। ৰদ্দুল মুহ্তাৰ, ১ম খণ্ড, পৃষ্ঠা ২৬৭ত আছে- "যেতিয়া (আজানত) প্ৰথমবাৰ "আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছূলুল্লাহ" কয় তেতিয়া "স্বাল্লাল্লাহু আ'লাইকা ইয়া ৰাছূলাল্লাহ" (স্বাঃ) পঢ়িব। ২য় বাৰ কওঁতে বুঢ়া আঙুলিৰ নখ (চুমা খাই তাক) চকুৰ ওপৰত ৰাখি "কুৰ্ৰাতু আ'ইনী বিকা মুহাম্মাদ ইয়া ৰাছূলাল্লাহ (স্বাঃ)" পঢ়ি পিছত "আল্লাহুম্মা মাত্তিঅ'নী বিচ্-চাম্ঈ ৱাল বাস্বাৰ" ক'ব। সেই ব্যক্তিক ৰছূলে পাক স্বাল্লাল্লাহু আ'লাইহি ওৱা ছাল্লামে যান্নাতৰ ফালে ৰাস্তা দেখুওৱাব। উপৰোক্ত আ'মলসমূহ সম্পূৰ্ণ হাদীচ সন্মত।

৬। প্ৰতিটো মছজিদতেই মীলাদ-ক্বিয়ামৰ ব্যাপকভাৱে আয়োজন কৰক। বিশেষকৈ ফজৰ আৰু যুমুআ'হ নামাজৰ পাছত মুখেৰে অথবা মাইক থাকিলে মাইকেৰে ছালাম পাঠ কৰক। ওৱাহাবীৰ বিপক্ষে ই এটা মাৰণাস্ত্ৰ। মছজিদৰ ভিতৰত দুনীয়াদাৰী কথা-বতৰা পতা, শোৱা আদি নকৰিব।

৭। প্ৰতিটো মছজিদত 'ফাইজ্বানে ছুন্নত' পঢ়াৰ ব্যৱস্থা কৰক। সপ্তাহত অন্ততঃ দুই বা এদিন কুৰ্আন পাকৰ তৰ্জমা- তফ্ছীৰৰ বাবে 'কান্জুল ঈমান ফী খাজাইনুল ইৰ্ফান' পঢ়াৰ ব্যৱস্থা কৰক, মাছাইলৰ বাবে 'বাহাৰে শ্বৰীঅ'ত', 'কানুনে শ্বৰীঅ'ত' 'যা-আল হাক্ব' পঢ়াৰ ব্যৱস্থা কৰক। (উল্লেখিত কিতাপকেইখন বৰ্তমান বঙালী ভাষাত উপলব্ধ। যোগাযোগ কৰিব পাৰে হুদা কেপ এণ্ড বুক ষ্টৰ, বি.আৰ ৰোড, মঙলদৈ- ৯৮৫৪২৫৭৯৪৯)

# নক্সাত ওৱাহাবী আৰু ইয়াৰ শাখা প্ৰশাখা




আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ অনুগামী সন্মানিত ৰাইজ, নক্সাটি ভালদৰে লক্ষ্য কৰক। এওঁলোক প্ৰত্যেকটি শাখাই বিদ্‌আ'তী, বাত্বিল ফিৰক্বাহ। আপুনি যদি উপৰোক্ত কোনোটো ফিৰক্বাহৰ জালত পৰিছে, আপুনি যদি হুজুৰ পাক (স্বাঃ)ৰ মুসাৱ্বত আৰু তেওঁ (স্বাঃ)ৰ শ্বাফায়তৰ আশাবাদী তেন্তে শ্ৰীঘ্ৰে এই বাত্বিল দল ত্যাগ কৰি তৌবাহ কৰক। (ছুন্নী জাগৰণ, এপ্ৰিল ২০১৪ সংখ্যা, পৃঃ ২)

## ঘোষণা ঃ

**'ৰাজা ফাউণ্ডেশ্বন'** (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ), মুছলিমঘোপা, দৰংএ ইতিমধ্যে ভালেকেইখন ইছলামী গ্ৰন্থ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত পৰৱৰ্তী গ্ৰন্থসমূহ প্ৰকাশৰ বাবে 'ৰাজা ফাউণ্ডেশ্বন'ৰ প্ৰযত্নে আৰ্থিক সাহায্য আগবঢ়াবলৈ ইছলামপ্ৰেমী সামৰ্থৱান সম্ভ্ৰান্ত ব্যক্তিসকলক এক বিনম্ৰ অনুৰোধ জনোৱা হ'ল।

যোগাযোগৰ বাবে ফোন নং— ৯৮৫৯৩৯৩৬৩৮, ৯৮৬৪৮০৮৬৭৭। A/c No-05580110009291 Uco Bank Mangaldai Branch



## আ'লা হযৰত ইমামে আহ্‌লে ছুন্নত শ্বাহ ইমাম আহমদ ৰেজাখাঁ ক্বাদ্‌ৰী(ৰাসঃ)ৰ কেইটামান গুৰুত্বপূৰ্ণ নচ্বিহত—

ছুন্নীয়াত প্ৰচাৰ-প্ৰসাৰৰ বাবে আ'লা হযৰত (ৰহঃ)এ কেইটামান জৰুৰী কৰ্মসূচীৰ কথা কৈছে। আল্লাহৰ ৱাস্তে আপুনি সামৰ্থনুযায়ী কমপক্ষে এটি কৰ্ম বাস্তৱায়িত কৰাৰ চেষ্টা কৰক।

১। ডাঙৰ ডাঙৰ মাদ্ৰাছা প্ৰতিষ্ঠা কৰিব লাগিব আৰু সেইসমূহত যথাযথ নিয়মে পঢ়াশুনা চলাই ৰাখিব লাগিব। ছাত্ৰসকলক আৰ্থিক সাহায্য দিব লাগিব যাতে তেওঁলোকৰ মাজত প্ৰেৰণা আহে।

২। মুদাৰ্ৰিচসকলক খিদ্‌মতৰ গুণাগুণ অনুসৰি উপযুক্ত বেতন দিব লাগিব।

৩। ছাত্ৰসকলক মানসিকতাৰ পৰীক্ষা কৰিব লাগিব আৰু যিজন যেনেকুৱা কামৰ কাৰণে উপযুক্ত তাক সেই কামত লগাই দিব লাগিব।

৪। ছাত্ৰ সকলৰ মাজত যিসকল প্ৰস্তুত থাকে বিভিন্ন দেশলৈ সিহঁতক প্ৰেৰণ কৰিব লাগিব যাতে তেওঁলোকে তাত গৈ লেখনী, বক্তৃতা, ওৱাজ নচ্বিহতৰ মাধ্যমত আৰু মুনাজাৰাহ কৰি দ্বীন আৰু মযহবৰ কাম কৰিব পাৰে।

৫। ভাল ভাল লেখকসকলক আৰ্থিক সাহায্য দি মযহবৰ সমৰ্থনত বদ মযহবৰ বিৰোদ্ধে উত্তম ৰূপত কিতাপ পত্ৰ লেখাব লাগিব। পুৰণা আৰু নতুনকৈ লেখা কিতাপসমূহ সুন্দৰ আৰু মনোৰম ৰূপত ছপাই বিনা মূল্যে বিতৰণ কৰিব লাগিব।

৬। আপোনালোকৰ পত্ৰ-পত্ৰিকা প্ৰকাশ হৈ থাকিব লাগিব ঠিক সময়ত মযহবী লেখাসমূহ দেশৰ চাৰিওফালে মূল্য নোলোৱাকৈ প্ৰত্যেক দিন অথবা প্ৰত্যেক সপ্তাহত পঠাই থাকিব লাগিব। হাদীচ পাকত আছে- "শেষ যুগত দিৰহাম আৰু দিনাৰৰ দ্বাৰা দ্বীন চলি থাকিব।" যিহেতু সত্যবাদী নবী (স্বাঃ)ৰ সত্যবাদী কথা সেয়ে এই কথা বাস্তৱ হ'বই।

৭। যিসকল উপযুক্ত ব্যক্তি আছে আৰু নিজৰ জীৱিকাৰ ফিকিৰত আছে তেওঁলোকক আৰ্থিক সাহায্য দি উপযুক্ত কামত লগাব।

৮। প্ৰত্যেক চহৰত আপোনালোকৰ লোক নিযুক্ত থাকিব। যিয়ে তাৰ অৱস্থাৰ ওপৰত চকু ৰাখিব। য'ত যেনেধৰণৰ প্ৰয়োজন হ'ব- বক্তৃতা, কিতাপ-পত্ৰ আৰু মুনাজাৰাহ আদি বিষয়ে অৱগত কৰিলে দ্বীনৰ দুছমনৰ মুকাবিলাৰ বাবে প্ৰয়োজনীয় পত্ৰ-পত্ৰিকা আৰু আলীম প্ৰেৰণ কৰিব। **(ফাতাৱা-ই-ৰিজবীয়্যাহ শ্বৰীফ, খণ্ড-১২, পৃঃ ১৩৩)**

pdf By Syed Mostafa Sakib

## নাতে ৰছূল (স্বাঃ) ঃ নবী প্ৰশস্তি



### ছালামে ৰাজা

মুস্তাফা জানে ৰহ্মত পে লাখোঁ ছালাম।
শ্বমএ' বয্মে হিদায়াত পে লাখোঁ ছালাম।।
মেহ্ৰে চোৰখে নবুওৱত পে ৰৌশ্বন দৰূদ।
গোলে বাগে ৰিছালত পে লাখোঁ ছালাম।।
শ্বেহ্ৰে য়াৰে ইৰম্ তাজুদাৰে হাৰম্।
নৌবাহাৰে শ্বাফাআ'ত পে লাখোঁ ছালাম।
শ্বমে আশ্বৰা কে দুল্হা পে দাঈমে দৰূদ।।
নৌশ্বাহে বায্মে যান্নাত পে লাখোঁ ছালাম।
আৰশ্ব্তা ফৰশ্ব হে জিছ্কে যেৰে নাগী।
উছ্কি কাহিৰ ৰিয়াছত পে লাখোঁ ছালাম।।
ফৎ হে বাবে নবুওৱত পে বেহদ্ দৰূদ
খত্মে দৌৰে ৰিছালত পে লাখোঁ ছালাম
লাইলাতুল ক্বাদ্ৰি মে মাত্লাঈ'ল ফজ্ৰে হক্।
মাংগ কি ইস্তিকামত পে লাখোঁ ছালাম।।
দূৰ ও নয্দীক্ কে চুন্নেৱালে ৰ' কাণ।
কাণে লালে কাৰামত পে লাখোঁ ছালাম।।
জিছ্কে মাথে শ্বাফাআ'ত কা চেহ্ৰা ৰাহা।
উচ্ জাবীনে ছাআ'দত পে লাখোঁ ছালাম।।
জিছ্কে ছাজ্দেকো মেহ্ৰাবে কা'বা ঝুকি।
উন্ ভাওঁকী লাটাফৎ পে লাখোঁ ছালাম।।
জিছ্ তৰফ্ উঠ গেয়ী দম্ মে দম্ আগেয়া।
উচ্ নিগাহে ইনায়ত পে লাখোঁ ছালাম।।
জিচ্ছে তাৰীক দিল জগ্ মগানে লাগে।
উচ্ চমক্ ৱালী ৰংগত পে লাখোঁ ছালাম।।
পাত্লি পাত্লি গুলে কুদ্ছিকি পাতিয়াঁ।
উন্ লবো কি নাজাকাত পে লাখোঁ ছালাম।

*আ'লা হযৰত ইমামে আহ্লে ছুন্নত আ'ল্লামা আলহাজ আলহাফিজ শ্বাহ আসমদ ৰেজাখাঁ ক্বাদ্ৰী(ৰহঃ)ৰ 'সাদায়িকে বখ্শ্বিচ', খণ্ড-২, পৃষ্ঠা- ১৩১*



pdf By Syed Mostafa Sakib

লেখকৰ প্ৰকাশিত গ্ৰন্থ সম্ভাৰ ঃ

১। কুৰআন-হাদীচৰ আলোকত ইলমে গ্বায়্‌বৰ আক্বীদাহ। (ডিচেম্বৰ, ২০১২ খ্ৰীঃ)
২। ইছলামত সংস্কাৰবাদ। (ফেব্ৰুৱাৰী, ২০১৩ খ্ৰীঃ)
৩। ঈদে মীলাদুন্নবী (স্বাঃ) তৰ্জমা। (অক্টোবৰ, ২০১৩ খ্ৰীঃ)
৪। তব্‌লীগ জামাআ'ত। (ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীঃ)
৫। উত্তৰ জীৱনজ্যোতি আৰু অন্যান্য ১ম খণ্ড (এপ্ৰিল, ২০১৪ খ্ৰীঃ)
৬। মাছইল ৱা ফাজ্বাঈলে স্বালাতুল যানাঝা ৱা গ্বাইবহ (আগষ্ট, ২০১৪ খ্ৰীঃ)
৭। নূৰুল হুদা মিন্ নূৰিল্লাহ (স্বাঃ) (ফেব্ৰুৱাৰী, ২০১৫ খ্ৰীঃ)

সদ্য প্ৰকাশিতব্য গ্ৰন্থসমূহ ঃ

১। বালিঝাৰ গাঁৱৰ ঐতিহাসিক বাহাস, ২। ফাজ্বাঈলে দৰূদ শ্বৰীফ,
৩। ইমাম আহমদ ৰেজা বেৰেলৱী (ৰাসঃ) আৰু মৌঃ আশ্ৰফ আ'লী থানৱী,
৪। মুছনাদে ইমাম আ'যম, ৫। দেওবন্দী-বেৰেলী মতবিৰোধৰ আঁৰৰ কথা,
৬। পথভ্ৰষ্ট ডাঃ জাকিৰ নাঈক, ৭। স্বালাতে মুস্তাফা ৱা ছুন্নী নামাজ শিক্ষা

ইয়াৰ উপৰিও 'অসমীয়া খবৰ', 'দৈনিক অগ্ৰদূত', 'নিয়মীয়া বাৰ্তা', 'দৈনিক গণ অধিকাৰ', 'মুক্তকণ্ঠ' আদি কাকতৰ লগতে বিভিন্ন আলোচনী-পত্ৰিকাত ভালেমান লেখা প্ৰকাশ পাইছে।

প্ৰকাশক ঃ
'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
পিন- ৭৮৪১৪৫, স্থাপিত- ২০০৬ চন
ফোন- ৯৮৬৪৮০৮৬৭৭, ৯৮৫৯৩৯৩৬৩৮

ছপা—পাৰামাউণ্ট অফছেট, বৰনৌলগুৰি

بسم الله الرحمن الرحيم

# নূৰুল হুদা মিন্ নূৰিল্লাহ

## স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম

نور الهدى من نور الله



pdf By Syed Mostafa Sakib

محمد فاروق عبد الله نوری
মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী